

STATE CENTRAL LIBRARY
ASSAM

# ছৈয়দ আব্দুল মালিক

( জীৱন-বৃত্ত আৰু কলা )

প্ৰফুল্ল চন্দ্ৰ বৰা

STATE CENTRAL LIBRARY
ASSAM
920

শ্ৰীভূমি পাবলিচিং কোম্পানী

**SYED ABDUL MALIK : Life and Art : A work on the life and art of Syed Abdul Malik, by Prof. Prafulla Chandra Bora, Dergaon, Assam, published by Arun Purkayastha, Sribhumi Publising Company, Calcutta-700009.**

---

বেচ : আঠ টকা মাথোন

---

প্ৰথম প্ৰকাশ : নভেম্বৰ, ১৯৭৬ ইং. প্ৰকাশক : শ্ৰীভূমি পাবলিচিং কোম্পানী, ৭৯, মহাত্মা গান্ধী ৰোড, ক[illegible]কতা-৭০০ ০০৯ মুদ্ৰক : শ্ৰীপৰাণচন্দ্ৰ ৰায়, চনেট প্ৰিণ্টিং ৱৰ্কচ ১[illegible] [illegible]াবাগান ষ্ট্ৰীট, কলিকতা-৭০০ ০০৬।

● ● ● যি গৰাকী ব্যক্তিৰ
জীৱনৰ পৰম ঐশ্বৰ্য
এই গ্ৰন্থৰ সম্বল,

● ● যাৰ সান্নিধ্যত
অৰুণি পোহৰৰ ৰেঙণি
দেখা পাওঁ,

● সেইজন সংগ্ৰামী সব্যসাচী
চৈয়দ আব্দুল মালিকৰ কৰ-কমলত—

## ॥ কিতাপখনৰ বিষয়ে ॥

প্ৰায় এবছৰ আগৰ কথা। অসম সাহিত্য সভাৰ ফালৰ পৰা এই লিখকক চৈয়দ আব্দুল মালিকৰ সমগ্ৰ ৰচনাৱলীৰ এখনি তালিকা যুগুতাই দিবলৈ দায়িত্ব দিয়া হৈছিল। তাৰ কিছু আগৰ পৰাই মালিক ডাঙৰীয়াৰ জীৱন-বৃত্ত আৰু শিল্প-সাধনা সম্পৰ্কে এখন সৰু গ্ৰন্থ ৰচনা কৰাৰ অভিপ্ৰায়েৰে কিছু কথা সংগ্ৰহ কৰিছিলোঁ। এই প্ৰস্তাৱত মালিক সন্তুষ্ট হোৱা নাছিল আৰু 'এইবোৰ কাম বাদ দিয়া' বুলি সঁকীয়নিহে দিছিল। পৰম ঐশ্বৰ্যৰ গৰাকী কথাশিল্পী মালিক আমাৰ কাৰো অচিনাকি নহয়। কোনো কোনোৱে কৈছেই, মালিকৰ নতুনকৈ চিনাকি দিয়াৰ প্ৰয়োজনেই নাই। কাৰোবাৰ মতে, মালিকৰ বিষয়ে লিখিবৰ সময় হোৱা নাই এতিয়াও। কিন্তু এচাম বন্ধু আৰু জনচেৰেক বয়োজ্যেষ্ঠই কৈছে যে মালিকৰ বিষয়ে লিখাটো অপৰিহাৰ্য কথা।

আশৈশৱ মালিকৰ সান্নিধ্য পাই থাকি একান্তই আন্তৰিক অনুৰাগৰ তাগিদাত এই সৰু পুথিখন লিখিছোঁ। মোৰ অক্ষম লেখনীয়ে হয়তো এই মহান শিল্পী-গৰাকীৰ জীৱন-বৃত্তক সমুজ্জ্বলভাৱে দাঙি ধৰিব পৰা নাই। সেই কথা একে আষাৰেই স্বীকাৰ কৰিছোঁ। মালিক ডাঙৰীয়াই তেখেতৰ বিষয়ে লিখিবলৈ অনুমতি দি আৰু প্ৰয়োজনীয় তথ্য-পাতি আৰু নানা প্ৰশ্নৰ উত্তৰ দি এই লেখকক চিৰ-কৃতজ্ঞ কৰিছে।

সু-সাহিত্যিক, অসম সাহিত্য সভাৰ উদ্যোগী, প্ৰাক্তন প্ৰধান সম্পাদক অধ্যাপক শ্ৰীনগেন শইকীয়াদেৱে নানাভাৱে উৎসাহ দিয়াৰ উপৰিও কিতাপখনৰ পাণ্ডুলিপি পঢ়ি চাই এটি ভূমিকা—'এখন আকাশ এটি নক্ষত্ৰ' লিখি দি মোক কৃতজ্ঞ কৰিছে।

পুথিখন ৰচনা কৰা কালত সাংবাদিক-সাহিত্যিক অধ্যাপক শ্ৰীকালীপ্ৰসাদ গোস্বামীদেৱে আগবঢ়োৱা সহায়-সহযোগৰ কথা কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ। শ্ৰীগোস্বামীদেৱে নানা তথ্যপাতি আৰু কাকত-পত্ৰ সংগ্ৰহ কৰি দিছে।

বন্ধু অধ্যাপক শ্ৰীহৰেন দত্তৰ সহযোগিতাও স্মৰণ কৰিছোঁ। নানা ঘৰুৱা কামৰ মাজতে সহধৰ্মিণী শ্ৰীমতী বেণু বৰাই পুথিখনৰ পাণ্ডুলিপিটো প্ৰস্তুত কৰি দি শলাগৰ পাত্ৰী হৈছে।

কলিকতাৰ শ্ৰীভূমি পাবলিচিঙৰ উদ্যোগী প্ৰকাশক শ্ৰীঅৰুণ পুৰকায়স্থদেৱে প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

পুথিখনত বৈ যোৱা দোষ-ত্ৰুটিৰ বাবে পাঠক সমাজৰ ওচৰত ক্ষমা ভিখাৰী হ'লোঁ। ইতি।

বিনীত—

দেৰগাঁও
বুদ্ধ পূৰ্ণিমা
১৩ মেই' ৭৬

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰা

চৈয়দ আব্দুল মালিক

এখন আকাশ এটি নক্ষত্ৰ ১
মই অসমীয়া—অৱতৰণিকা ৬
খিলঞ্জীয়া, যুগমীয়া, যাউতিযুগীয়া ১৫
ওমলা ঘৰৰ ধূলি ২১
প্ৰাণকুণ্ডৰ পাৰে পাৰে ২৮
মহাভাৰতৰ বাটে পৃথিৱীৰ সবাহলে ৪০
অসমীয়া ভাষা মোৰ, কথা মোৰ, গীত মোৰ ৪৭
জনতাৰ হৃদয়ত মোৰ সোণোৱালী দেশ ৬৮
অনাগত দিন সৃষ্টিকামী ৮০

## পৰিশিষ্ট [ ক ]

১) মোৰ জীৱন-দৰ্শন ৮৬
২) মোৰ লেখা আৰু মই ৯৪

## পৰিশিষ্ট [ খ ]

১) মালিক-ৰচনাৱলী ৯৯



'অঘৰী আত্মাৰ কাহিনী'—উপন্যাসৰ বাবে
সাহিত্য একাদেমীৰ বঁটা গ্ৰহণ কৰা অৱস্থাত মালিক



বক্তৃতা দি থকা অৱস্থাত
চৈয়দ আব্দুল মালিক



লিখি থকা অৱস্থাত মালিক

আনন্দ আৰু শংকা। ভয় আৰু প্ৰত্যয়। মনৰ দুৱাৰমুখত বিপৰীতমুখী অনুভাৱৰ উঠুলি-মুঠুলি। চৈয়দ আব্দুল মালিক, যাক 'মালিকছাৰ' বুলি ভাবিলেহে মনৰ মাজত মূৰ্তিটো উজ্জ্বলতৰ হৈ উঠে, সেই মালিকছাৰৰ কোনোবা গল্প বা উপন্যাসৰ চৰিত্ৰ এনেকুৱা এটা দ্বন্দ্বৰ মুখামুখি হৈছেনে বাৰু? হৈছে। বোধকৰোঁ হৈছে। কেৱল স্থান, কাল আৰু পাত্ৰ বেলেগ। জীৱনৰ অলিয়ে-গলিয়ে কৰা অবিৰত ভ্ৰমণেও যাক ক্লান্ত নহয় আনন্দিত কৰিছে, এনেকুৱা একোটি ক্ষুদ্ৰ মুহূৰ্তৰ লগত তেওঁৰ কিমান হাজাৰ বাৰ সাক্ষাৎ ঘটিব পাৰে! সেই সাক্ষাৎবোৰ শব্দেৰে সাজি হয়তো একোটি মূৰ্তিৰ অংগ-প্ৰত্যংগৰ অনেক অংশ নিৰ্মাণ কৰিছোঁ। মানুহৰ হৃদয় যাৰ বণিজৰ পণ্য তেওঁৰ বাবে 'সব ঠাঁই মোৰ ঘৰ'। সেই হৃদয়ৰ স্পৰ্শত সামান্য শিলাখণ্ডও সুবৰ্ণলৈ ৰূপান্তৰিত। ঐশ্বৰ্যহীন বৈকুণ্ঠ সোণাৰিৰ ঘৰত সোণৰ খনি আৱিষ্কাৰ কৰা হেমন্তৰ হাতৰ সোণৰ কাঠিৰ পৰশ লাগি সামান্যা ছোৱালীজনীওযে অসামান্যা হৈ উঠিল; গুণ্ডা ছমীৰৰ বুকুৰ মাজত এটা নতুন মানুহ সাৰ পাই উঠিল; সূৰ্যমুখীৰ সূৰ্য-সাধনা সফল হৈ উঠিল। বাটৰপৰা বুটলি নিয়া যুৱতী বেদানা, এটা অচিনাকি গোৰা চিপাহীৰ চিনাকি পিতৃ-স্নেহ, দৰিদ্ৰ মিলাদ, বাজি দেখুৱাই ফুৰা অঘৰী ছোৱালীজনী, সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হোৱা তিৰোতা দুগৰাকী, ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ দিয়া ল'ৰাটি ক'লা জামুৰ সোৱাদ লাগি থকা ষ্টেশ্যন মাষ্টৰৰ পত্নীৰ কাহিনী, হৰি মাষ্টৰ, আবিদ, সত্যেন, মিঃ চৌধুৰী, অৰ্থক্লিষ্ট পিতৃ, যুৱতী মাতৃ নাহৰণিৰ গাঁৱৰপৰা গোলোকৰ সিপিঠিলৈকে থকা হাজাৰ-বিজাৰ মানুহৰ হিয়াৰ মাজেদি পৰি থকা ৰাজবাটেদি কৰা ক্লান্তিহীন যাত্ৰাত লগ পোৱা মানুহৰ সুখ আৰু দুখ, আনন্দ আৰু বিষাদ, প্ৰাপ্তি আৰু অপ্ৰাপ্তি, প্ৰেম আৰু

বাসনাই মায়াময় বাণীমূৰ্তি দিয়া এই খনিকৰ জন, 'জীৱনে-মৰণে মই চিৰদিন অসমীয়া' বুলি পৰম গৌৰৱেৰে চিনাকি দিয়া, 'প্ৰাণকুণ্ডৰ পাৰে পাৰে' অমৃতৰ সন্ধান কৰা জীৱন-গীতিৰ এই গায়কজন 'অলৌকিক আনন্দ' আৰু 'বেদনা'ৰ বং বিলাই ফুৰা এই মানুহজন—নিজেই ক'ব নোৱাৰাকৈয়ে এটি ঐশ্বৰ্যৰ ভঁৰাল।

নাহৰণিৰ গাঁৱৰ পথাৰত জীৱনৰ ঘাই শিপাডাল প্ৰোথিত কৰি বহুদূৰলৈকে শাখা-প্ৰশাখা মেলি ধৰা—এই মানুহজন, যিজনে 'অসমীয়া ভাষা মোৰ, কথা মোৰ, গীত মোৰ' বুলি হৃদয়ৰ গভীৰৰ পৰা অনুভৱ কৰে, যিজনে লিখাটো এটা 'পৱিত্ৰ কৰ্তব্য' বুলি দায়াবদ্ধতা অনুভৱ কৰে, যাৰ হাতত পৰিলে আওকাঠী গছৰ টুকুৰা এটাও অপৰূপ মূৰ্তি এটিলৈ পৰিণত হোঁৱাৰ দৰে সামান্য বিষয়বস্তুও হৈ পৰে মনোৰম ভাৱে সুন্দৰ, চিত্তাকৰ্ষককৈ আকৰ্ষণীয়, সেইজন সুদক্ষ শব্দ-শিল্পীক এবাৰ ওচৰৰ পৰা চাবলৈ মন যায়। অসামান্য সৃষ্টি-প্ৰতিভাৰ গৰাকী এই 'আব্দুল মালিক' মানুহজনৰ যেয়ে এবাৰ ওচৰ চাপিছে, সেয়ে তেওঁৰ মোহনীয় ব্যক্তিত্ব, কোমল হৃদয় আৰু বাক্-মাধুৰ্যৰ প্ৰেমত পৰিবলৈ বাধ্য হৈছে। যোৱা চাৰিটা দশকৰ অসমীয়া সাহিত্যৰ ইতিহাসৰ এটা দীঘল অংশ দখল কৰি বহি থকা মালিকৰ ওচৰ চাপিলে অনুভৱ হয়—তেওঁ ওচৰ চাপোঁতাজনৰেই আটাইতকৈ প্ৰিয়জন। অনেক তিক্ত-মধুৰ অভিজ্ঞতাৰ পৰা মৌৰ দৰে ৰস চুহি তেওঁ নিৰ্মাণ কৰিছে মৌচাক—অক্লান্ত, অবিৰত, অবিচ্ছিন্ন ভাৱে। চল্লিছৰ দশকৰ বা পঞ্চাছৰ দশকত গল্প-উপন্যাস লিখা বহু লেখক নীৰৱ হ'ল; কোনোবা সৰৱ হৈ থাকিলেও সত্তৰ বা আশীৰ দশকৰ খোজত খোজ দিব নোৱাৰে। কিন্তু দ্বিতীয় মহাযুদ্ধৰ আগৰ পৰা অবিৰাম লিখি যোৱা মালিকৰ মাজত থকা গতিশীল ব্যক্তিত্বই তেওঁক কৰি ৰাখিছে এতিয়াও সমানেই সময়োপযোগী, সমানেই নতুন। মালিকে কেৱল নিজে গল্প সৃষ্টি কৰাই নাই, তেওঁৰ গল্পই এচাম গল্পকাৰো সৃষ্টি কৰিলে। অসমীয়া ভাষাত সৰ্বাধিক চুটি গল্প, সৰ্বাধিক উপন্যাস লিখা মালিক নাট্যকাৰো, কবিও,

ৰম্য-ৰচনাকাৰো, প্ৰাবন্ধিকো। এতিয়াও গাঁৱৰ জীৱনৰ লগত একান্ত ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰি থকা মালিক নিজেই হৈ পৰিছে এটি জীৱন্ত কিংবদন্তী-প্ৰায়।

১৯৫০ চনত ঢেকীয়াল হাইস্কুলত মাষ্টৰী কৰি থকা মালিকক চাবলৈ ঘৰৰ পৰা মনে মনে তিনি মাইল বাট খোজ কাঢ়ি যোৱাৰ স্মৃতি, জগন্নাথ বৰুৱা কলেজত মালিকক আমাৰ অধ্যাপক স্বৰূপে পোৱাৰ স্মৃতি, বিভিন্ন ৰাজহুৱা অনুষ্ঠানত পোৱা মালিকৰ স্মৃতি, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক মালিকৰ সহকাৰী হৈ পোৱাৰ সান্নিধ্যৰ স্মৃতি, সাহিত্য সভা, কলেজ, ঘৰুৱা মেল—বিভিন্ন সময়ত বিভিন্ন পৰিবেশত পোৱা মালিকৰ সাহচৰ্যৰ স্মৃতি মোৰ বাবে যেন কুবেৰৰ সম্পত্তি। এসময়ত 'মই অসমীয়া' আৰু 'আমাক কোনে মাৰে' আবৃত্তি কৰি অনুভৱ কৰা শিহৰণ অবিস্মৰণীয় ভাৱে চিৰ-সেউজীয়া। মালিকৰ মন আৰু সৃষ্টিও চিৰ-সেউজীয়া। মালিক য'তে স্বয়ং উপস্থিত ত'তে হাস্যমধুৰ গল্পৰ সঁফুৰা মুকলি। কামৰ ক্লান্তি, ভ্ৰমণৰ ভাগৰ, আলস্যৰ 'একঘেঁয়েমি' মালিকৰ পৰা সহস্ৰ যোজন দূৰত। অনেক সৰু সৰু গল্প মালিকক লৈয়ো সৃষ্টি হৈছে। তেওঁ অনুপস্থিত হৈয়ো তেওঁৰ সাহচৰ্য লাভ কৰা সকলৰ মাজত উপস্থিত।

এই মানুহজন, যি এটা যুগৰ নায়কৰ দৰে, তেওঁৰ বিষয়ে—তেওঁৰ প্ৰতিভা, তেওঁৰ কৰ্ম, তেওঁৰ জীৱনৰ বিষয়ে ইমান দিনে কেইবাখনো গ্ৰন্থ ওলাব লাগিছিল, ওলাব পাৰিলেহেঁতেন। কিন্তু অসমীয়া মানুহে জীৱিত কালত নিজৰ মাজৰ প্ৰতিভাক চিনি পোৱাৰ, চিনি পোওৱাৰ চেষ্টা কৰাত সদায় পৰাঙ্মুখ। গুণৰ তালটোক তিল কৰাত আৰু দোষৰ তিলটোক তাল কৰাত আমাৰ সমকক্ষ কোনোবা ওলাবনে নাই মোৰ দস্তুৰমত সন্দেহ আছে। ১৯৭৫ চনতে মালিক ছাৰক কৈছিলোঁ: "আপোনাৰ সমগ্ৰ ৰচনাৰ এখন তালিকা কৰিব লাগে।" চিৰাচৰিত গা-এৰা দিয়া স্বভাৱৰে উত্তৰ দিলে: "হেৰা নগেন, এইবোৰ কাৰ কামত লাগিব? তাতে মোৰ হাতত মোৰ

কিতাপ আৰু গল্পবোৰে বহুত নাই নহয়।" দেৰগাঁও কমল ছুৱৰা কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰা মালিকছাৰৰ প্ৰায় একে গাঁৱৰে। মালিকৰ সান্নিধ্য আৰু সাহচৰ্যও পাই আহিছে শৈশৱৰে পৰা। শ্ৰীবৰালৈ লিখিলোঁ: "মালিকৰ এখন ৰচনাপঞ্জী তৈয়াৰ কৰি দিয়ক।" শ্ৰীবৰাই ৰচনাপঞ্জী যুগুতোৱাৰ দায়িত্ব লোৱাৰ কথাতো ক'লেই, লগতে ক'লে যে—তেখেতে মালিকছাৰৰ বিষয়ে এখন সৰু গ্ৰন্থকে লিখিবলৈ ইতিপূৰ্বেই আৰম্ভ কৰিছে। এয়া মালিকছাৰ ৰাজ্যসভাৰ সদস্য হোৱাৰ বছৰেক আগৰ কথা। এতিয়া ৰাজ্যসভাৰ সদস্য মালিকৰ ক্ষণিক স্তাৱক হয়তো অনেক ওলাব। তেওঁলোকৰ কণ্ঠস্বৰেই হয়তো সৰৱ হৈ উঠিব পাৰে; কিন্তু শ্ৰীবৰাৰ বাবে, মোৰ বাবে, বা আমাৰ দৰে আৰু বহুতৰ বাবে—মালিক সদায় মালিক হৈ আছিল আৰু মালিক হৈ থাকিব।

মালিকৰ ৰচনাৰ বিষয়ে ভৱিষ্যতে অনেক আলোচনা-বিলোচনা হয়তো হ'ব, গৱেষণা হ'ব, কোনোবাই ডক্টৰেটো এদিন কৰিব; কিন্তু শ্ৰীপ্ৰফুল্ল বৰাই একান্ত আন্তৰিক অনুৰাগৰ তাগিদাত লিখা এই সৰু পুথিখনি তেতিয়াও হৈ থাকিব—নতুন গছত ফুলা প্ৰথম পাহি ফুল।

মালিকৰ সাহিত্য-দৰ্শন, জীৱন-দৰ্শন, ৰাজনৈতিক-দৰ্শন বা মালিকৰ সাহিত্যকৃতীৰ কঠোৰ সমালোচকো নিশ্চয় ওলাব; কিন্তু অসমীয়া ভাষা-সাহিত্য আৰু জাতীয় জীৱনৰ লগত 'চৈয়দ আব্দুল মালিক'—এই নামটো চিৰদিন 'সোণালী সূতাৰে বন্ধা' হৈ থাকিব।

শ্ৰীপ্ৰফুল্ল বৰাই মালিকৰ ব্যক্তিত্ব, কৰ্ম আৰু শিল্প প্ৰতিভাৰ পৰিচয়-জ্ঞাপক কৈ আঠোটি অধ্যায়ত সৰল ভাৱে আৰু ঔৎসুক্য জগোৱাকৈ লিখা এই পুথিখনি পঢ়ি উঠি—মোৰ এক প্ৰকাৰ ঈৰ্ষাই হৈছে। মোৰ প্ৰত্যয় হৈছে—মালিকৰ সাহচৰ্য লাভ কৰা আৰু বহুতৰ প্ৰাণলৈ শ্ৰীবৰাৰ পুথিখনিয়ে মোৰ অন্তৰৰ ঈৰ্ষাক সংক্ৰমিত কৰিব, আৰু তেওঁৰ ৰচনাৰ মাজেৰে মালিকৰ সান্নিধ্য লাভ কৰা সকলৰ অন্তৰত জন্মাব এই শব্দৰ যাদুকৰ, বৰ্ণাঢ্য কথা-শিল্পৰ শিল্পী গৰাকীক আৰু ওচৰৰ পৰা

চাবৰ বাবে অদমনীয় লোভ। শ্ৰীবৰা সেইবাবে আমাৰ সকলোৰে আন্তৰিক কৃতজ্ঞতাৰ পাত্ৰ হৈ ৰ'ল।

মালিক নিজেই ৰূপতীৰ্থৰ এগৰাকী অক্লান্ত যাত্ৰী, এটি আলোক-প্ৰপাত, এটি উজ্জ্বল নক্ষত্ৰ। মালিকছাৰৰ কাপ হৈ ৰওক অক্লান্ত, মন হৈ ৰওক 'সৃষ্টিৰ উৰ্‌মি'ৰে চিৰ-জাগ্ৰত, ব্যক্তিত্ব হৈ থাকক অম্লান মধুৰ আৰু প্ৰেৰণাৰ জীৱন্ত উৎস। তেওঁ সদায় আমাক শুনাই থাকক—

"লুইতৰ সোঁতে ক'ব অতীতৰ ভূতে ক'ব
অসমীয়া চিৰঞ্জীৱী, চিৰদিন জীৱ।"

বুদ্ধ পূৰ্ণিমা
১৩ মেই, ১৯৭৬
ডিব্ৰুগড় বিশ্ববিদ্যালয়

ইতি—
শ্ৰীনগেন শইকীয়া।

## মই অসমীয়া ঃ অৱতৰণিকা

আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীক সৃষ্টিধৰ্মী সাহিত্যৰ অতুল ঐশ্বৰ্য্য দান কৰা দৰদী লিখক চৈয়দ আব্দুল মালিকৰ নামটোতেই যেন এটা যাদু আছে। আধুনিক অসমৰ ৰাজহুৱা জীৱনত এই নাম অতি চিনাকি নাম। তেওঁৰ গুণমুগ্ধসকলে তেওঁক 'কথাৰ যাদুকৰ' বুলিহে চিনাকি দিয়ে। অসমৰ সাহিত্য-সংস্কৃতি আৰু সামাজিক জীৱনত এই এই নামটোৰ লগত এক নিবিড় আত্মীয়তা উপলব্ধি কৰা যায়। ১৯৩৭-৩৮ চন মানৰে পৰা আজি অষ্টম দশকৰ মাজভাগলৈকে অসমীয়া সাহিত্যত জনপ্ৰিয়তাৰ তুংগত আৰোহণ কৰি থকা মালিকৰ সদৃশ যশস্বী লিখক বিৰল। মালিকে কবিতা, চুটিগল্প, গল্প-কবিতা, উপন্যাস, প্ৰবন্ধ, ৰম্য-ৰচনা, ব্যংগ ৰচনা, লিমাৰিক, ব্যংগ কবিতা, সাধুকথা ( কোৰাণ চৰীফৰ সাধু ), একাংকিকা, পূৰ্ণাংগ নাটক, নাটিকা, অনাতাঁৰ নাটক, গীত, পৰিস্থিতি-সাপেক্ষ মনোজ্ঞ ৰচনা ( যেনে—শিলে সাৰ পালে, হিউৱেন ছাঙৰ ফাঁচী ইত্যাদি ), ৰাজনৈতিক আলোচনা, সাহিত্য সমালোচনা, ভ্ৰমণ-কাহিনী, অনুবাদ, লোকগীত সংগ্ৰহ, গ্ৰন্থ-সম্পাদনা, পত্ৰিকা-সম্পাদনা, ভাষাতাত্ত্বিক আলোচনা, দাৰ্শনিক আলোচনা, কথাছবিৰ চিত্ৰনাট্য, সংলাপ ৰচনা আদিৰে প্ৰাক্-স্বৰাজ আৰু স্বৰাজোত্তৰ স্তৰৰ অসমীয়া সাহিত্যত এক নব্য চেতনাযুক্ত পৰম্পৰা থাপনা কৰিছে। অনস্বীকাৰ্য যে, উল্লিখিত যুগৰ অসমীয়া সাহিত্যক বৰ্ণাঢ্য আৰু গতিচঞ্চল কৰাত মালিকৰ অৱদান লেখৰ-জোখৰ।

মালিকৰ নাম প্ৰথমতে গাল্পিকৰূপে আমাৰ পঢ়ুৱৈ সমাজত ৰজনজনাই গৈছিল; কিন্তু তেওঁ ছাত্ৰাৱস্থাত স্কুলীয়া হাতে লিখা আলোচনীত কবিতা লিখিহে সাহিত্য-চৰ্চাৰ পাতনি মেলিছিল। সিচাম কবিতাক তেওঁ পিছলৈ 'ছন্দ মিলাই লিখা পদ্য' বুলিহে নিজে আখ্যা দিছিল। অৱশ্যে স্মৰণ কৰিব লাগিব যে তেওঁ কবিৰূপেও পাছলৈ

কৃতিত্ব দেখুৱাইছিল। স্কুলীয়া জীৱনৰ পত্ত ৰচনাৰ দিনৰ পৰা কেবাশও চুটি গল্প আৰু সূৰুযমুখীৰ স্বপ্ন, আধাৰশিলা, অঘৰী আত্মাৰ কাহিনী-লৈকে সুদীৰ্ঘ পথযাত্ৰাত তেওঁৰ শিল্পী চেতনাত কিমান বৈভৱ আৰু বৈচিত্ৰ্যৰ সংযোজনা হৈছে, কত আদৰ্শৰ ঠেকাঠেকি হৈছে, কত অন্ত-ৰ্দ্বন্দ্বই শিল্পীৰ মন আৰু হৃদয়ক কঁপাই গৈছে—সেই ইতিহাস জানিবৰ মন যায়। কিন্তু কোৱা বাহুল্য যে, এনে সংবেদনশীল মহৎ স্ৰষ্টা এগৰাকীয়ে নিজস্ব মনোৰম কথনভংগীৰে আত্ম-বৃত্তান্ত নক'লে তেওঁৰ মন আৰু হৃদয়ৰ সংবাদ আৰু জীৱনৰ সংঘাতক আনৰ লেখনীয়ে সমুজ্জ্বল কৰি তুলিব নোৱাৰে। এনে বৰেণ্য লিখক বা ব্যক্তিৰ আত্মজীৱন চৰিতখনি ভাষাটোৰ বাবে আৰু জাতিটোৰ বাবে হৈ পৰে এখনি জীৱন্ত দলিল স্বৰূপ। প্ৰাতঃস্মৰণীয় সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়া আৰু গোহাঞিবৰুৱা ডাঙৰীয়াৰ জীৱন-সোঁৱৰণী দুখনি আমাৰ সাহিত্যৰ ভঁৰালৰ আপুৰুগীয়া সম্পদৰ দুপদ। এসময়ত যশস্বী সাংবাদিক-সাহিত্যিক শ্ৰীহোমেন বৰগোহাঞিয়ে চৈয়দ আব্দুল মালিকক 'নীলাচল' কাকতত আত্মজীৱনী লিখিবলৈ ধৰিছিল বুলি শুনা যায়। কিন্তু মালিকক আত্মজীৱনী লিখিবলৈ প্ৰত্যয় নিওৱা টান। তেওঁ এঠাইত নিজেই উল্লেখ কৰিছেঃ প্ৰথম পুৰুষত নিজৰ কথা কোৱাটো বা লিখাটো মোৰ কাৰণে বৰ অস্বস্তিকৰ কথা।

মালিকৰ সাহিত্য-পৰিক্ৰমাৰ ব্যাপ্তি আৰু গভীৰতাৰ মূলতে আছে তেওঁৰ বিচিত্ৰ কৰ্ম জীৱনৰ অভিজ্ঞতা আৰু জীৱন আৰু জগত সম্পৰ্কে সংঘাতৰ মাজেদি তেঁও আহৰণ কৰা প্ৰচুৰ জ্ঞান। অসমীয়া সাহিত্যত এনে এক ক্ষেত্ৰ নাই, য'ত মালিকৰ লিখনীৰ স্পৰ্শ পৰা নাই। তদুপৰি চুটিগল্প, উপন্যাস, নাটক, কবিতা আৰু ব্যংগ ৰচনাত তেওঁৰ বৰঙণি কেৱল নামমাত্ৰই নহয়, ইখিনিত তেওঁৰ দানৰ পৰিমাণ বুজন আৰু সাৰ্থকতাপূৰ্ণ। মালিকৰ বহুখিনি ৰচনাই বিশাল অভিজ্ঞতাৰ কষটি পাথৰত সোণৰ ৰেখা। প্ৰায় দুকুৰি উপন্যাস, সাতশ চুটিগল্প আৰু অন্যান্য বিবিধ ৰচনাৱলীৰ কেৱল পৰিমাণৰ দিশটোলৈ দৃষ্টিপাত কৰিলেও

আমাৰ সাহিত্যত এই যুগত তেওঁৰ সমতুল্য শিল্পী বিৰল। তেওঁৰ সাহিত্যিক গুণৰ ভিতৰত সবাতোকৈ লক্ষ্যণীয় গুণটো হ'ল তেওঁৰ নিৰবচ্ছিন্নতা; তেঁও চল্লিশৰ দশকত যি লেখনী ধৰিলে, অদ্যাবধি তাৰ আৰু সোঁত ছিগিবলৈ নিদিলে। আমাৰ সাহিত্যৰ আধুনিক যুগৰ বুৰঞ্জীৰ কেইবাটাও সংক্ৰান্তিৰ তেওঁৰ শিলৰ সাঁকো। বাঁহী আৰু আৱাহন, আৱাহন আৰু জয়ন্তী, জয়ন্তী-পচোৱা-ৰামধেনু, যুদ্ধ-পূৰ্ব আৰু যুদ্ধোত্তৰ, স্বৰাজ-পূৰ্ব আৰু স্বৰাজোত্তৰ—এই সকু-বৰ যুগসন্ধি আৰু সাহিত্য আন্দোলনৰ মাজত মালিকে কাপকাঠি চলাই গৈছে। তেওঁৰ জন্মৰ পৰা (১৯১৯ চন) আমাৰ জাতীয় জীৱনলৈ কেইবাটাও গুৰুত্বপূৰ্ণ ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্তনৰ ঢল নামিছে: ১৯২১ চন, ১৯৩০ চন, ১৯৪২ চন, ১৯৩৯-৪৫ জন, ১৯৪৭ চন—কেইবাটাও বৈশিষ্ট্যপূৰ্ণ জাতীয় আৰু আন্তৰ্জাতিক ইতিহাসৰ গুৰুত্বপূৰ্ণ ক্ষণ। এই সময়ত জাতীয় জীৱনত স্বাধীনতা-স্পৃহা আমাৰ হাড়ে-হিমজুৱে সোমাই পৰিছিল; এক নতুন যুগৰ জন্ম-বেদনাও দেশ তথা সমাজে ভুগিছিল। মহাসমৰৰ প্ৰলয়ংকৰী বিভীষিকাই আমাৰ সমাজৰ মানুহৰ চেতনাকো স্পৰ্শ কৰিছিল; এইবোৰ ক্ষণতে বিশ্ব জুৰি সাম্যবাদী আন্দোলনৰ ঢৌৰ শব্দ অনুৰণিত হৈছিল। ৰাষ্ট্ৰ জুৰি ভাৰতীয় জাতীয় কংগ্ৰেছে শক্তিশালী ঐতিহাসিক ভূমিকা গ্ৰহণ কৰিছিল। মহাত্মা গান্ধীৰ 'জাতিৰ পিতা' ৰূপে ভাৱমূৰ্তি গঢ় লৈ উঠিছিল। ইফালেদি মুছলিম লীগৰ জন্ম হৈছিল। এফালে 'ঈশ্বৰ-আল্লা তেৰে নাম' বুলি হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ সেতু বান্ধি দেশত অভূতপূৰ্ব জাতীয় ভাৱৰ জন্ম হৈছিল; আনহাতেদি নোৱাখালী, কলিকতা আদিত হিন্দু-মুছলমানৰ ৰক্তাক্ত সংঘৰ্ষ হৈছিল। দ্বিজাতি তত্ত্বত দেশ আৰু মানুহ খণ্ডিত হৈছিল। মালিকৰ শৈশৱ, কৈশোৰ আৰু যৌৱন এইবোৰ ক্ষণৰ ছুৱাবদলি গছকি পাৰ হৈ গৈছিল। আৰু তেওঁ ক্ৰমাগতভাৱে হৈ পৰিছিল চিনাকি লিখক। অসমীয়া সমাজে তেওঁলোকৰ অকুণ্ঠ প্ৰশংসাৰে মালিকৰ সৰ্বপ্ৰকাৰৰ ৰচনাক বিপুলভাৱে আদৰণি জনাই

গ'ল। ১৯৭২ চনত 'অঘৰী আত্মাৰ কাহিনী'ৰ বাবে মালিকক সাহিত্য আকাদেমীয়ে পুৰস্কৃত কৰে; কিন্তু তাৰ বহু আগতেই 'সূৰুযমুখীৰ স্বপ্ন', 'আধাৰশিলা,' 'মাজত মাথোন হিমালয়'ৰ দৰে বিশাল আৰু সাৰ্থক গ্ৰন্থ তেওঁৰ কাপৰপৰা ওলাইছিল। তেওঁৰ সাহিত্যৰ দ্বিতীয় লক্ষ্যণীয় বিষয় হ'ল—তেওঁৰ লেখনীৰে সমান দক্ষতাৰে গাঁও আৰু নগৰ অভিজাত, মধ্যবিত্ত, নিম্নবিত্ত, নিঃস্ব—সকলোকে প্ৰতিফলিত কৰিছে। একেজন লিখকেই সূৰুযমুখীৰ স্বপ্ন, আধাৰশিলা, নল-বিৰিণা-খাগৰিও লিখিছে, ছবিঘৰ, ৰূপতীৰ্থৰ যাত্ৰী, অঘৰী আত্মাৰ কাহিনী, এটা সূৰ্য, দুখন নদী আৰু মৰুভূমি, ডঃ অৰুণাভৰ অসম্পূৰ্ণ জীৱনীও লিখিছে। সমলোচকসকলে তেওঁৰ চুটিগল্প আৰু উপন্যাস সমূহত ফ্ৰয়দীয় প্ৰভাৱ আৰু মাৰ্ক্সীয় প্ৰভাৱ সমানভাৱেই দেখা পাইছে। তেওঁ এহাতে সৃষ্টিশীল সাহিত্যিক, আৰু আনহাতে নিপুণ সমালোচক। তেওঁৰ ৰচনৱালীৰ সম্পৰ্কে বহুতেই বহুত মন্তব্য দিয়ে। বহু সময়ত সমালোচকে তেওঁৰ সৃষ্টিক নিৰ্মমভাৱেও বিচাৰ কৰিছে। কিন্তু তেওঁ সদায় নিৰ্বিকাৰ। মালিকৰ সংস্পৰ্শলৈ গ'লে এই কথা বুজাত সহজ হয় যে, সাহিত্য-সৃষ্টিৰ সমল তেওঁ নিজৰ বাস্তৱ অভিজ্ঞতাৰ পৰা প্ৰত্যক্ষভাৱে আহৰণ কৰে। নিজৰ ষ্টাইলেৰে তেওঁ সেই সমলক কলাৰূপলৈ নিয়ে। তেওঁ ভাবি আনন্দ পায় যে তেওঁৰ সমগ্ৰ ৰচনাত তেওঁৰ অতি কঠোৰ সমালোচক সকলেও 'কুম্ভিলক বৃত্তি' (Plagia-rism) কোনোদিনেই দেখা নাই।

স্কুলত শিক্ষকতাৰ পৰা মহাযুদ্ধৰ সময়ত সামৰিক বাহিনীৰ 'চিভিলিয়ান ছেন্সৰলৈকে, আবকাৰী বিভাগৰ পৰা আকাশবাণীয়েদি কলেজৰ অধ্যাপনালৈকে মালিকৰ কৰ্ম-ক্ষেত্ৰৰ পৰিধি বিশাল। মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ লগত বহুত দিন জড়িত থকাৰ উপৰিও মালিকে এসময়ত মুছলিম লীগৰ লগত সহযোগ কৰিছিল আৰু স্বাধীনতাৰ পৰৱৰ্তী স্তৰত কুৰি বছৰৰো অধিক কাল বাঁওপন্থী, বিৰোধী শিবিৰৰ লগত সম্পূৰ্ণৰূপে সংস্পৰ্শ বজাই ৰাখি চলে।

সাম্যবাদী আন্দোলনৰ লগত মালিকৰ সুদীৰ্ঘ দিনৰ সংস্পৰ্শ সত্বেও প্ৰথমতে তেওঁৰ সাম্যবাদী দৰ্শনৰ প্ৰতি আকৰ্ষণ প্ৰধানতঃ আবেগিকহে আছিল, যৌক্তিক নাছিল। দ্বিতীয় মহাযুদ্ধৰ পাছত পশ্চিমবংগৰ আৰু সৰ্বভাৰতীয় খ্যাতি প্ৰাপ্ত কেইবাগৰাকীও কমিউনিষ্ট নেতাৰ সংস্পৰ্শলৈ অহাৰ ফলত কমিউনিষ্ট দৰ্শন সম্পৰ্কে তেওঁৰ ধাৰণা স্পষ্ট হয়। কিন্তু পাছলৈ তেওঁ উপলব্ধি কৰিছিল: মাৰ্ক্সীয় বা আন কোনো ৰাজনৈতিক দৰ্শনেই সামগ্ৰিকভাৱে জাতীয় জীৱনত ঠাই অধিকাৰ কৰি ল'ব পৰা নাই।

বিৰল প্ৰতিভাধৰ এইগৰাকী ব্যক্তিৰ জনপ্ৰিয়তা কেৱল লেখনী সম্ভূতই নহয়, অসমৰ সাংস্কৃতিক আৰু সামাজিক জীৱনৰ লগতো এওঁৰ সম্পৰ্কৰ নিবিড়তা মন কৰিব লগীয়া। মালিকৰ জন্ম হয় এখন আওহতীয়া, অৱহেলিত গাঁৱত—যি গাঁৱত মালিকৰ জন্মৰ ছকুৰি পোন্ধৰ বছৰৰ পাছতহে এটা ডাকঘৰ হৈছে। সিও সম্ভৱ হৈছে—মালিক ডাক আৰু তাঁৰ বিভাগৰ উপদেষ্টা-পৰিষদৰ সদস্য হোৱাৰ পাছতহে। তথাপি এই গাঁও তেওঁৰ চিৰদিনৰ আপোন। তেওঁ নিজেই কয়: "মই যিমানে পুৰণি ভিতৰুৱা গাঁৱৰ মাজলৈ সোমাই যাওঁ, সিমানে মোৰ জীৱনৰ বেছি কাষ চাপি যোৱা যেন লাগে; গাঁওবোৰত হাঁহি আৰু চকুলো গাত গা লগাই থাকে, গাঁৱত জীৱনৰ দৰে মৃত্যুও সমানে আপোন।" গাঁৱৰ মানুহৰ সুখ-দুঃখ, আশা-নিৰাশা সকলো বিষয়কে ব্যক্তিগত বিষয় হিচাপে গণ্য কৰি মালিকে তেওঁৰ সমাজসেৱাৰ পীঠস্থানৰূপে গাঁৱকেই গ্ৰহণ কৰিছে। তেওঁৰ মনৰ সদায় আক্ষেপ যে স্বাধীনতাৰ পাছত আমি বহুত নগৰহে নিৰ্মাণ কৰিলোঁ, কিন্তু এখনো হিচাপৰ গাঁও নিৰ্মাণ কৰিব নোৱাৰিলোঁ। সেইবাবে ১৯৭৫ চনত অসম চৰকাৰে তেওঁক উচ্চ ক্ষমতাসম্পন্ন ভূমি-বিতৰণ সমিতিৰ সদস্যৰূপে নিয়োগ কৰোঁতে, হাজাৰ-বিজাৰ ভূমিহীন কৃষকক চৰকাৰীভাৱে ভূমিদান কৰা কাৰ্যক ৰূপায়িত কৰোঁতে তেওঁ দিন-ৰাতি ছেদ-ভেদ নোহোৱাকৈ খাটিছিল, আৰু আমাৰ দেশৰ অজস্ৰ ভোকাতুৰ, অন্নহীনৰ মুখত 'এটা

নতুন হাঁহিৰ জন্ম' লগ্ন ঘটাত মালিক আনন্দত অধীৰ হৈ পৰিছিল। এজন কৃষকৰ ঘৰৰ সন্তান হিচাপে আমাৰ সমাজৰ মেৰুদণ্ড স্থিৰ কৰি ৰখাত ইয়াকেই তেওঁ সবাতোকৈ শক্তিশালী আৰ্থ-সামাজিক (Socio-economic) ব্যৱস্থা বুলি গণ্য কৰিছিল।

মাৰ্ক্সীয় দৰ্শনৰ অধ্যয়ন, প্ৰাক্-স্বাধীনতা কালত আমাৰ পৰাধীনতাৰ গ্লানি আৰু অপযশৰ লগত প্ৰত্যক্ষ চিনাকি আৰু সাম্ৰাজ্যবাদী শাসনে অক্টোপাছৰ দৰে আমাৰ অৰ্থনীতিক বিকল কৰি পেলোৱা অৱস্থাৰ উপলব্ধিয়ে কলেজীয়া ছাত্ৰাৱস্থাতে মালিকক সাম্ৰাজ্যবাদ-বিৰোধী, পুঁজিবাদ-বিৰোধী বামপন্থী ৰাজনৈতিক শিবিৰলৈ আকৰ্ষণ কৰে। সেই সময়তে দেশজুৰি এদল যুৱকৰ সাম্যবাদী সমাজ স্থাপনৰ আদৰ্শৰ প্ৰতি প্ৰবল ধাউতি হৈছিল। কেৱল ৰাজনৈতিক স্বাধীনতাই ভাগি-ছিগি যোৱা জাতীয় অৰ্থনীতিক জীপাল কৰি কোটী কোটী ভাৰতীয়ৰ অন্ততঃ নিম্নতম প্ৰয়োজনীয় অন্ন-বস্ত্ৰ সমস্যাৰে যে ওৰ পেলাব পাৰিব সেই কথাত এইসকল পতিয়ন যাব পৰা নাছিল। বাস্তৱিকতে সময়ত সেই বিশ্বাসেই সঁচা বুলি প্ৰমাণিত হৈছিল। স্বৰাজোত্তৰ ভাৰতীয় ৰাজনীতিত পুঁজিবাদ বিৰোধী আৰু সাম্যবাদী আদৰ্শৰ অনুকূলে আস্থা স্থাপন কৰা এদল প্ৰগতিবাদী ভাৰতীয় বামপন্থী শিবিৰত বৈ গ'ল। মালিকো সেই দলৰে অন্তৰ্ভুক্ত। ইমানদিন তেওঁ শাসনাধিষ্ঠিত দলৰ পৰা আঁতৰত বিৰোধী শিবিৰত থাকিল; আৰু ইয়াৰ পৰোক্ষ কিম্বা প্ৰত্যক্ষ পৰিণতি স্বৰূপে তেওঁ একাধিকবাৰ ৰাজৰোষতো পৰিছিল। কিন্তু ১৯৭১ চনত শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্ব শাসক কংগ্ৰেছ দলৰ প্ৰগতিবাদী অৰ্থনৈতিক আৰু সামাজিক নীতিক সমৰ্থন জনাই মালিকে কংগ্ৰেছ দলত যোগদান কৰে। সৃষ্টিধৰ্মী সাহিত্য-ৰচনাৰ পৰম দায়িত্ব পালন কৰা মালিক কিন্তু কোনোদিনেই সাহিত্য সৃষ্টিৰ চাৰিটাপৰ মাজতে আবদ্ধ নাথাকিল; ক্ষেত্ৰ এৰি ক্ষেত্ৰান্তৰত বিশেষতঃ ৰাজনীতিক মেৰপাকত ওলাব নোৱাৰাকৈ সোমাই পৰিল। মালিকৰ সাহিত্যক মনে-প্ৰাণে

ভালপোৱা সকলবো সেইখিনিতেই দ্বিধা আৰু সংশয় উপস্থিত হ'ল: মালিক মূলতঃ লিখক আৰু চিৰদিন একাণপতীয়া সাহিত্য-চৰ্চাহে তেওঁৰ পৰা সমাজে বিচাৰে। মালিকে ৰাজনীতি কৰাটো কেৱল তেওঁৰ ব্যক্তিগত পক্ষৰে নহয়, তেওঁৰ সমাজ, তেওঁৰ শুভানুধ্যায়ীসকল আৰু তেওঁৰ অনুগত অনুজৰ দলৰ পক্ষেও ই বিশেষভাৱে ক্ষতিকৰ। এজন সাৰ্থক আৰু সম্ভাৱনাপূৰ্ণ লিখকে কলম এৰি ৰাজনীতিৰ জটিল বেহুত প্ৰবেশ কৰিবলৈ বিচৰাৰ অৰ্থ বিচাৰি পোৱা টান। কিন্তু এই বিষয়তো মালিকে আত্মপক্ষ সমৰ্থন কৰি যুক্তি আগবঢ়াই আমাক প্ৰত্যয় নিয়াবলৈ চেষ্টা কৰিছে। এই লিখকৰ লগত এক বিশেষ সময়ত হোৱা এটা সাক্ষাৎকাৰত (সাপ্তাহিক নীলাচলত প্ৰকাশিত) তেওঁ কৈছিল: "অনুভূতি সম্পন্ন এজন লিখক হোৱাৰ কাৰণেই মোৰ কেতিয়াবা কাপ থৈ হাতত তৰোৱাল ল'বৰ ইচ্ছা হয়। কিন্তু বৌদ্ধিক নৈৰাজ্য বাবে সমস্যাৰ সমাধান নানে। তাৰ কাৰণেই গণতান্ত্ৰিক ব্যৱস্থাকেই আশ্ৰয় লোৱাৰ প্ৰয়োজন। সংঘাতৰ সম্মুখীন হ'বলৈ প্ৰস্তুত থকাৰ নামেই জীয়াই থকা।"—এই যুক্তি আছিল তেওঁ সাহিত্যিক হৈয়ো ৰাজনীতি চৰ্চা কৰাৰ সপক্ষে দিয়া যুক্তি।

তেওঁৰ মাজে মাজে উপলব্ধি হয়, সমাজৰ সৰ্বসাধাৰণ এজন ব্যক্তিৰ দৰেই সাহিত্যিক এজনো সমাজৰ প্ৰতি নানাভাৱে দায়াবদ্ধ। সমাজৰ অন্য এজনে ৰাজনীতি কৰাটো যেনেকৈ দোষ নহয়, তেওঁ ৰাজনীতি কৰাটোও তেনেকৈয়ে দোষ হ'ব নোৱাৰে। মালিকৰ জীৱনৰ এই প্ৰসংগটোৱে আমাৰ মাজত চিৰদিনেই বিতৰ্কৰ সৃষ্টি কৰি আহিছে।

নিৰ্বাচনী জয়-পৰাজয়েই যদি ৰাজনৈতিক জীৱনৰ জয়-পৰাজয়ৰ মাপকাঠি হয়, তেনেহ'লে মালিক ৰাজনীতিত পৰাজিত নায়ক। কিন্তু মালিকে সেইদৰে কোনোদিনেই ভবা নাই। তেওঁৰ অৱশ্যে জীৱনত বহুবাৰ মোহভংগ ঘটিছে। কিন্তু তেতিয়াও তেওঁ কয়: জীৱনত ইমানযে disillusioned হৈছোঁ, এতিয়া আৰু একোতেই আচৰিত বা হতাশ নহওঁ।

সমাজৰ হকে, দেশৰ হকে কাম কৰাৰ তীব্ৰ স্পৃহাৰ বাবেই মালিকে জীৱনত বহুতো চৰকাৰী অৰ্ধ-চৰকাৰী আৰু অন্যান্য ৰাজহুৱা দায়িত্ব লৈ আহিছে। তেওঁ এক সময়তে অসম সাহিত্য সভা, সাহিত্য আকাদেমী, নেশ্যনেল বুক ট্ৰাষ্ট, আকাশবাণী, প্ৰকাশন পৰিষদ, ডাক আৰু তাঁৰ বিভাগ, ফিল্ম ফাইনেন্স কৰপ'ৰেশ্যন, অসম সমবায় চেনিকল, ৰাজ্যিক উচ্চক্ষমতা সম্পন্ন ভূমি-বিতৰণ সমিতি, অসম-মেঘালয় পথ পৰিবহণ নিগম, মুছলিম পৰিষদ আদিৰ সক্ৰিয় কৰ্মকৰ্তা হৈছে। একেজন ব্যক্তিৰ ওপৰত একেসময়তে এনে বিবিধ দায়িত্ব ন্যস্ত হোৱাটো বিৰল। তেওঁৰ সংস্পৰ্শৰ মধুৰতাই সকলো শ্ৰেণীৰ লোকক তেওঁৰ কাষলৈ টানি আনে। ইমানবোৰ দায়িত্ব একসময়তে পালন কৰিবলগীয়া হোৱাত তেওঁযে সকলোতে কৃতকাৰ্য্য হৈছে সেই কথা বিনা দ্বিধাই ক'ব নোৱাৰি।

মালিকৰ জন্মৰ স্থান আৰু পৰিবেশ তেওঁৰ জীৱনৰ শৈশৱ আৰু কৈশোৰৰ দিনবোৰ তেওঁৰ দৰে এজন প্ৰতিভাবান কথা শিল্পীৰ সৰ্বতো-মুখী বিকাশৰ অনুকূল নাছিল। তথাপি কৈশোৰৰ পৰাই তেওঁ গান গাইছিল, অভিনয় কৰিছিল, ফুটবল খেলিছিল। সেইটো যুগত সেই গাঁৱৰ পৰিবেশ আজিতকৈও অন্ধকাৰাচ্ছন্ন আছিল। তেওঁ আছিল দুখীয়া সন্তানৰ ঘৰৰ সন্তান। শাওণৰ পথাৰৰ বোকা আৰু আঘোণৰ পথাৰৰ সোণালী ধাননি একাঠ্ঠি বোকাৰে ভৰা গাঁৱৰ ৰাস্তা-পদূলিৰ লগত তেওঁৰ আত্মীয়তা নিবিড়। আৰু সেইবাবেই তেওঁৰ মৰমৰ নিজ গাঁওখনৰ এশ-এবুৰি সমস্যাৰ মাজত আজিও লিপ্ত হৈ পৰে পৰম তৃপ্তিৰে। বহুতেই ভাবি আচৰিত হ'ব যে সেই গাঁৱৰে বোকাভৰা পলসুৱা পথাৰত মালিকে এজন নিৰহ-নিপানী কৃষকৰ দৰে কৃষিকাৰ্যত তন্ময় হৈ আত্মনিয়োগ কৰি জীৱনৰ বহুতো দিন কটাই দিছে। গাঁৱৰ যুৱক সংঘ, সাহিত্য সভা, মহিলা সমিতি, কৃষক সভা, গাঁও পঞ্চায়ত, সমবায়, ঈদৰ নামাজ আদিত তেওঁ সমান ভাবেই সক্ৰিয়। এজন ধাৰ্মিক মুছলমানৰ দৰে তেওঁ মছজিদলৈ যায়; কোনোবা আত্মীয়ৰ জানাজাৰ সময়ত ততাতৈয়াকৈ গৈ উপস্থিত হয়। মঞ্চ আৰু কথাছবিত

তেওঁ অভিনয় কৰিছে। ভূমিহীন, ছাত্ৰ-যুৱক, কৃষক, সাহিত্যিক সকলোৰে তেওঁ প্ৰিয় বক্তা। মালিকৰ দৰে জনপ্ৰিয় বক্তা বিৰল।

এটা ডাঙৰ পৰিয়ালৰ মূৰব্বী ৰূপে তেওঁৰ জাগতিক দায়াবদ্ধতা বহুখিনি, সেই দায়িত্ব তেওঁ পৰম নিষ্ঠাৰে পালন কৰে। অথচ নিজৰ ঘৰখনত মালিক আলহীৰ দৰে; ঘৰখন তেওঁৰ কাৰণে transit camp আৰু বাহিৰখনেই তেওঁৰ আচল ঘৰ। মনৰ মাজত, হিয়াৰ মাজত তেওঁ এখন জগত সদায় লৈ ফুৰে। প্ৰাত্যহিক জীৱনৰ অলেখ সৰু-বৰ ঘটনাই, ব্যক্তিগত জীৱনৰ পোৱা-নোপোৱাৰ বেদনাই, হৰ্ষ-বিষাদৰ কাহিনীয়ে, হতাশা আৰু ব্যৰ্থতাৰ গ্লানিয়ে তেওঁক কোনোদিনেই টলাব পৰা নাই।

স্বদেশ আৰু স্বজাতি, নিজস্ব জাতীয় ঐতিহ্য আৰু সংস্কৃতি তেওঁ প্ৰাণ ভৰি ভাল পায়। মহাপুৰুষ শঙ্কৰদেৱ তেওঁৰ সীমাহীন শ্ৰদ্ধাৰ পাত্ৰ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ তেওঁৰ নিচেই আপোন, আজান ফকীৰ তেওঁৰ অতি প্ৰিয়। এই দেশৰ নৈসৰ্গিক ৰূপৰ মাজত তেওঁ দেখিবলৈ পায়—

'প্ৰতিটো বনৰ পাত জাংফাই, মিনাকৰা ৰূপ জাতিস্কাৰ ডুবৰিৰ পাতে পাতে মুকুতাৰ থোপা, গছকত ভাগে মৰকত।' মালিকৰ প্ৰথম আৰু সৰ্বোত্তম পৰিচয়—তেওঁ অসমীয়া।

"...ধৰ্ম মোৰ, জাতি মোৰ অসমীয়া প্ৰাণৰ আপোন।"

## খিলঙীয়া, যুগমীয়া, থাউতিযুগীয়া :

"থাক তই যুগমীয়া
থাক তই হেৰেই গৰীয়া,
ইয়াতে বান্ধিবি আটি
জীৱনৰ তৰা গাঁঠি,
ইয়াতে কবৰৰ মাটি
জীৱনৰ চিন ঢাকি দিয়া।"

--মালিক

ইতিহাসৰ আঁত বিচাৰি দূৰলৈ উভতি যাব লাগিব। হজৰত মোহম্মদৰ (দঃ) কন্যা ফাতিমা বিবিৰ স্বামী হজৰত আলি কৰমল্লাহ ৱজহু, আৰু এওঁৰ পৰা ষষ্ঠদশ পুৰুষ হজৰত খাজা মইনুদ্দিন হাচান চঞ্জৰী চিস্তী (চমুকৈ আউলিয়া মইনুদ্দিন চিস্তী) নামৰ মুছলমান পীৰ গৰাকী খ্রিষ্টীয় দ্বাদশ শতিকাত বাগদাদৰ পৰা ভাৰতবৰ্ষলৈ আহে। এওঁ এজন বিদগ্ধ চুফী আৰু চুফী দৰ্শনৰ এগৰাকী প্ৰবক্তা আছিল। উল্লেখযোগ্য যে চুফী দৰ্শনৰ চাৰিটা তৰীকা বা পন্থা আছে। যেনে— (১) চৰিয়ৎ, (২) তৰিকত, (৩) হকিকত, আৰু (৪) মা আ'ৰিফত। তৰীকা মানে হ'ল পন্থা বিশেষ অৱলম্বন। এই তৰিকাৰ (তৰিকত) আকৌ চিস্তীয়া, মোজদ্দিয়া আদি চাৰিটা বিশিষ্ট গুৰু পন্থ আছে।

চুফী-সাধন মাৰ্গত আত্ম-উপলব্ধিৰ অৱলম্বন স্বৰূপ বিভিন্ন পন্থাও আছে। তাৰো আচৰণ বিধি চুফী গুৰুভেদে স্বকীয়া স্বকীয়া। আধ্যাত্মিক সাধনাৰ লগে লগে আপাতদৃষ্টিত চৰিয়তৰ আচৰণ-বিধিক উলংঘা নকৰাকৈ নিজস্ব পন্থা অনুসৰি গূঢ় সাধনা কৰাই উল্লিখিত চিস্তীয়া পন্থাৰ বিশেষত্ব। ওপৰোক্ত খাজা মইনুদ্দিন চিস্তীয়েই এই চিস্তীয়া সম্প্ৰদায়ৰ প্ৰথম চুফী। এওঁ মধ্য এছিয়াৰ পৰা আহি ৰাজস্থানৰ আজমীৰ অঞ্চলত বসবাস কৰিছিল। আজমীৰস্থ এওঁৰ দৰগাহ অতি

প্ৰসিদ্ধ আৰু ইয়াত আজিও অজস্ৰ যাত্ৰীৰ ভিৰ। খাজা মইনুদ্দিন চিস্তীৰ উত্তৰ-পুৰুষ সকলেৰেই বংশধৰ চৈয়দ আব্দুল মালিক।

ইয়াৰ পাছৰ পৰ্ব আৰম্ভ হয় খ্ৰিষ্টীয় সোতৰ শতিকাৰ আগভাগত। তদানীন্তন অসমত আহোম স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব। উজনি অসম অভিমুখে চাৰিগৰাকী মুছলিম সাধক বা আউলিয়া (ৱলী) ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে আহিছিল। স্মৰণ কৰিব লাগিব যে অসমলৈ মুছলমানৰ এয়ে পোন প্ৰথম আগমন নাছিল। অসমৰ লগতে মুছলমানৰ সম্পৰ্ক বহু দিনৰ পুৰণি। খ্ৰিষ্টীয় ত্ৰয়োদশ শতিকাত আহোম ৰাজশক্তি যেনেকৈ পূবৰ পৰা সোমাৰপীঠেদি অসমত প্ৰবেশ কৰিছিল, মুছলমান ৰাজশক্তিত বিজেতা ৰূপে একেসময়তেই পশ্চিম সীমান্তইদি অসমলৈ সোমাইছিল। ত্ৰয়োদশ শতিকাৰ পৰাই ক্ৰমে কোচ, আহোম আদিৰ লগত মুছলমানৰ উপৰ্যুপৰি সংঘৰ্ষ চলিছিল। এই সংঘৰ্ষ চলিছিল কেইবা শতাব্দী ব্যাপী। ইয়াৰ ফলত চামে চামে মুছলমান অসমত বৈ গৈছিল খিলঞ্জীয়া মুছলমান ৰূপে।

—"হেৰেই গৰীয়া—
খিলঞ্জীয়া, যুগমীয়া,
সাত পুৰুষীয়া,
যাউতিযুগীয়া—
অসমৰ তই অসমীয়া।—মালিক।

অসমীয়া মুছলমানে অসমৰ বিচিত্ৰ ইতিহাস নিৰ্মাণৰ সমল যোগাইছে। বিখ্যাত শৰাইঘাটৰ যুদ্ধত বহুতো মুছলমানে ৰামসিংহৰ নেতৃত্বত অহা মোগল বাহিনীৰ বিৰুদ্ধে যুঁজাৰ কথা অসম বুৰঞ্জীত ফৰিং-ফুটা হৈ আছে। স্বৰ্গীয় মফিজুদ্দিন আহমদ হাজৰিকাৰ উপৰিপুৰুষ বাঘ হাজৰিকাৰ ঘৰৰ মুছলমান আছিল অসমীয়া যুঁজাৰুৰ অন্যতম। অসমীয়া সমাজ, অসমৰ প্ৰকৃতি আৰু ইয়াৰ ভৌগোলিক পৰিবেশৰ মাজত মুছলমান সকলৰ পৰিচয় ক্ৰমাগত ভাৱে মুছলমানতকৈও অসমীয়া হৈ পৰিছিল। সাম্প্ৰতিক অসমতো মুঠ জনসংখ্যাৰ শতকৰা প্ৰায় ২৮

ভাগ মুছলমান। ১৯৭১ চনৰ লোক পিয়ল অনুসৰি অসমত মুছলমান জনসংখ্যা—প্ৰায় ৪০ (চল্লিছ) লাখ। অসমীয়া মুছলমান সম্প্ৰদায়ৰ অসমীয়া ভাষা-সাহিত্য সমাজ আৰু সংস্কৃতিলৈ বৃহৎ পৰিমাণৰ অৱদান সমগ্ৰ অসমীয়াৰ গৌৰৱ। চুলতান, গড়ীয়া, বাঘ হাজৰিকা, দিলোৱাৰ দোচাই, বাহাদুৰ, গাঁওবুঢ়া আমাৰ শক্তিশালী ইতিহাস নিৰ্মাতা সকলৰ দলভুক্ত। ওপৰত উল্লিখিত পীৰ কেইগৰাকী হ'ল—(১) হজৰত খোন্দকাৰ পীৰ, (২) হজৰত শ্বাহ মিলন (আজান ফকীৰ বা আজান পীৰ), (৩) হজৰত নবী পীৰ (বা চালেহ চাহেব) আৰু (৪) হজৰত চাৱাল পীৰ। এই পীৰসকলৰ অসম আগমনৰ উদ্দেশ্য আছিল অসমত মুছলমান সকলৰ ধৰ্মভাৱ সুস্থিৰ কৰা। ড° সূৰ্য্যকুমাৰ ভূঞা দেৱে আজান ফকীৰৰ বিষয়ে কওঁতে এই বুলি উল্লেখ কৰিছে:

As his object was to stabilise Islam he had to point out the unorthodox deviations from the main principles and practices, such trangressions being prevelent amongst Assamese Muslims who lived for away from their co-religionists of Northern India.—

FORWARD: "*Zikir* and *Jari*."

এই পীৰ সকলৰে অন্যতম হজৰত খোন্দকাৰ পীৰ হ'ল খাজা মইণুদ্দিন চিস্তীৰ এগৰাকী বংশধৰ। পীৰ গৰাকীক চৈয়দ আব্দুল গনি বা হজৰত চৈয়দ ওচমান গণি বা আব্দুল গণি চিস্তী নামেৰেও জনা যায়। অসমত চৈয়দ আব্দুল মালিকৰ এখেঁই প্ৰথম পূৰ্বপুৰুষ। অসমত চিস্তীয়া গোষ্ঠীৰ কোনো কোনোৱে এতিয়াও চিস্তী উপাধি লিখে; মালিকেও আগতে নামৰ পিছত 'চিস্তী' লিখিছিল। উক্ত চাৰি গৰাকী পীৰৰ শ্বাহ মিলন বা আজান ফকীৰ-প্ৰসিদ্ধ জিকিৰ আৰু জাৰী ৰচয়িতা আৰু এগৰাকী প্ৰসিদ্ধ মুছলমান সাধক। খোন্দকাৰ পীৰ বা আব্দুল গণি চিস্তীৰ পৰিয়ালৰ লগত শ্বাহমিলনৰ পৰিয়ালৰ বৈবাহিক সূত্ৰও ঘটিছিল বুলি জনা যায়। অসমত আহোম স্বৰ্গদেউ প্ৰতাপসিংহৰ

ৰাজত্ব কালত আজান ফকীৰে জিকিৰ আৰু জাৰী ৰচনা কৰিছিল বুলি ঠাৰৰ কৰা হৈছে। "দহশ ছুকৰি, নবীচন হিজিৰি, আকৌ পাঁচে বছৰ ..."—অৰ্থাৎ ১০৪৫ হিজৰি আৰু খ্ৰিষ্টীয় ১৬৩৪—৩৫ চনত "শ্বাহ মিলনে, এই জিকিৰ কৰিলে, কোৰাণ কিতাপত পাই"।* ১০৪৫ হিজৰিত আজান ফকীৰে অসমীয়া ভাষাত ইমান নিমজকৈ ইমান শুৱলাকৈ আৰু জতুৱা ঠাঁচ আৰু নিভাঁজ অসমীয়া শব্দকোষ ব্যৱহাৰ কৰি জিকিৰ-জাৰী ৰচনা কৰাৰ নিশ্চয় বহুদিন আগতে আহি অসমত নিগাজীকৈ বসতি কৰিহে অসমীয়া ভাষাক মাতৃভাষাৰ দৰে আয়ত্ত কৰি ল'ব পাৰিছিল। এই জিকিৰে মহাপুৰুষ শংকৰদেৱ প্ৰৱৰ্তিত একশৰণ ধৰ্মৰ লগত একেশ্বৰবাদী ইছলাম ধৰ্মৰ একাত্মীয়তা ভিত্তি তৈয়াৰ আৰু অসমীয়া জাতীয় জীৱনত হিন্দু-মুছলমানৰ মাজত মিলন-সেতু ৰচনা কৰে। স্বাভাৱিকতেই জিকিৰ ৰচনাৰ ভালেমান বছৰ আগতেই শ্বাহ মিলন আৰু তেওঁৰ সমসাময়িক খোন্দকাৰ পীৰ (চিস্তী) অসমলৈ আহিছিল বুলি অনুমান কৰা সহজ।

সাধক খোন্দকাৰ পীৰ আব্দুল গনিয়ে শিৱসাগৰৰ দিলীহ নৈৰ পাৰত বসবাস কৰিছিল। এই নৈৰ সমীপস্থ কুকুৰাপুহীয়া গাঁৱত এওঁৰ দৰগাহত আজিও বহুতো মুছলমান জিয়াৰত কৰিবলৈ যায়। এইগৰাকী পীৰে কোমলদৈ নামেৰে ঠাইত থাকিবলৈ লোৱাৰ পৰাই বোধহয় এওঁৰ বংশধৰ সকলক কোমলদৈয়া দেৱান বোলা হয়। খোন্দকাৰ পীৰৰ দৰগাহৰ বিষয়ে অনেক অলৌকিক কথা শুনা যায়। ড° মহেশ্বৰ নেওগ সংকলিত-সম্পাদিত 'পবিত্ৰ অসম'ত এই দৰগাহৰ কিছু বৰ্ণনা সন্নিৱিষ্ট কৰা হৈছে। খোন্দকাৰ পীৰৰ বংশধৰ সকলে শিৱসাগৰ আৰু দেৰগাঁৱৰ নাহৰণিত থাকিবলৈ লয়। নাহৰণিত এওঁলোকৰ চিনাকি 'দেৱানৰ ঘৰ' বুলি। খোন্দকাৰ পীৰৰ পৰা চৈয়দ আব্দুল মালিকলৈ দ্বাদশ পুৰুষ হৈছে। (পৰিশিষ্ট: বংশলতা দ্ৰষ্টব্য)। মালিকৰ উৰ্ধতম পঞ্চম পুৰুষ হজৰত চৈয়দ জওহৰ আলিৰ দিনৰ পৰা

* চৈয়দ আব্দুল মালিক সংকলিত-সম্পাদিত "জিকিৰ আৰু জাৰী' দ্ৰষ্টব্য।

এতিয়ালৈ ছয় পুৰুষে স্থায়ীকৈ নাহৰণিত বাস কৰিছে। দেৰগাঁও নগৰৰ দক্ষিণে মুছলমান বসতি-প্ৰধান নাহৰণি অঞ্চল। এই গাঁও এতিয়া প্ৰখ্যাত হৈ পৰিছে অগৰু চন্দনৰ শিল্পৰ বাবে। মুছলমান হ'লেও বিহুৱা ডেকাৰ গাঁও নাহৰণি। মুগা-এৰিয়া-কপাহী সূতাৰ হৰেক ৰকমৰ ধুনীয়া ধুনীয়া কাপোৰ বোৱা শিপিনীৰ গাঁও নাহৰণি। জীৱিকা হ'ল কৃষি আৰু বেপাৰ। ভূমিহীনৰ সংখ্যাই গাঁওখনত অধিক। ইয়াত এসময়ত মুছলমানৰ বিয়াৰ দৰাই পিন্ধা ধুনীয়া ধুনীয়া পাগুৰি তৈয়াৰ কৰা হৈছিল।

মালিকৰ ককাদেউতাক চৈয়দ আব্দুল হক এজন নৈষ্ঠিক ধৰ্ম-পৰায়ণ ব্যক্তি আছিল। নাহৰণি আৰু ইয়াৰ দাঁতিকাষৰীয়া মুছলমান বসতিপূৰ্ণ অঞ্চলত তেওঁৰ সামাজিক আৰু ধৰ্মীয় ক্ষেত্ৰত থকা কৰ্তৃত্বৰ কথা বহুতো বয়োবৃদ্ধই আজিও স্মৰণ কৰে। নাহৰণি আৰু ইয়াৰ আশে-পাশে থকা সাতোটা মছজিদৰ সাতোটা 'জামাত'ৰ এওঁেই আছিল প্ৰধান চৰ্দাৰ বা বিচাৰপতি। এওঁৰ নিমজ-নিৰ্মল চৰিত্ৰ আৰু উদাৰ ব্যক্তিত্বই এওঁক হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মাজত সৰবৰহী কৰি তুলিছিল। এওঁ এগৰাকী বিদ্যোৎসাহী লোক আছিল। নিজৰ তিনিজন পুত্ৰক আব্দুল হকে ডিব্ৰুগড় আৰু যোৰহাটত সেই কালতে হাইস্কুলীয়া শিক্ষাৰ কাৰণে ৰাখিছিল। সেয়া আছিল ঊনবিংশ শতিকাৰ শেষাৰ্ধ। কিন্তু যৌৱনৰ দুৱাৰদলিত ভৰি দিয়া প্ৰথম দুজন ল'ৰাৰ অকাল আৰু আকস্মিক মৃত্যুত তেওঁৰ তৃতীয় পুত্ৰ চৈয়দ ৰহমত আলিক ঘৰলৈ আনি নিজৰ তত্ত্বাৱধানত ফাৰ্চী, উৰ্দ্দু, আৰবী আৰু ইংৰাজী ভাষা শিকোৱাৰ উপৰিও ধৰ্মীয় পৰম্পৰা পালনৰ সকলো ৰীতি-নীতিৰ শিক্ষা দিয়ে। চৈয়দ আব্দুল হকে ভাষা আৰু ধৰ্মশিক্ষা দি পুতেক ৰহমত আলিক খুব উদাৰনৈতিক আৰু প্ৰগতিশীল দৃষ্টিভংগীৰ মানুহ হিচাপে গঢ় দিছিল। ৰহমত আলিয়ে কিছুদিন নাহৰণি মাদ্ৰাছাত শিক্ষকতা কৰিছিল। আৰু স্থানীয় কেইবাটাও মছজিদত নিয়মীয়া ভাৱে "ইমামতি" কৰিছিল, বহুতো মুছলমানক দীক্ষা দিছিল আৰু

'মুৰিদ' বা ভকত কৰাইছিল। উদাৰ, লোকপ্ৰিয় আৰু সাধু প্ৰকৃতিৰ ৰহমত আলিৰ বৈষয়িক উন্নতিৰ প্ৰতি আসক্তি আছিল খুব কম। জীৱনৰ শেষচোৱা তেওঁ চৰম দাৰিদ্ৰৰ মাজেদিহে কটাবলগীয়া হৈছিল। এওঁৱেই হ'ল চৈয়দ আব্দুল মালিকৰ পিতৃ।

ৰহমত দেৱানৰ বিষয়ে অনেক মনোৰম কাহিনী শুনা যায়। মানুহে কয় যে ৰহমত দেৱানে সমগ্ৰ জীৱনত কেতিয়াও কোনোদিনেই মিছা কোৱা নাছিল। দেৱানে সত্যবাদিতাই তেওঁৰ জীৱনৰ একমাত্ৰ সম্বল বুলি গণ্য কৰিছিল। তেওঁ তেওঁলোকৰ ঘৰত থকা বন্দুকটো এতিয়া ইয়াৰ কোনো প্ৰয়োজন নাই বুলি কাকো বিক্ৰী নকৰি গোলাঘাট মহকুমাধিপতিক চমজাই দিছিলগৈ। মালিককে ধৰি চাৰিজন পুত্ৰ আৰু দুগৰাকী কন্যা যাতে সুশিক্ষিত হৈ উঠে সেয়েই আছিল ৰহমত দেৱানৰ জীৱনৰ একমাত্ৰ ধ্যান-ধাৰণা। নাহৰণিৰ সেই সময়ৰ পৰিবেশ আৰু তেওঁৰ আৰ্থিক অনগ্ৰসৰতা তাৰ বাবে জানো অনুকূল আছিল? কিন্তু ৰহমত দেৱানৰ আদৰ্শ দেৱলীয়া নহ'ল। তেওঁৰ ল'ৰা-ছোৱালী কেইটা সেই পৰিবেশতে আশানুৰূপে সুশিক্ষিত হৈ উঠিল। ডাঙৰ পুত্ৰ দুজন এম. এ, সৰু দুজন বি· এ, আৰু সৰু ছোৱালীজনীয়েও বি· এ, পাছ কৰে। এটা পিছ পৰা গাঁৱলীয়া পৰিয়ালৰ ক্ষেত্ৰত কথাটো একেবাৰে নধৰ্তব্য নহয়।

## ওপজা ঘৰৰ ধূলি

'যি শিশুৰ জন্ম হ'ল গলিৰ বোকাত
কীট-পত্ত-পতংগৰ দৰে,
তাৰ জীৱনৰ বাবে কোনো অংগীকাৰ জানো
মোৰ দুবাহুৱে দাঙি ধৰে ?'
—মালিক

ৰং-ৰূপহীন, বৈচিত্ৰ্যহীন অথচ বহু পুৰণি গাঁও নাহৰণি। মাটি-পানী-বোকাৰ লগতেই ইয়াৰ মানুহৰ সংস্পৰ্শ। ১৯১৯ চনৰ ১৬ জানুৱাৰি। সেইদিনা মাঘ-বিহু আছিল। এই নাহৰণিৰ এক দুখীয়া কৃষকৰ ঘৰত এক নতুন পুৰুষৰ জন্ম হৈছিল—যাৰ নাম থোৱা হৈছিল চৈয়দ আব্দুল মালিক। খিতাপত দেৱানৰ ঘৰৰ অথচ দুখীয়া কৃষক চৈয়দ ৰহমত আলিৰ প্ৰথম পুত্ৰ সন্তান। মাতৃ চৈয়দ লতিফুন্নিছা। গাঁৱৰ সন্তান মালিকৰ নিজৰ দৃষ্টিত পিছলৈ ধৰা পৰিছিল: 'গাঁৱৰ কৃষকৰ জীৱন ধাৰাত নদীৰ গভীৰ সোঁতৰ দৰে, ৰাতিৰ ৰহস্যময় ব্যাপ্তিৰ দৰে, অৰণ্যৰ নিবিড় আদিমতাৰ দৰে এটি আপোন আপোন লগা চিৰন্তনতা আছে।' সেই ওপজা গাঁও তেওঁৰ আজিও বৰ আপোন, গাঁৱক আজিও তেওঁ প্ৰাণভৰি ভাল পায়। তেওঁ যেন ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ সুৰেৰে ক'বলৈ বিচাৰে—

'ওপজা গাঁৱৰ মোৰ বকুল তলৰ পৰা
জুৰিটিৰ পাৰে পাৰে
বনঘোষা-বিহুগীত গাই
লুইতৰ দুপাৰৰ কঁহুৱা বনত
বৰগীত গাওঁ।'

আৰু—

'ওপজা গাঁৱৰ পৰা
নিজৰাৰ পাৰেদি
জান-জুৰি-নৈয়েদি

মহাভাৰতৰ বাটে
পৃথিৱীৰ সবাহলে' যাওঁ।

মালিকৰ জন্মৰ সময়ত নাহৰণিত এখন পাঠশালা আছিল। সেই সময়ত গোটেই গোলাঘাট মহকুমাৰ ভিতৰত মাত্ৰ এখন হাইস্কুল আছিল। গোলাঘাট নগৰত থকা এই বেজবৰুৱা হাইস্কুল শিক্ষাবিদ স্বৰ্গীয় গোবিন্দচন্দ্ৰ বেজবৰুৱাই প্ৰতিষ্ঠা কৰিছিল। নাহৰণিৰ পৰা এই হাইস্কুললৈ চৈধ্য মাইল দূৰ আছিল। অৱশ্যে তেতিয়াই স্বাধীনতা সংগ্ৰামৰ তপত বতাহে নাহৰণিৰ দৰে গাঁৱকো স্পৰ্শ কৰি গৈছিল। মালিকৰ শৈশৱ মুক্তি-সংগ্ৰামৰ বিপ্লৱী মন্ত্ৰ-ধ্বনিৰ স্মৃতি বিজড়িত। গোলাঘাটৰ মধুমিশ্ৰ সত্ৰৰ বিখ্যাত স্বাধীনতা সংগ্ৰামী স্বৰ্গীয় দ্বাৰিকা-নাথ গোস্বামীয়ে গাঁৱে-ভূঁৱে মানুহক স্বৰাজৰ মন্ত্ৰত দীক্ষিত কৰিবলৈ ভ্ৰমি ফুৰিছিল। ৰক্ষণশীল সমাজৰ সন্তান হৈয়ো সেই সময়ত স্বৰ্গীয় গোস্বামীয়ে প্ৰগতিশীল আৰু উদাৰ আছিল সেই কথা মালিকে সৰুতে জানিছিল। সেই সময়ত নাহৰণি অঞ্চলত স্বৰাজৰ হকে যুঁজা এদল ডেকাও ওলাইছিল। ১৯২১ চনৰ পৰা আৰম্ভ হোৱা স্বাধীনতা আন্দোলনৰ সেই পৰ্বৰ নাহৰণি অঞ্চলৰ স্মৰণীয় সংগ্ৰামী সকলৰ ভিতৰত আছিল—পোৱাল, ফজৰ আলি, চৈয়দ চাহাদাৎ আলি আদি। শেষোক্ত জন প্ৰথম মহাসমৰত বৃটিছ সামৰিক বাহিনীৰ সৈনিক আছিল আৰু মহাযুদ্ধৰ সময়ত তেওঁ মধ্যপ্ৰাচ্য পৰ্যন্ত পাইছিলগৈ। পাছত তেওঁ সৈনিক জীৱন ত্যাগ কৰি স্বৰাজৰ আন্দোলনত লাগেহি।

কাহিলি কাহিলি মনত পৰে...

১৯২২-২৩ চন মানৰ কথা। স্বাধীনতা সংগ্ৰামৰ নামত আমাৰ মানুহৰ মনত জুইৰ ফিৰিঙতিৰ উচ্ছ্বাস। বৃটিছ শাসকৰ দলে স্বাধীনতা সংগ্ৰামী জনসাধাৰণৰ মনত ভীতি-সঞ্চাৰ কৰিবৰ বাবে কিছুমান গোড়া চিপাহী কেতিয়াবা গাঁৱৰ মাজেদি পাৰ হৈ যাবলৈ পঠাইছিল। শকত-আৱত, গোমোঠা চেহেৰাৰ সেই চিপাহী দলৰ কথা মালিকৰ কাহিলি কাহিলি মনত পৰে। ১৯২৫ চনত ফৰকাটিঙৰ পৰা বৰুৱাবামুণ

গাঁৱেদি মৰিয়নিলৈ হোৱা ৰেল লাইনে নাহৰণিক ছুই গৈছে। প্ৰকাণ্ড ৰেলগাড়ী গাঁৱৰ শান্ত পৰিবেশৰ মাজেদি পাৰহৈ যোৱা দৃশ্যই গাঁওবাসীৰ মনলৈ আনিছিল অফুৰন্ত উলাহ আৰু আনন্দ। ১৯২৯ চন মানত বৰুৱাবামুণ গাঁও ৰেল ষ্টেশ্যনত ৰেলগাড়ীৰ প্ৰথম শ্ৰেণীৰ কম্পাৰ্টমেণ্টৰ পিতলৰ চিকমিকাই থকা ৰেলিংবোৰ কোনোবাই সোণৰ বুলি মালিকক দেখুৱাইছিলগৈ। সেইবোৰ গাড়ীত বগা চাহাববোৰ উঠে। মাটিৰে হাতী-ঘোঁৰা সাজি থাকোঁতে প্ৰাইমেৰী স্কুলৰ প্ৰথম দু শ্ৰেণীমানত প্ৰায়েই দিনৰ পাছত দিন ধৰি স্কুল খতি হৈছিল। ছবিও আঁকিছিল। আৰু বজৰণি গছৰ কাঁইটত কিবাকিবিৰ সাঁচ কাটিছিল। তেওঁৰ পিতৃৰ সেই সময়ত যথেষ্ট পৰিমাণে মাটি-বাৰী আছিল বাবে আৰ্থিক স্বচ্ছলতাৰে শৈশৱ আৰু কৈশোৰৰ প্ৰাৰম্ভৰ সোণালী দিনবোৰ পাৰ হৈছিল। সেই দিনবোৰৰ চিত্ৰ মালিকৰ মনত এতিয়াও ফৰিংফুটা হৈ আছে। নাহৰণিৰ প্ৰখ্যাত শিক্ষক মৰহুম মীৰ আব্দুল গনি আছিল স্থানীয় প্ৰাইমেৰী স্কুলৰ প্ৰধান শিক্ষক। ব্যক্তিত্বপূৰ্ণ এইগৰাকী শিক্ষকক সকলো ছাত্ৰই সমানেই শ্ৰদ্ধা আৰু ডৰ কৰি চলিছিল। নামে-কামে আব্দুল গনি আছিল 'বৰ মাষ্টৰ'। এই গৰাকী শিক্ষকৰ তলত পঢ়িয়েই ১৯২৮ চনত মালিক প্ৰাইমেৰী পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰিছিল। ১৯২৯ চনত তেওঁলোকৰ ঘৰৰ পৰা পাঁচ মাইল দূৰৈৰ দেৰগাঁও হাইস্কুলত তেওঁ ক্লাছ 'থ্ৰি'ত নাম লগায়। সেই সময়ত দেৰগাঁও হাইস্কুলত তেওঁৰ শিক্ষক সকলৰ ভিতৰত আছিল—হৰকান্ত বৰুৱা, চন্দ্ৰনাথ খাওন্দ, ত্ৰৈলোক্য শৰ্মা, কেশৱকান্ত বেজবৰুৱা, চাৰু চন্দ্ৰ গোস্বামী, শ্ৰীদুৰ্গানাথ কাকতি, শ্ৰীপদ্মেশ্বৰ বৰঠাকুৰ আদি। দেৰগাঁও হাইস্কুলত পঢ়োঁতে কেশৱকান্ত বেজবৰুৱাই মালিকক গান গাবলৈ আৰু কবিতা আবৃত্তি কৰিবলৈ শিকাইছিল। বেজবৰুৱাই নিজে হাৰমনিয়াম বজাই ছাত্ৰসকলৰ মাজত গান গোৱা প্ৰিয় বিষয় কৰি তুলিছিল। মালিকে তেতিয়া ভালকৈ গান আৰু গজল ছুয়োবিধতে নাম কৰিছিল। ক্লাছ ছিক্সত পঢ়াৰে পৰা নাটকত অভিনয়

কৰিবলৈ লৈছিল। তেতিয়াৰ পৰাই নিয়মীয়াকৈ ফুটবল খেলিবলৈকো লৈছিল। খেলাৰ সুবিধা পোৱাহেঁতেন তেওঁ ভাল ফুটবল খেলুৱৈ হ'ব পাৰিলেহেঁতেন বুলি মালিকে ভাবে। কিন্তু খেলা-ধূলাতকৈও অভিনয়তহে তেওঁৰ বাপ বেছিকৈ বহিছিল। আৰু ছাত্ৰজীৱনত সন্ধ্যালনিকৈ নাট্যাভিনয়ৰ লগত সম্পৰ্ক ৰাখিছিল। স্থানীয় কুৱাল-গুৰিত থকা ষ্টেজত মালিকে সাধাৰণতে স্ত্ৰী চৰিত্ৰৰ অভিনয় কৰিছিল। কুৱালগুৰিৰ নাট্যদলে দুৰ্গাপূজাৰ সময়ত বিভিন্ন চাহ বাগিচাত থিয়েটাৰ কৰিবলৈ যাওঁতে মালিক আছিল সেই নাট্যদলৰ আগৰণুৱা। তেওঁৰ পিতৃ ৰহমত দেৱানে ল'ৰাৰ সেইবোৰ কথাত নিৰ্লিপ্ততা প্ৰকাশ কৰিছিল। এইখিনিতেই এটা কথা উল্লেখ কৰিব লাগিব যে দেৰগাঁও হাইস্কুলত পঢ়ি থাকোঁতেই মালিকে স্কুলৰ হাতে লিখা আলোচনী 'আজলী'ত ১৯৩৩ চনত পোন প্ৰথম চুটিগল্প লিখে। দৰাচলতে এই সৃষ্টিশীল লেখক-জনৰ লেখাৰ আথৰা চলিছিল আৰু আগৰে পৰা। যেতিয়া তেওঁ প্ৰাইমেৰী স্কুলত পঢ়িছিল তেতিয়াৰ পৰাই। সহপাঠী ছাত্ৰ এজন এচকুৰ অন্ধ আছিল। অন্ধ ছত্ৰাক লৈ 'পদ্য' লিখি 'বৰ মাষ্টৰ'ৰ পৰা এজাউৰি গালি শুনিবলগীয়া হৈছিল। হাইস্কুলত পঢ়াৰ প্ৰথম চোৱাতে দণ্ডিনাথ কলিতাৰ ব্যংগ কবিতাৰ অনুকৰণত লিখা অলেখ ব্যংগ কবিতা অপ্ৰকাশিত অবস্থাতে থাকিল। সেয়া আছিল মধুৰ দুষ্টালি। এইবোৰ 'ল'ৰালিৰ আধা আঁকা, আধা মচা ছবি'।

দেৰগাঁও হাইস্কুলত অষ্টম মান শ্ৰেণীলৈকে পঢ়াৰ পাছত ১৯৩৫ চনত মালিক যোৰহাট চৰকাৰী হাইস্কুলত নৱম মান শ্ৰেণীত ভৰ্তি হয়গৈ। সেই বছৰতে যোৰহাট চৰকাৰী হাইস্কুলৰ মুখপত্ৰ 'জেউতি'ত মালিকৰ এটা গল্প—'অন্ধ কোন' পোন প্ৰথম ছপা হৈ প্ৰকাশ পায়। যোৰহাটত এজন সম্বন্ধীয় মানুহৰ ঘৰত থাকি মালিকে হাইস্কুলত পঢ়িছিল। কিন্তু থিয়েটাৰ কৰি ফুৰা ল'ৰাটোৱে যোৰহাটত এখন আহল-বহল ক্ষেত্ৰ পাই উল্লসিত হৈ পৰে। পঢ়া-শুনাতকৈ নাটকৰ চৰ্চা বেছি হ'ল। পঢ়া-এৰি দিনে নিশাই থিয়েটাৰত লাগি থকাত সম্বন্ধীয় মানুহজন বৰ বিবুধিত

পৰি মালিকক এদিন তেওঁৰ ঘৰৰ পৰা গুচি যাবলৈকো কৈছিল। সেই সময় চোৱাত মালিকে শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তৰ নাটকবোৰৰ, পজিৰুদ্দিন আহমদৰ গুলেনাৰ, সিন্ধুবিজয় আদি নাটকত ভাল অভিনয় কৰিছিল। যোৰহাট চৰকাৰী হাইস্কুলত পঢ়াৰ কালচোৱাত মালিকৰ বাবে পৰম গৌৰৱৰ বিষয় হল কেইবাগৰাকীও প্ৰখ্যাত শিক্ষক আৰু সাহিত্যিকক শিক্ষাগুৰুৰূপে পোৱাটো। স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, মৰহুম জেহিৰুদ্দিন আহমদ আদিয়ে তেওঁৰ ছাত্ৰজীৱনত গভীৰ আৰু ব্যাপক প্ৰভাৱ পেলাইছিল। সেই সকল স্বনামধন্য শিক্ষকক তেওঁৰ দৰে ছাত্ৰয়ো শিক্ষক জীৱনত নথৈ প্ৰেৰণা যোগাইছিল। শ্ৰীমিত্ৰদেৱ মহন্তই মালিকৰ অসমীয়া বহী পৰীক্ষা কৰি সদায় মন্তব্য লিখি দিছিল—a promising style বুলি। ১৯৩৭ চনত 'জয়ন্তী' পত্ৰিকাৰ সৌজন্যত পতা গল্প প্ৰতিযোগিতাত মালিকৰ 'যুক্তি আৰু যৌৱন' নামৰ গল্পটোৱে প্ৰথম স্থান অধিকাৰ কৰে। সেই গল্প প্ৰতিযোগিতাৰ বিচাৰক আছিল যশস্বী গল্প লেখক (পাছলৈ ন্যায়াধীশ) স্বৰ্গীয় হলিৰাম ডেকা আৰু সমালোচক শ্ৰীতীৰ্থনাথ শৰ্মা। ইয়াৰ কিছু আগতে ১৯৩৬ চনত 'জেউতি'ত তেওঁৰ পোন প্ৰথমে কবিতা প্ৰকাশ পায়। থিয়েটাৰ কৰি ফুৰা, শাসন নমনা দুষ্ট ল'ৰা মালিকে ১৯৩৭ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ফাৰ্ষ্টৰ লেটাৰও পায়।

তেতিয়াই সৃষ্টিশীল প্ৰতিভা আৰু বিপ্লৱী চেতনাই মালিকক চুই গৈছেই। সেই সময়ত বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱৰ 'বাতৰি' পূৰ্ণোদ্যমে চলিছে। ফুকন ডাঙৰীয়াই মালিকৰ হজৰত মহম্মদৰ বিষয়ে লিখা ৰচনা এখন ধাৰাবাহিকভাৱে 'বাতৰি'ত প্ৰকাশ কৰিছিল। উল্লেখযোগ্য যে ১৯৩৭-৩৮ চনতে মালিক World Federation of Democratic Youthৰ সদস্য হৈছিল। যোৰহাট জগন্নাথ বৰুৱা কলেজৰ পৰা ১৯৩৯ চনত মালিকে আই-এ পৰীক্ষাত উত্তীৰ্ণ হয় প্ৰথম বিভাগত। এইবাৰো বৃত্তি লাভ

কৰে। ইয়াৰ পাছত বি-এ পঢ়িবৰ উদ্দেশ্যে কটন কলেজলৈ যাবলৈ মন মেলে। কিন্তু কটনত পঢ়াটো তেওঁ কাৰণে এটা স্বপ্নৰ বাহিৰে আন একো হ'ব নোৱাৰে। কাৰণ গুৱাহাটীত ল'ৰা পঢ়ুৱাবলৈ তেওঁৰ পিতৃৰ আৰ্থিক সম্বল নিচেই নাছিল। তথাপি মালিকৰ মন ভাগি পৰা নাছিল। বৃত্তিৰ টকা কেইটা আৰু দুজন আত্মীয়ৰ পৰা মাহেকত কেইটা-মানকৈ টকা (এজনৰ পৰা ৩ টকা আৰু আন এজনৰ পৰা ২ টকা) পোৱাৰ প্ৰতিশ্ৰুতিতে কটন কলেজত ভৰ্তি হ'লগৈ। পাছলৈ তেতিয়াৰ অসমৰ প্ৰধানমন্ত্ৰী মঃ চাহুল্লাই কিছু সহায় কৰিছিল। কটনত পঢ়াৰ এটি অভিলাষ হ'ল ইংৰাজীত অনাৰ্চ লোৱা। সেইমতেই ইংৰাজীত অনাৰ্চ আৰু পাৰ্ছীয়ান আৰু দৰ্শন বিষয় লৈ কটনত পঢ়া আৰম্ভ হ'ল ১৯৩৯ চনত। স্মৰণযোগ্য যে সেই সময়ৰ কটন কলেজ কেইবাগৰাকীও বিশিষ্ট অধ্যাপকৰ অধ্যাপনাৰে গৌৰৱান্বিত। ইংৰাজী বিভাগৰ মুখ্য অধ্যাপক আছিল প্ৰফুল্লচন্দ্ৰ ৰায়; আৰু সেই বিভাগৰ অন্যান্য অধ্যাপক সকল হ'ল ড° বাণীকান্ত কাকতি, ড° সূৰ্যকুমাৰ ভূঞা, অধ্যাপক শ্ৰীহৰেন্দ্ৰ নাথ চৌধুৰী আৰু অধ্যাপক ৰায়হান শ্বাহ। ইংৰাজী অনাৰ্চৰ বাবে ছাত্ৰ বাছনি কৰোঁতে এবাৰ ড° কাকতিয়ে অনাৰ্চ লোৱা ছাত্ৰ সকলক এখন ৰচনা লিখিবলৈ দিয়ে। ৰচনাখন আছিল—Coming events cast their shadows before। ৰচনাখন লিখি সৰহভাগ ছাত্ৰই ০, কোনোৱে ১ আৰু কোনোৱে ২ কৈ নম্বৰ পালে। মালিক আৰু অন্য দুজনে পালে ৩ নম্বৰকৈ। ইমান কম নম্বৰ পাই ছাত্ৰকেইজন ভগ্ন মনোৰথ হ'ল। পিছে পি-চি-ৰায়ে যেনিবা ছাত্ৰ কেইজনক সান্ত্বনা দিলে এই বুলি যে ড° কাকতিৰ হাতত ৩ কৈ নম্বৰ পোৱাটো নিতান্তই উৎসাহজনক। ১৯৪১ চনত কটন কলেজৰ পৰা ইংৰাজীৰ অনাৰ্চ সহ মালিকে বি-এ পৰীক্ষাত কৃতকাৰ্য হয়। কটনত পঢ়োতে ড° বিৰিঞ্চিকুমাৰ বৰুৱা, শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰু, শ্ৰীদিবাকৰ গোস্বামী প্ৰমুখ্যে প্ৰখ্যাত ব্যক্তিসকলকো মালিকে শিক্ষাগুৰু ৰূপে পাইছিল। ১৯৪১ চনতে 'বাঁহী' আলোচনীত মালিকৰ প্ৰথম উপন্যাস

'লঃ সাঃ শুঃ' প্ৰকাশ পায়। সেই সময়ত কটনৰ অধ্যাপক 'ড° কাকতি, ড° ভূঞা, ৰায়হান শ্বাহ, আৰু ডেকাগিৰি স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱা আদিয়ে মালিকক সাহিত্য-ক্ষেত্ৰত বিশেষ প্ৰেৰণা যোগাইছিল। কটনত ছাত্ৰাৱস্থাত তেওঁৰ মাত্ৰ দুসাজ কাপোৰ আছিল। নাহৰণিৰ ঘৰখনত থকা বৈষয়িক স্বাৰ্থৰ প্ৰতি উদাসীন পিতৃ, তিনিটা ভাই আৰু দুজনী ভনীৰ পঢ়া-শুনা আৰু অন্যান্য চিন্তাই সময়ত মালিকক মাজে মাজে বৰ চিন্তিত আৰু অশান্ত কৰি তুলিছিল। কটনত পঢ়োঁতে তেওঁৰ সহপাঠী বিশেষকৈ হোষ্টেলৰ বন্ধুবোৰ সাধাৰণতে নিম্ন মধ্যবিত্ত পৰিয়ালৰ পৰা আহিছিল। কিন্তু সেইসকলৰ মাজৰ পৰা পাছলৈ সাহিত্যিক শিল্পী আৰু ৰাজনীতি সকল ওলাইছিল। আচলতে কটনত পঢ়া অৱস্থাতেই মালিকৰ সাহিত্যিক জীৱনে এটি গঢ় লয়। অধ্যাপক, সহপাঠী বন্ধুবৰ্গ, আৰু কাকতৰ সম্পাদক সকলৰ উদগনিয়ে তেওঁক তেতিয়াই একাণপতীয়া সাহিত্য-সাধক কৰি তুলিছিল। 'বাঁহী' কাকতৰ তেতিয়াৰ সম্পাদক মাধৱ বেজবৰুৱাৰ উৎসাহ-উদ্দীপনাৰ কথা আজিও তেওঁ কৃতজ্ঞ চিত্তে সোঁৱৰে। সেই সময়ত দাৰুণ অৰ্থাভাৱে তেওঁৰ একাণপতীয়া সাহিত্য চৰ্চাত কিছু বাধাও সৃষ্টি কৰিছিল। গল্প বিচাৰি মাধৱ বেজবৰুৱাৰ সদায় তাগাদা আহে। ইফালে গল্প লিখিবলৈ মালিকৰ কাগজ-কলমেই নাথাকে। মন কৰিবলগীয়া যে সেই সময়ত ফুলস্কেপ কাগজৰ দাম আছিল দিস্তাত ছয় পইচা। এইবোৰ স্মৃতিক মালিকে আজিও তিক্ত-মধুৰ স্মৃতি ৰূপে সুঁৱৰি সুঁৱৰি আনন্দ পায়।

কটনৰ ছাত্ৰাৱস্থাতেই মালিক মাৰ্ক্সবাদী আৰু সাম্যবাদী আদৰ্শৰ প্ৰতি আকৰ্ষিত হয় আৰু সিয়েই তেওঁক বামপন্থী ৰাজনৈতিক শিবিৰৰ লগত সংযুক্ত কৰি ৰাখে। কটনত পাতনি মেলা এই সম্পৰ্ক সুদীৰ্ঘ-দিন ধৰি চলিছিল। তেওঁ ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ সভ্য হোৱা নাছিল যদিও মাৰ্ক্সবাদী চিন্তাধাৰাৰ লগত সম্পৰ্ক বজায় ৰাখি চলিছিল। এইবোৰ সংস্পৰ্শৰ ফলত মালিক জীৱনত একাধিকবাৰ ৰাজৰোষতো পৰিছিল। কিন্তু সেয়াও এক বেলেগ অধ্যায়।

# প্ৰাণকুণ্ডৰ পাৰে পাৰে

জীৱনৰ ৰভাঘৰ কি ফুলে সজালোঁ। মই
গালোঁ কিবা গীত?
অকণি বুকুৰ তেজ ঢালিলোঁ। নে কাৰোবাৰ
ৰক্তক্ষৰা পথৰ ধূলিত?

—মালিক

১৯৪১ চন। কটন কলেজৰ পৰা স্নাতক মহলাত উত্তীৰ্ণ হোৱাৰ লগে লগে এখন ঘৰৰ মেটমৰা বোজা মালিকৰ মূৰৰ ওপৰত পৰিল। চাপৰিলে মেঘ নেৰায়। বেছিদিন নিবনুৱা হৈ থাকিলে কোনেও ক্ষমা নকৰিব। লগৰ ল'ৰাই কলিকতা, আলিগড়, এলাহাবাদ, বেনাৰছ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ মহলাভ ভৰ্ত্তি হৈছিলগৈ। সকলো আশা-আকাংক্ষা উদ্যমলৈ পিঠি দি মালিকৰ প্ৰত্যাবৰ্তন হৈছিল গাঁৱৰ ঘৰখনলৈ। কিছুদিনৰ কাৰণে গোলাঘাট বেজবৰুৱা চৰকাৰী হাইস্কুলৰ শিক্ষকতা কৰাৰ সুবিধা পায় মাত্ৰ আশী টকা দৰমহাত। কিছু আৰ্থিক উন্নতি নহ'লে ঘৰখন চলোৱা যায় কেনেকৈ? আকৌ চিঠি লিখিছিল প্ৰধানমন্ত্ৰী ড° চাহুল্লা চাহাবলৈ। অৱশেষত ১৯৪২ চনত প্ৰধানমন্ত্ৰী চাহুল্লা চাহাবৰ সৌজন্যত যোগাৰ হ'ল এটি চৰকাৰী চাকৰি —আবকাৰী বিভাগৰ সহকাৰী পৰিদৰ্শক। ইংৰাজী সাহিত্যত অনাৰ্চ স্নাতক হোৱা, ধুনীয়া ধুনীয়া কোমলকান্ত শব্দমালাৰে কবিতা লিখা, নিটোল চুটিগল্প লিখা, নাটক লিখা, সম্ভাৱনাপূৰ্ণ লেখকৰ বাবে আৰম্ভ হ'ল এক জটিল পৰীক্ষা। আৰম্ভণিতে পঁয়সত্তৰ টকা মূল বেতন। যোৰহাটতে আবকাৰী দাৰোগাৰ চাকৰিৰ পাতনি মেলা হ'ল। কেইদিন মানৰ প্ৰশিক্ষণৰ পাছত বদলি হ'ল উত্তৰ লক্ষীমপুৰলৈ, তাৰ পাছত ঢকুৱাখনালৈ। তেতিয়াৰ ঢকুৱাখনা যেন অসূৰ্যম্পশ্যা। চাকৰিৰ গতিবিধি আৰু কাৰ্যপ্ৰণালীৰ লগত খাপ খাবলৈ মালিকে স্বাভাৱিকতে

টান পালে। কেৱল কানি, ভাং, চুলাই আদিৰ লগত সম্বন্ধ। এজন আবকাৰী বিভাগৰ অধীক্ষকে উপদেশ দিলে : মালিক, তোমাৰ নিচিনা ল'ৰাই এই চাকৰিত কিয় মৰিবলৈ আহিলা ? তুমি জানো পিছলৈ আগৰ মানুহটিয়েই হৈ থাকিব পাৰিবা ?

: ঘৰখন চলোৱাৰ উপায় নাই—মালিকে চমুৱাই উত্তৰ দিছিল।

বিভাগীয় কামবোৰ কৰাত লাহে লাহে অভ্যস্ত হৈ পৰিছিল। এদিন আহাৰমহীয়া অন্ধকাৰ নিশা এটা কানি বেপাৰীক ধৰি বিভাগীয় গোচৰো তৰিছিল। দৰাচলতে সেইবোৰ কৰিবলৈ মালিকে বৰ টান পাইছিল। উত্তৰ লক্ষীমপুৰত আবকাৰী বিভাগৰ চাকৰি কৰাৰ সময়তে তেওঁৰ সম্বন্ধীয় এজনে এটা দুৰ্ভাগ্যজনক ঘটনাত তেওঁৰ জড়িত কৰি পেলাইছিল। অৱশ্যে সেই কাহিনীক কেন্দ্ৰ কৰিয়েই পিছলৈ মালিকে 'বনজুই' উপন্যাস ৰচনা কৰিছিল।......

তেতিয়া গণ-বিপ্লৱৰ ঢৌৱে ভাৰত তথা অসমক ঢৌৱাই গৈছিল। অসমৰ চুকে-কোণে, গাঁৱে-ভূঞে স্বদেশানুৰাগ আৰু স্বৰাজৰ আদৰ্শই সকলো স্তৰৰ মানুহৰ মনক নচুৱাই গৈছিল। আনহাতে বিশ্বজুৰি মহা-যুদ্ধৰ ৰণ-হুংকাৰে মানুহৰ মনলৈ আনিছিল ভয়-বিহ্বলতা, অনিশ্চয়তা আৰু চঞ্চলতা। এচামে স্বৰাজৰ মন্ত্ৰত দীক্ষিত হৈ নিজৰ ভেটিটোৰ চিন্তাও পৰিহাৰ কৰিছিল; আন এচামে বৈষয়িক উন্নতিৰ লিপ্সাত অন্ধ হৈ পৰিছিল। সেই যুগ-সন্ধিত খুব কম সংখ্যক সাহিত্যিকেহে লেখনী চলাই গৈছিল। মালিকে যুদ্ধ-পূৰ্ব কালতে লেখনী হাতত লৈ যুদ্ধকালীন আৰু যুদ্ধোত্তৰ সময়তে ১৯৪২ চনত ডিমাপুৰত এটা 'ইণ্টাৰভিউ' দি সামৰিক বিভাগীয় এটা চাকৰিত মকৰল হ'ল। চাকৰিটো আছিল অ-ভাৰতীয় ভাষা সমূহৰ চিভিলিয়ান ছেন্সৰ (Civilianl Censor)। বিভিন্ন দেশৰ বিভিন্ন ভাষা-ভাষী সৈন্যৰ চিঠি-পত্ৰৰ ভাষা নিৰ্ধাৰণ কৰাই আছিল এই চাকৰিৰ মুখ্য কাম। এই চাকৰি কৰাৰ কালত মালিকে কক্সবাজাৰ, চাঁদপুৰ, চট্টগ্ৰাম, আৰু ব্ৰহ্মদেশৰ বিভিন্ন ঠাই ভ্ৰমণৰ সুযোগ পায়। সামৰিক বাহিনীৰ চাকৰিৰে

মালিকৰ জীৱনলৈ আনিছিল ব্যাপক আৰু বাৰেবৰণীয়া অভিজ্ঞতা। যুদ্ধৰ শেষৰ ফালে তেওঁক এঁকে কামতে মালয়েছিয়ালৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু ১৯৪৫ চনত হিৰোশ্বিমা-নাগাছাকিৰ মানৱীয় কালিমাৰ নিদাৰুণ কাহিনীয়ে মহাযুদ্ধৰ যৱনিকা পোলাইছিল। তেতিয়াই মালিকৰ সামৰিক বাহিনীৰ চাকৰিও শেষ হৈছিল।

যোৰহাট জগন্নাথ বৰুৱা কলেজত ফাৰ্ছী অধ্যাপকৰ পদ এটাত মালিকে যোগদান কৰে ১৯৪৬ চনত। তাত কাম কৰাৰ কিছুদিনৰ পাছৰ কথা। ১৯৪৮ চনত আকাশবাণীৰ শ্বিলং-গুৱাহাটী কেন্দ্ৰ প্ৰতিষ্ঠা হয়। প্ৰ'গ্ৰেম এছিষ্টেণ্ট পদৰ বাবে প্ৰাৰ্থী বিচৰা হৈছিল। ইণ্টাৰভিউ হৈছিল শ্বিলঙত। 'ইণ্টাৰভিউ বৰ্ড'ৰ এগৰাকী অন্যতম সদস্য আছিল ড° বাণীকান্ত কাকতি। ৰেডিঅ'ত চাকৰি হৈ গৈছিল। মালিকক গুৱাহাটী কেন্দ্ৰৰ দায়িত্ব দিয়া হৈছিল—নাটক আৰু সাহিত্য বিভাগৰ। তেতিয়ালৈকে মালিকৰ দৰে অসমীয়া ডেকাৰ ৰেডিঅ'ৰ ষ্টুডিয় আৰু ট্ৰেন্সমিশ্যনৰ লগত চিনাকি অলপো নাছিল। গতিকে একাণপতীয়া ভাবে নিষ্ঠাৰে সৈতে আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰক অসমীয়া সংস্কৃতি আৰু সমাজৰ দাপোণ স্বৰূপে গঢ়ি তুলিবলৈ অসমীয়া কৰ্মকৰ্তাসকলে প্ৰাণপণে চেষ্টা কৰিছিল। মালিকৰ সমসাময়িকভাৱে গুৱাহাটী কেন্দ্ৰত ৰেডিয়ৰ চাকৰি কৰা সকলৰ ভিতৰত—ডঃ ভূপেন হাজৰিকা, শ্ৰীউবেইতুল লতিফ বৰুৱা, শ্ৰীসত্যপ্ৰসাদ বৰুৱা, শ্ৰীবীৰেন ফুকন, শ্ৰীপুৰুষোত্তম দাস, শ্ৰীফণী তালুকদাৰ, শ্ৰীমৃগেন ৰায়চৌধুৰী, শ্ৰীমতী ৰোচনাৰা ফুকন আদি অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ সুপৰিচিত ব্যক্তিসকল। নতুন দিনৰ বলিষ্ঠ প্ৰতিশ্ৰুতিৰে এইদল অসমীয়া ডেকাই তৎপৰতাৰে নিজা নিজা ক্ষেত্ৰৰ দায়িত্ব পালন কৰিছিল। সেই সময়ত অসমীয়া ভাষাত অনাতাঁৰ নাটক নাছিল বুলিব পাৰি। মঞ্চৰ নাটককে অনাতাঁৰ-অভিযোজনা কৰা হৈছিল। তদুপৰি মালিকে নিজেই কেইবাখনো অনাতাঁৰ নাটক লিখিছিল। অংকুৰ, জোৱাৰৰ ঢৌ, অমৰ-মায়া আদি নাটক-নাটিকাবোৰ সেই সময়তে লিখা। তেতিয়া

বাণী-মুদ্রণৰ ( টেপ ৰেকৰ্ডিং ) এতিয়াৰ দৰে ব্যৱস্থা নাছিল। ষ্টুডিয়ৰ পৰা পোনে পোনেই নাটক আদি অনুষ্ঠানবোৰো প্ৰচাৰ কৰা হৈছিল। গতিকে শিল্পী আৰু অন্যান্য কৰ্মীসকলে যথেষ্ট খাটিবলগীয়া হৈছিল। তদুপৰি 'ছাউণ্ড এফেক্ট'ৰ বাবে বি-বি-চি-ৰ কমাৰ্শ্চিয়েল এফেক্ট ৰেকৰ্ড-বোৰ ব্যৱহাৰ কৰা হৈছিল। আনহাতেদি কাৰ্যসূচী চলোৱা হৈছিল খুব কম সংখ্যক ছাৰ্কিটেৰে। গুৱাহাটী কেন্দ্ৰত কাম কৰি থাকোঁতেই নতুন দিল্লীত অনাতাঁৰ সম্পৰ্কে এটা উচ্চ প্ৰশিক্ষণ লোৱাৰ বাবে মালিক নিৰ্বাচিত হয় আৰু খুব দক্ষতাৰে সৈতে এই প্ৰশিক্ষণত কৃতকাৰ্য হোৱাৰ বাবে ইউৰোপত অনাতাঁৰ সম্পৰ্কে উচ্চশিক্ষাৰ্থে যাবলৈকো মালিক বাছনিত উঠে। কিন্তু এক বিশেষ কাৰণত মালিকৰ বিদেশ যাত্ৰা সম্ভৱ হৈ নুঠিলগৈ। সেয়াও এক বেলেগ কাহিনী।

মাৰ্ক্সীয় চিন্তাধাৰাৰে পৰিপুষ্ট মালিকৰ ইতিমধ্যে ভাৰতীয় কমিউ-নিষ্ট দলৰ লগত থকা পূৰ্বৰ সম্পৰ্ক গাঢ় হৈ উঠিছিল। ৰেডিয়ত চাকৰি কৰোঁতেও সেই সময়ত গুৱাহাটীত আত্মগোপন কৰি থকা বিশিষ্ট কমিউনিষ্ট নেতা আৰু কৰ্মীসকলৰ লগত মালিকে গোপনে যোগাযোগ ৰক্ষা কৰি চলিছিল আৰু কৰ্মীসকলৰ চলিবলৈ তেওঁৰ জেপৰ ধনেৰে সহায় কৰিছিল। ভাৰতীয় কমিউনিষ্ট দলৰ প্ৰতি তেতিয়া চৰকাৰে কঠোৰ মনোভাৱ গ্ৰহণ কৰিছিল। ইতিমধ্যে নানা কাৰণত ৰেডিয়ৰ কৰ্তৃপক্ষ তেওঁৰ প্ৰতি ক্ৰমান্বয়ে ৰুষ্ট হৈ উঠিছিল। ইয়াৰ পৰিণতিলৈ সৰহ সময় নালাগিল। এদিন এটা ধুনীয়া ৰাতিপুৱা মালিকক আকাশবাণীৰ চাকৰিৰ পৰা অব্যাহতি দিয়া হ'ল।

সেইদিনাই বিয়লি ছজনমান বন্ধুকৰ লগত মালিকে টেবুল টেনিছ খেলি আছিল। দেৰগাঁৱৰ নাহৰণিৰ ঘৰৰপৰা ভায়েক সোণা ( মৰহুম চৈয়দ মেৰাছ হুছেইন ), কলেজত পঢ়িবলৈ ককায়েক মালিকৰ ওচৰত উপস্থিত হৈছেগৈ। গুৱাহাটীত ককায়েকৰ লগত থাকি কটন কলেজত পঢ়িব, এয়ে আছিল স্বপ্ন। চাকৰি যোৱাৰ খবৰ শুনি মেৰাছৰ মূৰত আকাশী সৰগ ভাগি পৰিছিল। তথাপিও মেৰাছৰ স্বপ্ন—কটন

কলেজত পঢ়াৰ ব্যৱস্থা মালিকে কৰি দিছিল কোনোমতে। তাৰ পাছত মালিক বিক্তহস্তে নিৰ্বিকাৰ চিত্তে ঘৰলৈ গুচি আহিছিল। লগত মাত্ৰ কেইখনমান কিতাপ—মাৰ্ক্স, এংগেলছ আদিৰ ৰচনা, চি-পি-এচ-ইউৰ হিষ্টৰী ইত্যাদি।

আহিয়েই নাহৰণিৰ নিজা ঘৰত কিছুদিন নিবন্মুৱা। সন্মুখত এটি ডাঙৰ পৰিয়ালৰ মেটমৰা বোজা। অৱশ্যে ঘৰত কিছু পৰিমাণে খেতি-বাতি কৰিব পৰা মাটি আছিল। এইবাৰ খেতি-বাতিত মালিক পূৰ্ণোদ্যমে লাগিল। সুখৰ বিষয়, এইবোৰ সক-বৰ বিপৰ্যয়ৰ মাজতো মালিকে সণ্টালনিকৈ কাপ-মৈলামৰ লগত সম্বন্ধ ৰাখি চলিছিল আৰু বিভিন্ন কিতাপ-পত্ৰ গোটাই লৈ বিশেষকৈ বিদেশী সাহিত্য আৰু মাৰ্ক্সীয় দৰ্শন সম্পৰ্কে বিস্তৃতভাৱে পঢ়া-শুনা কৰিছিল। ইতিমধ্যে ১৯৩৯ চনত তেওঁলোকৰ ঘৰৰপৰা ছয় মাইল দূৰৈৰ ন-কৈ প্ৰতিষ্ঠিত ঢেকিয়াল হাইস্কুলত শিক্ষকতা কৰিবলৈ সুযোগ পায়। গতিকে বেছিদিন নিবন্মুৱা হৈ থাকিবলগীয়া নহ'ল। সেই সময়ত লোকচক্ষুত মালিক এজন ডাঙৰ কমিউনিষ্ট। বহুতে তেওঁৰ ওচৰত সন্দেহ, সমীহ, সংকোচ কৰি চলে। ভাৰতীয় কমিউনিষ্ট দলৰ নেতা আৰু কৰ্মীসকলে তেতিয়া আত্মগোপন কৰিছে। 'ছাইক্ল'ষ্টাইলত' কৰা পাৰ্টিৰ ছাৰ্কুলাৰ আৰু অন্যান্য 'লিটাৰেচাৰ'বোৰ হাতে হাতে গোপনে গোপনে বাগৰি বাগৰি আহে। মালিকৰ ঘৰৰ ওচৰৰে বন্ধু এজনৰ মাকে এনে ধৰণৰ কাগজ-পত্ৰবোৰ লুকাই-চুৰকৈ স্থানীয় কৰ্মী সকলৰ মাজত হিচাপমতে বিতৰণ কৰে। সেই বয়োবৃদ্ধাৰ চৰিত্ৰটোৰ কথা মালিকে আজিও শ্ৰদ্ধা সহকাৰে স্মৰণ কৰে। কেইবাজনো অসমৰ প্ৰখ্যাত কমিউনিষ্ট নেতা আৰু কৰ্মীয়ে মালিকৰ ঘৰতে আত্মগোপন কৰি আছিল।

ঠিক সেই সময়ৰ কথা। ১৯৫০ চনৰ জুলাই মাহৰ এটা ৰাতি-পুৱা। দেৰগাঁও থানাৰ সশস্ত্ৰ পুলিছ আহি মালিকৰ ঘৰ ঘেৰাও কৰি খানাতলাচ কৰেহি। কিছুমান সাহিত্য-সম্বন্ধীয় কিতাপ-পত্ৰৰ বাহিৰে পুলিছে একোকে নাপালে। অৱশ্যে 'কমিউনিজম' সম্পৰ্কীয়

দুই-চাৰিপদ কাকত-পত্ৰ পালে যদিও মালিকক পুলিছে গ্ৰেপ্তাৰ কৰিবলগাকৈ একো নাছিল। সেই সময়তে ১৯৫০ চনত তেওঁ সৰ্ব-ভাৰতীয় শান্তি পৰিষদৰ সদস্য হয়। সেই বছৰতে স্থানীয় কুবালগুৰিত এখন হাইস্কুল প্ৰতিষ্ঠা কৰাৰ বাবে স্থানীয় ৰাইজে চেষ্টা কৰি মালিকক সেই হাইস্কুলৰ প্ৰতিষ্ঠাতা-প্ৰধান শিক্ষক পাতে। সেই সময়তে স্থানীয় ৰাইজৰ উদ্যোগত মালিকৰ নেতৃত্বত ৰজাদিনীয়া উঁৱলি যোৱা ম'হবন্ধা আলি আহল-বহলকৈ বন্ধা হয়। ইফালে সেই সময়ত চুটিগল্প লেখক আৰু কবিৰূপে মালিকে আমাৰ সাহিত্যত বিপুল জনপ্ৰিয়তাৰ শিখৰৰ ফালে গতি কৰিবলৈ উপক্ৰম কৰিছে। তথাপি সেই ক্ষণবোৰত এক স্থবিৰতাই যেন তেওঁক গ্ৰাস কৰিব খুজিছে—এনে এটা ভাবে মালিকক অহৰহ খুন্দিয়াবলৈ ধৰিছিল। আকৌ ছাত্ৰ হ'বলৈ মন গৈছিল। কিন্তু প্ৰাইভেটকৈয়ে ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিষয়ত এম. এ. পৰীক্ষা দি দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। এম. এ. পৰীক্ষাৰ Continental Literatureৰ উত্তৰ-কাকতখন পৰীক্ষা কৰি সু-পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই মালিকক উচ্চ প্ৰশংসা কৰিছিল। সেই বছৰতে তেওঁ যোৰহাট জগন্নাথ বৰুৱা কলেজত অসমীয়া অধ্যাপকৰূপে যোগদান কৰে। ১৯৬৩ চনৰ পৰা উক্ত বিভাগৰ মূৰব্বীৰূপে ১৯৭৬ চন পৰ্যন্ত অধ্যাপনা কৰে। এই কলেজৰ অসমীয়া স্নাতকোত্তৰ মহলাতো মালিকে অধ্যাপনা কৰে। শিক্ষকৰূপে মালিকৰ জনপ্ৰিয়তাৰ তুলনা নাই। তেওঁ ছাত্ৰৰ একেধাৰে শিক্ষক, আৰু বন্ধুও।

জীৱনৰ যৌৱনৰ সোণালী দিনবোৰত মালিকে প্ৰাণকুণ্ডৰ পাৰে পাৰে পাইছিল অনেক তিতা-মিঠা বিচিত্ৰ অভিজ্ঞতা। জীৱনৰ প্ৰতিটি খোজত যৌৱনৰ স্বপ্নক থানবান কৰি দিব পৰা প্ৰচণ্ড আঘাত আৰু সীমাহীন বাধা-বিঘিনি তেওঁৰ চিৰ-লগৰীয়া হৈ পৰিছিল। তথাপিও এই যৌৱন সম্পৰ্কে তেওঁ শক্তিশালী মত পোষণ কৰিছিল ঃ

..."তেতিয়া মনত লাগে যেন ময়েই দুৰ্ধৰ্ষ অভিযাত্ৰী, যৌৱনৰ অমিত শক্তিৰ প্ৰতীক আলেকজাণ্ডাৰ, মোৰ ঘোঁৰাৰ ধূলিত চূৰ্ণ-বিচূৰ্ণ হৈ যাব—টাইগ্ৰীছ-ইউফ্ৰেতিছ-শতদ্ৰু-বিপাশা-সিন্ধু-গংগাৰ পাৰ। তেতিয়া যেন মই বন্ধনহাৰা প্ৰমিথিয়াচৰ বিপ্লৱী আত্মা—আন্ধাৰৰ গহ্বৰত বন্দী হৈ থকা বঞ্চিত মানৱৰ মুক্তিৰ কাৰণে অনিৰ্বাণ অগ্নিশিখা বহন কৰি আনিম, ময়েই যেন এক প্ৰচণ্ড দুৰ্ধৰ্ষ বিপ্লৱৰ উত্তাল অভিযানৰ সেনাপতি। কোনো জমদগ্নি, কোনো টাইমূৰ, কোনো চেংগিজ, কোনো দুৰ্বাৰ নাবিক কলম্বছ, ভাস্কো-দা-গামা ঘৰৰ বাহিৰ ওলাইছোঁ। এই পুৰণি পৃথিৱী-খনক শোষণ-পীড়ন, অন্যায়-অবিচাৰৰ পৰা মুক্ত কৰিবৰ কাৰণে, এখন নতুন পৃথিৱী ৰচনা কৰিবৰ কাৰণে। মোৰ স্নায়ুত বিপ্লৱৰ উন্মাদ উন্মাদনা, মোৰ কণ্ঠত নতুন পৃথিৱী গঢ়াৰ উদাত্ত আহ্বান। মই অমিত, মই অজেয়, মই অপ্ৰতিহত, মই অমৰ প্ৰেমিক ৰোমিও, মজনু, মই চিৰবিৰহী যক্ষ, মই স্বপ্নৰ সাধক শ্যেলী, ময়ে অজন্তাৰ কোনো অজান চিত্ৰ-শিল্পী। যৌৱনৰ সেই সোণালী সংক্ৰান্তিৰ মই এক অনন্য যুগনেতা।"....*

অফুৰন্ত কৰ্মশক্তি আৰু মনোবলৰ এই গৰাকী ব্যক্তিৰ জীৱন জয়-পৰাজয়, দুঃখ-যন্ত্ৰণা, সংগ্ৰাম আৰু ব্যৰ্থতাৰ এক অপূৰ্ব সমাহাৰ। ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনত নানা সংঘাতৰ চাকনৈয়াত পৰা আব্দুল মালিক নিজেই এক বৈচিত্ৰ্যপূৰ্ণ উপন্যাসৰ নায়কৰ দৰে। ব্যক্তিগত আৰু সামাজিক জীৱনত এগৰাকী পৰিশ্ৰমী, কৰ্মপটু, নিৰহংকাৰী, বিনয়ী, গুণগ্ৰাহী, ৰসিক, চিৰহাস্যময় ব্যক্তি হিচাপে মালিকে সমাজৰ ভিন্ন স্তৰৰ সহস্ৰ জনৰ শ্ৰদ্ধা, প্ৰশংসা, সম্ভাৱ আৰু আকৰ্ষণ আদায় কৰি আহিছে। নিজৰ সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি উদাসীন অথচ স্বাৱলম্বী আৰু এটা ডাঙৰ পৰিয়ালৰ দায়িত্বশীল অভিভাৱক হিচাপে তেওঁ চিন্তা আৰু কৰ্মৰ মাজত সদায় ডুব গৈ

---

* যৌৱনৰ স্বপ্ন আৰু প্ৰৌঢ়ত্বৰ উপলব্ধি—আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত কথিকা।

থাকিব লাগে। মালিকৰ ব্যক্তিগত আৰু ৰাজনৈতিক জীৱনক গ্লানি, মিথ্যাপবাদ, লাঞ্ছনা আৰু প্ৰতাৰণাই পদে পদে ছানি ধৰিছে। তথাপি কোনো মুহূৰ্ত্ততেই তেওঁৰ আদৰ্শ স্খলন হোৱা নাই।

১৯৫৭ চনত লোকসভালৈ কমিউনিষ্ট-সমৰ্থিত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি আৰু ১৯৭২ চনত অসম বিধান সভালৈ কংগ্ৰেছ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি দুয়োবাৰেই পৰাজিত হোৱাটো মালিকৰ ৰাজনৈতিক জীৱনৰ দুটা উল্লেখনীয় ঘটনা যদিও এইবোৰ ৰাজনৈতিক পৰাজয়ক তেওঁ প্ৰকৃতাৰ্থতে 'খেলুৱৈসুলভ মনোভাৱেৰে' ল'ব পৰিছিল। মালিক জীৱনত কেইবাবাৰো ৰাজৰোষত পৰি নিৰ্যাতিতো হৈছে। উল্লেখযোগ্য যে মালিকে এটা ছপাশাল প্ৰতিষ্ঠা কৰিবৰ নিমিত্তে অসম চৰকাৰৰ পৰা মাত্ৰ কুৰি হাজাৰ টকাৰ ঋণ এটা বিচাৰোঁতে তাকে কেন্দ্ৰ কৰি ১৯৬৯ চনত অসম বিধান সভাৰ মজিয়াত এক উত্তপ্ত আৰু অভূতপূৰ্ব দৃশ্যৰ অৱতাৰণা হৈছিল। সদনক জনোৱা হৈছিল যে মালিকৰ বিৰুদ্ধে পুলিচৰ প্ৰতিকূল ৰিপ'ৰ্ট আছে। অৰ্থাৎ মালিক এজন বেয়া মানুহ। বহুতৰেই অনুমান হ'ল মালিক দেশদ্ৰোহী। মাত্ৰ কুৰি হাজাৰ টকাৰ এটা ঋণ পাবৰ বাবেও মালিকৰ দৰে এজন অবাঞ্ছিত ব্যক্তি উপযুক্ত নহয়। কিন্তু যিজন দৰদী দেশপ্ৰেমিক কবিয়ে এদিন লিখিছিল—

"অসমৰ হকে যুঁজি, অসমৰ হকে মৰোঁ, জ্বলি ইয়াতেই শেষ হয় জীবনৰ ধূপ। সেই দিন ধৰি মই অসমৰ অসমীয়া, ধৰ্ম মোৰ, জাতি মোৰ, অসমীয়া প্ৰাণৰ আপোন।"—সেই দেশানুৰাগী কবি ব্যথা আৰু বেদনাত স্তব্ধ হৈ পৰিছিল। জীৱনত বাৰে বাৰে এনে পৰিস্থিতিৰ পুনৰাবৃত্তিত এই লেখকজন অভ্যস্ত হ'বলৈ লৈছিল। তেওঁ নিজে এইবোৰ ব্যৰ্থতাৰ কথা কয়: মোৰ জীবনৰ ব্যৰ্থতাৰ খতিয়ান বৰ দীঘলীয়া হৈ গৈছে। সদায় prepared for the worst থকাটো মোৰ অভ্যাসত পৰিণত হৈছে। মাজে মাজে মোৰ ব্যৰ্থতাবোৰৰ কাৰণবোৰ কঁহিয়াই চালে মোৰ বৰ হাঁহি উঠে। ধৰক, এটা বিশেষ

গৱেষণা কৰিবৰ কাৰণে মই ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ যোগেদি ৰুছিয়াৰ মস্কো বিশ্ববিদ্যালয়ত ছিট এটা ঠিক কৰিলোঁ। জৰুৰী টেলিগ্ৰাম পাই সকলোকে মাত লগাই একে ৰাতিয়ে দিল্লী পালোঁগৈ মস্কোলৈ যাওঁ বুলি। চাৰিদিন দিল্লীত থাকি ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহিলোঁ। কাৰণ কেন্দ্ৰীয় চৰকাৰে যাবলৈ দিলেও অসম চৰকাৰে মোক যাবলৈ দিব নোৱাৰে—ৰাজনৈতিক কিবা গোপন কাৰণত।—মোৰ জীৱনৰ এটা ধুনীয়া স্বপ্ন থানবান হৈ গ'ল, মোৰ আৰু মস্কো বিশ্ববিদ্যালয়ত ৰুছ-ভাৰত সংস্কৃতিৰ ইতিহাস সম্পৰ্কে গৱেষণা কৰা নহ'ল। এই বিষয়ে বাৰু মই ইয়াৰ বাহিৰে কি কৰিব পাৰোঁ? অথচ তাৰ দুবছৰ আগতে ভাৰত চৰকাৰেই মোক ৰুছ ভ্ৰমণলৈ পঠিয়াইছিল আৰু ময়ো গৈ আহিলোঁগৈ। ....যাৰ জীৱনত ব্যৰ্থতা বহুত, তাৰ জীৱনৰ সাফল্যকে ডাঙৰ কৃতকাৰ্য যেন লাগে।"...

দুঃখৰ বিষয়, এবাৰ তেওঁ এখন কলেজত চৰকাৰৰ দ্বাৰা মনোনীত হৈয়ো অধ্যক্ষৰ চাকৰিটো পোৱাৰ পৰা বঞ্চিত হ'ল।

মালিকৰ এজন ভাতৃ চৈয়দ মেৰাছ হুছেইনৰ অকাল আৰু আকস্মিক মৃত্যুৱে মালিকক জীৱনত এটা ডাঙৰ আঘাত দিছিল। অসমীয়াত এম. এ মেৰাছে ডিগবইৰ তেল শোধনাগাৰৰ হাইস্কুলত শিক্ষকতা কৰিছিল। প্ৰগতিবাদী দৃষ্টিভংগীৰ মেৰাছ হুছেইন আছিল জনপ্ৰিয় বক্তা, কবি, নিপুণ নিবন্ধকাৰ আৰু সংগঠক। তেওঁ ট্ৰেড ইউনিয়ন কৰিছিল। তেওঁ এ-অ'-চি'ৰ লেবাৰ ইউনিয়নৰ সভাপতি আছিল। মালিকৰ সোঁহাত স্বৰূপ ভাতৃ মেৰাছক তেওঁ **friend, philosopher and guide** বুলি চিনাকি দিছিল। বজাৰত মালিকৰ নতুন কিতাপ ওলালে প্ৰথমে মেৰাছেই কিনিছিল আৰু ককায়েক মালিকলৈ উৎসাহ দি কিতাপৰ বিষয়ে মন্তব্য দি লিখিছিল: কিতাপখন ভাল হৈছে। **It is selling like hot cakes...**। ১৯৭২ চনত উচ্চ ৰক্তচাপ ৰোগাক্ৰান্ত হৈ মাত্ৰ ৪৩ বছৰ বয়সতে মেৰাছ হুছেইনৰ অকালমৃত্যু মালিকৰ বাবে বৰ নিৰ্মম-নিষ্ঠুৰ হৈ পৰিছিল।

আব্দুল মালিকৰ বিয়া হৈছিল কিছু পলমকৈ। আচলতে দাৰুণ অৰ্থাভাৱত জুৰুলা হৈ থকা নিম্ন-মধ্যবিত্ত পৰিয়াল এটিৰ সমগ্ৰ দায়িত্ব মূৰপাতি ল'বলগীয়া হোৱাত তেওঁৰ এসময়ত ধাৰণা হৈছিল যে, তেওঁৰ দৰে এজনে বিয়া-বাৰু নকৰোৱাই ভাল। আনহাতেদি, সাহিত্য-সংস্কৃতি চৰ্চা আৰু ৰাজনীতিৰ মেৰপাকত সোমাই পৰাত সেই চিন্তাৰ পৰা আৰু আঁতৰি আছিল। পিছত ভাতৃ চৈয়দ মেৰাজ হুছেইনৰ চেষ্টা আৰু মাকৰ এবাৰ নোৱাৰা অনুৰোধ উপেক্ষা কৰিব নোৱাৰি শিৱসাগৰৰ এক আঢ্যৱন্ত পৰিয়ালৰ কন্যাৰ লগত মালিকৰ বিয়া হৈছিল ১৯৬৩ চনত।

এটা ডাঙৰ পৰিয়ালৰ ঘৰখনৰ গোটেই দায়িত্ববোৰ প্ৰত্যক্ষ বা পৰোক্ষে মালিকৰ ওপৰত। দায়িত্ববোৰ নিয়াৰিকৈ পালনো কৰে। ঘাই ঘৰখন নাহৰণিত। মালিকে অধ্যাপনা কৰিবৰ কাৰণে থাকে যোৰহাটত। যোৰহাট তেওঁৰ ডেৰকুৰি বছৰৰ কৰ্মভূমি। কিন্তু তাত তেওঁ নিজাকৈ ঘৰ এটা সাজি লোৱাৰ কথা কোনো দিনেই চিন্তা কৰিব নোৱাৰিলে। তেওঁ মাকো মৰাদি মাৰিব লাগে গুৱাহাটী, দিল্লী আদিলৈ। আকৌ বতৰ চাই কঠীয়া সিঁচা, নাহৰণি পথাৰৰ কোনডৰা মাটিত সুৱাগমণি ধান দিব লাগিব, কোনডৰাত বৰা, জহা, সৰুশালি ধান দিব লাগিব সেই হিচাপ তেওঁৰ আঙুলিৰ মূৰত। চোতালৰ মৰণাত বহি ৰ'দ পুৱাই বিধে বিধে কঠীয়া বান্ধিবৰ বাবে টোম কেইটা মালিকে নিজে সাজে। শাওণৰ পথাৰত এডৰা মাটি থাওকতে মালিকে নিমজকৈ ৰুই থৈ আহেগৈ। আঘোণৰ পথাৰত কাঁচিখন লৈ কেইটা-মান সোণালী ধানৰ মুঠি নাকাটিলে তেওঁৰ মনে শান্তি নাপায়। নাহৰণিত মাছেৰে উভৈনদী হৈ থকা পুখুৰীকেইটি সিঁচি মাছ ধৰাটো মালিকৰ অতি প্ৰিয় কাম। এবাৰ পুখুৰী সিঁচিবৰ বাবে এটা খোকাৰ প্ৰয়োজন হোৱাত চুড়ি দি খুব ধুনীয়াকৈ খোকা এটা মালিকে বাঁহ কাটি আনি এবেলাতে সাজি উলিয়ালে। ঘৰ-বাৰী, ফুলনি আদিত তেওঁ নিজেই জেওৰা-জপনা দিয়ে। ইয়াৰ মাজতে তেওঁ যাব লাগে

বিভিন্ন সভা-সমিতিবোৰলৈ। সাহিত্য সভা, যুৱক সভা, কৃষক সভা, সমবায়, মহিলা সমিতি, মইনা পাৰিজাত আদি নিজৰ গাঁৱৰ সকলো অনুষ্ঠানতে তেওঁ সক্রিয় হৈ থাকিব লাগে। পুৱাৰ পৰা ৰাতিলৈকে তেওঁৰ ওচৰত লানি-নিছিগা মানুহৰ সোঁত। তেওঁৰ ব্যস্ততা দেখি বহুতে তেওঁৰ ওচৰলৈ যাবলৈ সংকোচ কৰে। কিন্তু তেওঁ নিজে আটাইতকৈ বেছি ভাল পায় মানুহৰ সংগ, মানুহৰ আমনি। মানুহৰ সংগস্পৃহা তেওঁৰ ইমান বেছি যে এয়া তেওঁৰ ওপৰত বৰ্ষিত মানুহৰ অকুণ্ঠ আশীৰ্বাদ বুলি তেওঁ অনুভৱ কৰে। তেওঁ যি লেখনী লৈছিল জনসাধাৰণৰ সপক্ষে মাত মাতিবলৈ, সেই মানুহৰ হাজাৰটা সমস্যাৰ মাজত সোমাই পৰি দেহে-কেহে খাটিবলৈ পালে তেওঁ প্ৰচুৰ আনন্দ লাভ কৰে। এজন শিল্পী হিচাপে মানুহক নিবিড়ভাবে জানিবলৈ পোৱাৰ সুযোগ তেওঁ সাৰ্থকভাৱে গ্ৰহণ কৰিত পাৰিছে। "Every man is a volume, if you know how to read him." সেই মানুহৰ মন আৰু হৃদয়ক মালিকে অধ্যয়ন কৰিব জানিছে।

মালিক তেতিয়া অসম চৰকাৰৰ উচ্চ ক্ষমতা সম্পন্ন ভূমি-সংস্কাৰ সমিতিৰ সদস্য। ভূমি-সংগ্ৰহ আৰু ভূমি বিতৰণৰ কামত তেওঁ চৰকাৰী বিষয়া সকলৰ লগত দিনে-নিশাই খাটিছে। মাটি-বাৰীৰ অনেক সমস্যা লৈ তেওঁৰ ওচৰত অজস্ৰ মানুহৰ ভিৰ। এদিন নিচেই পুৱাতে এগৰাকী বয়োবৃদ্ধা পুত্ৰ-কন্যাহীনা বিধবা মহিলা মালিকৰ ওচৰলৈ আহিল মাটি বিচাৰি। মালিকে তেওঁক বুজাই দিলে যে কেৱল ভূমিহীন কৃষককহে মাটি দিয়া হয়। কিন্তু বৃদ্ধা মহিলা গৰাকী সেই ব্যাখ্যাত সন্তুষ্ট নহ'ল ; তেওঁক যেনেতেনে এটা নিয়ম কৰি মালিকে মাটি এডোখৰ দিবই লাগে। মানুহ গৰাকীয়ে মালিকক বুজাই দিছে যে তেওঁ মানুহ ধৰি সেই মাটিত খেতি কৰিব। কিন্তু মালিকে ক'লে যে সেই মাটি সেই মাটিত খেতি কৰা জনৰহে হ'বগৈ। তেতিয়াও মানুহ গৰাকী সন্তুষ্ট নহৈ প্ৰশ্ন কৰিলে যে চৰকাৰে তেওঁৰ নিচিনা অসহায়, নিঠৰুৱা মানুহৰ কাৰণে কি কৰিছে। গতিকে বুঢ়ী থাকিবৰ কাৰণে যেনে-তেনে ঘৰ এটা সজাই দিব লাগে

মালিকে। কিন্তু মালিকে ঘৰ এটা কেনেকৈ সজাই দিব। তেনে ধৰণৰ কোনো ব্যৱস্থাতো নাই। মানুহ গৰাকীয়ে মালিকক পুনৰ জোৰেৰে কলে যে সিমান সৰু কাম এটা মালিকৰ নিচিনা মানুহে কৰাই দিব নোৱাৰিলে কেনেকৈ হ'ব। মালিক বুঢ়ীৰ কথাত অলপো বিৰক্ত কিম্বা অসন্তুষ্ট হোৱা দেখা নগ'ল। আৰু মানুহ গৰাকীক সুধিলে, মালিকে কেনেকৈ তেওঁক সহায় কৰি দিব পাৰে। কিছু সময় টলকা মাৰি থাকি মানুহ গৰাকীয়ে ক'লে, কেইটামান টকাকে দি সহায় কৰক। ইমান দূৰ বাটকুৰি বাই আহিলোঁ। যেতিয়া যিকোনো কাম এটাকে হওক।—মালিক ভিতৰলৈ উঠি গৈ মানুহ গৰাকীক টকা কেইটামান দি বিদায় দিলে। কিন্তু যাবলৈ উঠিয়েই মানুহ গৰাকীয়ে কলে, ডিঙিটো একেবাৰেই শুকাই গৈছে। পানী এটোপা খোৱাৰ দিহা কৰিব নোৱাৰেনে? মানুহ গৰাকী এপিয়লা চাহ খাইহে ক্ষান্ত হ'ল।

ওচৰত বহি থকা মানুহ কেইজনে অত্যন্ত বিৰক্তি বোধ কৰিছিল। কিন্তু প্ৰসন্ন চিত্তে মালিকে ক'লে, মানুহৰ এইকণ আমনি সহ্য কৰিবই লাগে। আমাৰ সমাজখন তেওঁলোকৰ নিচিনা মানুহক লৈয়ে চলি আছে।

প্ৰাণকুণ্ডৰ পাৰে পাৰে লগ পোৱা এনে বহুতো মানুহ আৰু কাহিনীয়ে মালিকৰ সাহিত্যত ঠাই পাইছে।....

## 'মহাভাৰতৰ বাটে পৃথিৱীৰ সবাহলে'

লুইতৰ পাৰে পাৰে
ভাৰত সাগৰলে'
মুকুতা বিচাৰি ভটিয়াওঁ…

—জ্যোতিপ্ৰসাদ

ভাৰতীয় গণনাট্য সংঘই (Indian Peoples Theatre Association চমুকৈ IPTA) এসময়ত প্ৰগতিশীল সাহিত্যিক আৰু শিল্পী সকলক একত্ৰিত কৰি এখন উমৈহতীয়া প্ৰকাশ আৰু বিকাশৰ ক্ষেত্ৰৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ সৌজন্যত সংগঠিত এই সাংস্কৃতিক অনুষ্ঠানটো এসময়ত (১৯৩৯ চনত প্ৰতিষ্ঠিত) যথেষ্ট সক্ৰিয় হৈ উঠিছিল। চমুকৈ আই-পি-টি-এ বুলি প্ৰসিদ্ধ এই সংঘৰ লগত ভাৰতৰ প্ৰায় সকলো প্ৰগতিশীল শিল্পী-সাহিত্যিক জড়িত আছিল। ড° মুলক্ৰাজ আনন্দ, কিষাণচন্দৰ চাজ্জাদ জহীৰ, বলৰাজ ছাহানী, খাজা আহমদ আব্বাছ, ছৰ্দাৰ জাফ্ৰি, উৎপল দত্ত, হেমাংগ বিশ্বাস, নিৰঞ্জন সেন আদি সৰ্বভাৰতীয় খ্যাতি সম্পন্ন লেখক অভিনেতা, গীতিকাৰ, গায়ক, সাংবাদিক, নাট্যকাৰ সকলৰ সক্ৰিয় সহযোগিতাত আই-পি-টি-এ হৈ উঠিছিল ভাৰতীয় জনসাধাৰণৰ অনুষ্ঠান। 'ৰাইজেই ভাৱৰীয়া দেশেই নাটঘৰ' কথাষাৰ আছিল গণনাট্য সংঘৰ মূলমন্ত্ৰ। অসমতো ভাৰতীয় গণনাট্য সংঘৰ ৰাজ্যিক শাখা এটা প্ৰতিষ্ঠা কৰা হৈছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰ-ৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, চৈয়দ আব্দুল মালিক, ডঃ ভূপেন হাজৰিকা, শ্ৰীকেশৱ মহন্ত, শ্ৰীবেণীমাধৱ মহন্ত, ব্ৰজেন বৰুৱা, শ্ৰীদিলীপ শৰ্মা আদি অসম গণনাট্য সংঘৰ গুৰি ধৰোঁতা সকলৰ অন্যতম আছিল। জ্যোতিপ্ৰসাদ আগৰৱালা অসম শাখাৰ সৰ্বপ্ৰথম সভাপতি আছিল।

ইয়াৰ পাছত সভাপতি হৈছিল বিষ্ণুপ্ৰসাদ ৰাভা। ১৯৫২-৫৫ চনৰ কালচোৱাত আব্দুল মালিক সদৌ অসম গণনাট্য সংঘৰ সভাপতি আছিল। ১৯৫২ চনত বোম্বাইত সৰ্বভাৰতীয় গণনাট্য সংঘৰ অধিবেশন বহিছিল। সেই অধিবেশনত উদয়শংকৰ, অমলাশংকৰ, ৰাজকাপুৰ প্ৰমুখ্যে শিল্পী সকলে সক্ৰিয়ভাৱে সহযোগ কৰি সংঘৰ গুৰুত্ব বঢ়াইছিল। গণনাট্য সংঘৰ এই অধিবেশনত অসমৰ শিল্পী দলৰ নেতাৰূপে আব্দুল মালিকে যোগদান কৰিছিল। এইদল অসমীয়া শিল্পীয়ে 'সাগৰ পাৰত লুইত পৰীয়া গীত' পৰিবেশন কৰাৰ সুযোগ গ্ৰহণ কৰিছিল। ১৯৫২-৫৫ চনলৈ এইচোৱা সময়ত মালিক সৰ্বভাৰতীয় গণনাট্য সংঘৰ উপ সভাপতিও নিৰ্বাচিত হৈছিল। 'ৰাইজেই ভাৰতীয়া দেশেই নাটঘৰ'— বাণীৰে গণনাট্য সংঘৰ অসমত শাখাইও জনসাধাৰণৰ মাজত সাংস্কৃতিক জাগৰণ আনিবলৈ আৰু তাৰ যোগেদি প্ৰগতিশীল চেতনা সঞ্চাৰ কৰিবলৈ চেষ্টা কৰিছিল। অসমত নৰহৰি বুঢ়াভকত, মঘাই ওজাৰ দৰে শিল্পীক মঞ্চৰ মজিয়ালৈ টানি আনিছিল মালিকৰ দলে। জন-জাগৰণ আৰু সমন্বয় আছিল অসমীয়া-বঙালী, বঙালী-বিহাৰী, কাশ্মীৰী-গুজৰাটীৰ, পূব-পশ্চিমৰ, উত্তৰ ভাৰত-দক্ষিণাত্যৰ মাজৰ সমন্বয়। সংগীতা-লেখ্যবোৰ আচলতে গণনাট্য সংঘৰ সৃষ্টি। গণনাট্য সংঘ প্ৰতিষ্ঠা হোৱাৰ কিছু পূৰ্বে যোৰহাটত এদল প্ৰগতিশীল শিল্পী সাহিত্যকৰ সৌজন্যত এটা সাংস্কৃতিক অনুষ্ঠান গঠন কৰা হৈছিল। নাম দিয়া হৈছিল 'প্ৰগ্ৰেছিভ কালচাৰেল স্কোৱাড, (Progressive Cultural Squad) চমুকৈ পি-চি-এচ (PCS)। মালিক আছিল এই অনুষ্ঠানৰ আগৰণুৱা। যোৰহাটত এই অনুষ্ঠানৰ যোগেদিয়েই মালিকৰ যুগৰ দাবী, প্ৰথম প্ৰণাম আদি নাটকবোৰ মঞ্চস্থ কৰা হৈছিল। মালিকৰ এই নাটকবোৰ এতিয়া পাবলৈ নোহোৱা হৈছে।

ভাৰতীয় গণনাট্য সংঘ সক্ৰিয় হৈ থাকোঁতেই উত্তৰ ভাৰতৰ কাশ্মীৰ, উত্তৰ প্ৰদেশ, গুজৰাট, বিহাৰ, পশ্চিমবংগ, অসম, মণিপুৰ আদি ৰাজ্যৰ ৯৬ জনীয়া এদল শিল্পীৰ নেতৃত্ব কৰি তামিলনাডুৰ (তেতিয়াৰ

মাদ্ৰাজ ) প্ৰসিদ্ধ সাংস্কৃতিক অনুষ্ঠান—'নাটক কাঞ্চাগাম'ৰ আমন্ত্ৰণক্ৰমে প্ৰায় এমাহ ধৰি দক্ষিণ ভাৰত ভ্ৰমণ কৰে। ই মালিকৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক যোগসূত্ৰ। এই দায়িত্ব বহন কৰিবলৈ পাই তেওঁ সমগ্ৰ ভাৰতীয় জনসাধাৰণ আৰু বিশেষতঃ লোক-সংস্কৃতিক স্বৰূপটোৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰে। তদুপৰি চাজ্জাদ জহীৰ প্ৰমুখ্যে প্ৰগতিশীল লেখক সকলৰ প্ৰত্যক্ষ সংস্পৰ্শও লাভ কৰে। চাজ্জাদ জহীৰৰ লগত মালিকৰ বন্ধুত্ব গঢ়ি উঠিছিল আৰু জহীৰে মালিকৰ নাহৰণিৰ গাঁৱৰ ঘৰখনতো এবাৰ আলহী থাকি গৈছিল। ইয়াৰ আগতেই জহীৰ-পত্নী শ্ৰীমতী বেগম ৰেজিয়া জহীৰৰ লগত ১৯৫১ চনতে কলিকতাত অনুষ্ঠিত শান্তি পৰিষদৰ সভাত মালিকৰ পৰিচয় ঘটিছিল। সেই সময়ত এই গৰাকী বাঁওপন্থী প্ৰগতিবাদী লেখক জহীৰ পাকিস্থানৰ জেলত আবদ্ধ আছিল। পাছত প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰুৰ সৌজন্যতহে জহীৰ পাকিস্থানী জেইলৰ পৰা মুক্ত হৈছিল।

ভাৰতীয় গণনাট্য সংঘই মালিকক অসমৰ দুগৰাকী বিশিষ্ট সন্তানৰ ঘনিষ্ঠ সংস্পৰ্শলৈ লৈ যায়। সেই দুজন হ'ল—জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা। মালিকে নিজে ভবা মতে জ্যোতিপ্ৰসাদৰ লগত তেওঁৰ সম্পৰ্ক আছিল প্ৰধানতঃ বৌদ্ধিকহে। জ্যোতিপ্ৰসাদৰ শিল্পী-প্ৰতিভা আৰু প্ৰবল দেশানুৰাগে মালিকৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। সেই সময়ত মালিকে লিখা চুটিগল্পবোৰত প্ৰতিফলন ঘটিছিল কাৰুণ্য, উৎপীড়ন আৰু দুৰ্দশাৰ চিত্ৰ আৰু কবিতা-বোৰত প্ৰকাশ পাইছিল দেশাত্মবোধ, দুৰ্বাৰ শক্তি আৰু পৰম আশাবাদ। জ্যোতিপ্ৰসাদে এই দুয়োটাকে ভাল পাইছিল। জ্যোতিপ্ৰসাদ হৈ উঠিছিল মালিকৰ আদৰ্শ আৰু প্ৰেৰণাৰ থলী। মালিকৰ বিশ্বাস, জ্যোতিপ্ৰসাদৰ সমান বিপ্লৱী, শিল্পী, জ্যোতিপ্ৰসাদৰ সমান আধুনিক হৈ আধুনিক কালৰ অসমত কোনেও জন্মগ্ৰহণ কৰা নাই। মহাবিপ্লৱী জ্যোতিপ্ৰসাদৰ বৈচিত্ৰ্যময় জীৱন-বৃত্তক কেন্দ্ৰ কৰি লেখা 'ৰূপতীৰ্থৰ

যাত্ৰী' নামৰ তিনি খণ্ড জোৰা ডাঙৰ উপন্যাসখন মালিকৰ জ্যোতি-সংস্পৰ্শৰ সাৰ্থক ফলশ্ৰুতি।

আন এটা বিপ্লৱী নাম কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। ৰাভাৰ লগত মালিকৰ সংস্পৰ্শও আছিল বৰ মধুৰ আৰু দীৰ্ঘকালীন। এবাৰ বহাগমহীয়া বিষ্ণু ৰাভা মালিকৰ ঘৰত থাকোঁতে নাহৰণি পথাৰত ঢল নামিছিল। পথাৰত মাছৰ উজান উঠিছিল। পুৱা উঠি ৰাভা মালিকৰ লগত মাছ ধৰিবলৈ লাগি গ'ল। নাহৰণিৰ ৰাইজৰ বাবে স্বৰ্গীয় ৰাভাৰ এই স্মৃতি এতিয়াও সেউজীয়া হৈ আছে। বিষ্ণু ৰাভাৰ দৰে মানুহ খুব সোনকালেই আমাৰ মাজত নোহোৱা হৈ গ'ল। সেয়ে মালিকৰ বৰ আক্ষেপ। অসমীয়া সংস্কৃতিক বৰ্ণাঢ্য, গতিশীল আৰু শক্তিশালী কৰিবলৈ আৰু বাহিৰৰ পৃথিৱীখনত ইয়াক যোগ্যতাৰে প্ৰতিনিধিত্ব কৰিবলৈ 'জ্যোতিৰ জেউতি আৰু ৰাভাৰ আভা'ৰ পৰা অধুনা কালৰ অসমীয়া সমাজ হঠাতেই বঞ্চিত হ'বলগীয়াটো দুঃখৰ কথা।

নাহৰণিৰ ঘৰখনত আলহী আছিল নটসূৰ্য ফণী শৰ্মা, ব্ৰজেন বৰুৱা, আৰু বহুতো শিল্পী-সাহিত্যিক। ১৯৭২ চনত শেষবাৰৰ কাৰণে ব্ৰজেন বৰুৱা আহিছিল আহাৰ মহীয়া বাৰিষা নাহৰণি পথাৰৰ পকা আহু ধাননিৰ মাজত 'ওপজা সোণৰ মাটি'ৰ শ্যুটিং ল'বলৈ। পুৱা ন বজাৰ পৰা বিয়লি চাৰি বজালৈ ৰ'দে-বৰষুণে মিহলি দিনটোত বোকাই-পানীয়ে লুতুৰি-পুতুৰি হৈ ব্ৰজেন বৰুৱাই ছবিৰ কামত লাগি থাকোঁতে মালিকে দিনটো তেওঁৰ লগতে থাকি সহায় কৰিছিল। তাৰ এদিন পাছতে ব্ৰজেন বৰুৱাৰ আকস্মিক আৰু অকাল মৃত্যুৰ নিৰ্মম নিষ্ঠুৰ বাতৰিত মালিক হৈছিল বজ্ৰাহতৰ দৰে। অকালতে আমাক এৰি থৈ অসমীয়া সাংস্কৃতিক জগতখনক উকা কৰি যোৱা এই শিল্পীসকলৰ কথা মালিকে এঠাইত এইদৰে লিখিছে: প্ৰমথেশ বৰুৱা মৰোঁতে মই দুঃখ কৰিছিলোঁ, জ্যোতিপ্ৰসাদ মৰোঁতে মই মৰ্মদাহী আঘাত পাইছিলোঁ, বিষ্ণু ৰাভা আৰু ফণী শৰ্মা মৰোঁতে মই নীৰৱে কান্দিছিলোঁ, আৰু আজি ব্ৰজেন বৰুৱাৰ মৃত্যুত মই কান্দিবও নোৱাৰা হৈছোঁ। মোৰ অসহায় আৰু

নিষ্ফল কান্দোনেৰে মই ব্ৰজেনৰ মৃত্যুৰ মহানতাক সৰু কৰিবলৈ নিবিচাৰোঁ।.......

মালিকে 'ৰঙা পুলিচ' কথাছবিত অভিনয় কৰিছিল। কেইবাখনো কথাছবিৰ তেওঁ সংলাপ আৰু চিত্ৰনাট্য ৰচনা কৰিছে। কাহিনী, চিত্ৰনাট্য, পৰিচালনা আৰু প্ৰযোজনাৰ ক্ষেত্ৰত তেওঁ কেইবাখনো ছবিৰ লগত জড়িত। তেওঁৰ দ্বাৰা ৰচিত কেইবাটাও গল্প আৰু কাহিনীক লৈ কেইবাখনো কথাছবি নিৰ্মাণ হোৱাৰ কথা।

মালিক বহিৰ্মুখী ব্যক্তিত্বসম্পন্ন লোক। সাহিত্য-সংস্কৃতিৰ জগত খনৰ বিভিন্ন দিশৰ লগত তেওঁৰ জীৱন জোৰা আৰু নিবিড়তম সম্পৰ্ক। অসম সাহিত্যসভা, সাহিত্য আকাদেমী, নেশ্যনেল বুক ট্ৰাষ্ট, আকাশবাণী, সংগীত-নাটক আকাদেমী, ললিত-কলা আকাদেমী, অসম প্ৰকাশন পৰিষদ, প্ৰগতিশীল লেখক সংঘ আদি জাতীয় অনুষ্ঠানবোৰত তেওঁৰ জীৱন-জোৰা সম্পৰ্ক। ১৯৫৫ চন মানৰে পৰা তেওঁ কেইবাবাৰো অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহকৰ সদস্য হোৱাৰ উপৰিও ১৯৬৯ চনত অসম সাহিত্য সভাৰ বৰপেটা অধিবেশনত তেওঁ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। সেই সময়ত সাহিত্য সভাৰ আৰ্থিক দিশ বৰ শোচনীয় আছিল। মালিকে পাছৰ বছৰ ১৯৭০ চনত সভাৰ ঢিং অধিবেশনত সেই দায়িত্বৰ পৰা অৱসৰ লয়। সাহিত্য সভাৰ লগত মালিকৰ সম্পৰ্ক বৰ মধুৰ, বৰ নিবিড়। যোৱা কেইবাবছৰো একেৰাহে সভাৰ সভাপতি পদৰ বাবে তেওঁৰ নাম প্ৰস্তাৱ হৈ আহিছে। ১৯৭৬ চনত টিহুত বহা সাহিত্য সভাৰ "অসমীয়া সাহিত্যত ( কবিতা, গল্প, উপন্যাসত ) সমাজ চেতনা আৰু মনঃসমীক্ষন" শীৰ্ষক আলোচনা-চক্ৰত সভাপতিত্ব কৰে।

সাহিত্য-আকাদেমীৰ লগত মালিকৰ প্ৰত্যক্ষ সংযোগ ঘটে ১৯৬৩ চনৰ পৰা। ১৯৬৩ চনৰ পৰা ১৯৬৮ চনলৈ তেওঁ আকাদেমীৰ কাউন্সিলৰ সদস্য আছিল। ১৯৬৮ চনৰ পৰা এতিয়ালৈকে সাহিত্য আকাদেমীৰ পূৰ্বাঞ্চলীয় ভাষাসমূহৰ উপদেষ্টা হৈ আছে। সাহিত্য আকাদেমীৰ যোগেদিয়েই তেওঁ জৱহৰলাল নেহৰু, চক্ৰৱৰ্তী ৰাজাগোপালাচাৰী,

ড° সৰ্বপল্লী ৰাধাকৃষ্ণন, ড° জাকীৰ হুছেইন, অধ্যাপক হুমায়ুন কবীৰ প্ৰমুখ্যে প্ৰখ্যাত ব্যক্তিসকলৰ সান্নিধ্য লাভ কৰে। তদুপৰি এইচোৱা সময়তে তেওঁ নেশ্যনেল বুক ট্ৰাষ্টৰ সহযোগী সদস্য হয়। লগতে সংগীত-নাটক আকাদেমী আৰু ললিত-কলা আকাদেমীৰো সহযোগী সদস্য হয়। সাহিত্য আকাদেমী আৰু নেশ্যনেল বুক ট্ৰাষ্টৰ দ্বাৰা আয়োজিত বিভিন্ন চেমিনাৰ, লেখক-শিবিৰ আদিত মালিকে কেইবাবাৰো অংশ গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত ১৯৭১ চনত চিমলাত অনুষ্ঠিত লেখক শিৱিৰত যোগদান আৰু লেনিন-শতবাৰ্ষিকী উপলক্ষে ভাৰত চৰকাৰৰ দ্বাৰা আয়োজিত "ভাৰতীয় সাহিত্যত লেনিনৰ প্ৰভাৱ" শীৰ্ষক আলোচনা-চক্ৰত যোগদান কৰি নিবন্ধ পাঠ কৰে। ১৯৭৫ চনত তেওঁ চিমলাৰ ইণ্ডিয়ান ইনষ্টিটিউট অব এডভান্স ষ্টাডিজ (Indian Institute of Advance Studies)-ৰ সৌজন্যত বাছকবনীয়া ভাৰতীয় লেখকৰ সমাবেশত অনুষ্ঠিত হোৱা লেখক-শিবিৰত যোগদান কৰাৰ বাবে আমন্ত্ৰণ পায়। কিন্তু মালিকৰ তেতিয়া অসমত উচ্চ ক্ষমতা সম্পন্ন ভূমি-সংস্কাৰ সমিতিৰ সদস্যৰূপে এৰাব নোৱাৰা ব্যস্ততাৰ হেতুকে এই লেখক-শিবিৰত যোগদান কৰা নহ'ল। তথাপি ব্যস্ততাৰ মাজতে তেওঁ চিমলাৰ শিবিৰলৈ The Concept of man in Assamese Literature শীৰ্ষক 'পেপাৰ' প্ৰস্তুত কৰি প্ৰেৰণ কৰে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ Programme Advisory Board-ৰ মালিক বহুদিন ধৰি সদস্য হৈ আছে। আকাশবাণীৰ সাহিত্য চ'ৰা, নাটকৰ অনুষ্ঠান আৰু অন্যান্য অনুষ্ঠানত মালিকে বিশেষ বৰঙণি যোগাই আহিছে। তেওঁ All India Progressive Writer's Associationৰো সদস্য। অসম প্ৰকাশন-পৰিষদৰ তেওঁ বহুদিন ধৰি সদস্য হৈ থকাৰ উপৰিও পৰিষদে প্ৰকাশ কৰিবলৈ লোৱা 'অসমীয়া বিশ্বকোষ'ৰ তেওঁ 'অসম শাখা'ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিছে।

১৯৫৬-৫৭ চনত দিল্লীত এছীয় লেখক সম্মিলন (Asian Writers' Conference) বহে। এই সম্মিলনত মালিকে অসমৰ পৰা অসমীয়া

ভাষা-সাহিত্যৰ প্ৰতিনিধিৰূপে যোগদান কৰি অসমীয়া সাহিত্যৰ বিষয়ে ভাষণ দিয়ে। ইয়াতে তেওঁ এছিয়াৰ বিভিন্ন ৰাষ্ট্ৰৰ বহুতো লেখকৰ সংস্পৰ্শ লাভ কৰে। এইবোৰ সংঘটনে মালিকৰ সম্মুখত দাঙি ধৰে এখন নতুন পৃথিৱীৰ প্ৰতিচ্ছবি, বিশ্ব-মানৱৰ লগত একাত্ময়ীতা স্থাপনৰ দুৰ্বাৰ বাসনা আৰু অসুন্দৰ সমাজখনক সুন্দৰ কৰাৰ কঠোৰ সংকল্প, বিশ্ব-ভাতৃত্ব আৰু অনাগত দিনৰ সোণালী স্বপ্নৰ বাস্তৱ ৰূপ। তেওঁ বিচাৰিলে ঃ মোৰ হৃদয়ৰ ভাগি থানবান হোৱা দাপোণত মই চাবলৈ বিচাৰোঁ এখন অক্ষত, সুন্দৰ পৃথিৱী।...

বিশ্বৰ মহান ৰাষ্ট্ৰ ছোভিয়েত ইউনিয়ন। শ্ৰমিকৰ স্বৰ্গৰাজ্য (worker's paradise)। ১৯৬৩ চনৰ অক্টোবৰ মাহ। মালিক ভাৰত চৰকাৰৰ দ্বাৰা নিৰ্বাচিত তিনিজনীয়া সাহিত্যিক প্ৰতিনিধি দলৰ নেতা হিচাপে ছোভিয়েত দেশ ভ্ৰমণ কৰিবলৈ যায়। এয়া যেন দৰাচলতে 'মহাভাৰত বাটেদি পৃথিবীৰ সবাহলৈ' হে যাত্ৰা। প্ৰতিনিধি দলটোৰ বাকী দুজন সদস্য আছিল—দিল্লীৰ বৌদ্ধধৰ্ম সম্পৰ্কীয় অধ্যাপনাৰ শিক্ষক ( Professor of Buddhistic Studies ) ড° গোখ্‌লে আৰু আনজন ড° কে, এম, জৰ্জ। ড° জৰ্জ বৰ্তমান চিমলাৰ Institute of Advance Studiesৰ সঞ্চালক হৈছে। এই ভ্ৰমণ মাত্ৰ একৈছ দিনীয়া আছিল। বিশাল ৰুছ দেশৰ ইতিহাস, সাহিত্য-শিল্প আদিৰ বিষয়ে সম্যকভাৱে জানিবৰ বাবে ইমান কম দিন যথেষ্ট নহয়। কিন্তু ৰুছ ভ্ৰমণৰ কাহিনী-সমৃদ্ধ 'মাজত মাথোন হিমালয়'ত মালিকৰ সূক্ষ্ম পৰ্যবেক্ষণ শক্তি, বহল দৃষ্টিভংগী, অনুসন্ধিৎসা, কলা-সাহিত্য শিল্প-ৰাজনীতিৰ জ্ঞান আৰু বৰ্ণিত বিষয়ক উপস্থাপন কৰিৰ পৰা শৈল্পিক নৈপুণ্য মন কৰিবলগীয়া। এই গ্ৰন্থৰ বাবে মালিকে 'ছোভিয়েত দেশ নেহৰু পুৰস্কাৰ' লাভ কৰিছিল। ইয়াৰ দুবছৰমান পাছত মালিকে ৰুছিয়াৰ মস্কো বিশ্ববিদ্যালয়ত ৰুছ-ভাৰত সংস্কৃতিৰ বিষয়ে গৱেষণা কৰিবৰ অৰ্থে ঘৰৰপৰা যাত্ৰা কৰি গৈ নতুন দিল্লীৰ পৰা যাত্ৰা কৰাৰ প্ৰাক্-মুহূৰ্তত যোৱাত বাধা আহি পৰে। সিও এক বেলেগ প্ৰসংগ।

## 'অসমীয়া ভাষা মোৰ, কথা মোৰ, গীত মোৰ'...

"জনতাৰ কপালৰ আন্ধাৰ ভাগ্যৰেখা
পোহৰেৰে ধুই মই
ভুৱনবিজয়ী লেখনীৰে
মহাজীৱনৰ এক মহাভাগ্য লেখা
অংকিত কৰি থৈ যাওঁ।'

—জ্যোতিপ্ৰসাদ

"মোৰ অক্ষম লিখনীৰ যোগেদি যদি মই মোৰ দেশৰ এজন অখ্যাত মানুহৰো হৃদয়ত অকণমান ঠাই পাইছোঁ, তাতকৈ ডাঙৰ সাফল্য মোৰ কাৰণে আৰু একো নাই"—এই বুলি চৈয়দ আব্দুল মালিকে তেওঁৰ নিজৰ সাহিত্য-সেৱাৰ কথা অনুভৱ কৰে। চৌদিশৰ জন-জীৱনক প্ৰতিফলিত কৰিবৰ উদ্দেশ্যেৰেই মালিকে সাহিত্যৰ সকলো দিশত মাপ-কাঠি চলাইছে। "আপুনি সাহিত্যৰ এটা বিভাগতে specialise নকৰি সকলো বিভাগতে কিয় লেখে"—বুলি সোধা এখন পত্ৰিকাৰ* এজন সম্পাদকৰ প্ৰশ্নৰ উত্তৰত মালিকে কৈছিল: কোনোবা ৰান্ধনীয়ে যদি একেটা মাছেৰেই সাত-আঠখন তৰ্কাৰি জুতি লগাকৈ ৰান্ধি দিয়ে খাই বেয়া পাবনেকি? বস্তু একেটাই, mediumটো বেলেগ। তথাপি specialise কৰিব পাৰিলে ভাল। পিছে specialise কৰিলে stereotype হয়নেকি ?......

তথাপি মালিকে ভাবে যে তেওঁ দৰাচলতে গদ্য-লেখকহে। তেওঁ নিজেই কয়, **I am man of Prose.**

মালিকৰ সাহিত্যিক-জীৱনৰ শুভলগ্ন ঘটে তেওঁ দেৰগাঁও হাইস্কুলত পঢ়ি থাকোঁতে স্কুলৰ হাতে লিখা আলোচনীত। আলোচনীখন আছিল

*সুন্দৰ: প্ৰথম সংখ্যা

'আঁজলী'। তাৰ পাছত যোৰহাট চৰকাৰী হাইস্কুলত পঢ়োঁতে তাৰ মুখপত্ৰ 'জেউতি'ত 'অন্ধ কোন' নামৰ চুটি গল্পটিয়েই তেওঁৰ পোন প্ৰথম ছপা হৈ ওলোৱা প্ৰকাশিত ৰচনা। এয়া ১৯৩৫ চনৰ কথা। ১৯৩৭ চনত 'জয়ন্তী' পত্ৰিকাৰ গল্প-প্ৰতিযোগিতাত 'যুক্তি আৰু যৌৱন' নামৰ গল্পৰ বাবে মালিকে প্ৰথম পুৰস্কাৰ পাইছিল। এই হিচাপত চাবলৈ গ'লে মালিকে লিখিবলৈ লয় চৌধ্য বছৰমান বয়সৰ পৰা। ইতিমধ্যে ডেকাগিৰি মাধৱ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'বাঁহী'ত মালিকে সণ্টালনিকৈ গল্প লিখিবলৈ লয়। ১৯৩৯-৪১ চনত কটন কলেজত বি-এ পঢ়াৰ সময়চোৱাত তেওঁ ঘাইকৈ চুটিগল্প আৰু এজাউৰি দেশপ্ৰেম-মূলক কবিতা লিখি পঢ়ুৱৈ সমাজত প্ৰতিষ্ঠিত হয়। ১৯৪১ চন মানত 'বাঁহী'ত তেওঁৰ পহিলা উপন্যাস "লঃ সাঃ গুঃ" ওলায়। অৱশ্যে ১৯৫০ চনতহে তেওঁৰ প্ৰথম উপন্যাস 'ৰথৰ চকৰি ঘূৰে' কিতাপ আকাৰে প্ৰকাশ পায়। ইয়াৰ আগতে ১৯৪৬ চনত 'পৰশমণি', ১৯৪৭ চনত 'আলহী ঘৰ' আৰু ১৯১৮ চনত 'বেদুইন' প্ৰকাশ হৈ ওলায়।

মালিক গল্প-লেখক, কবি, ঔপন্যাসিক, নাট্যকাৰ, ব্যংগ-লেখক। কিন্তু পঞ্চাছৰ দশকলৈকে, তাৰো কিছু পৰৱৰ্তী সময়লৈকে মালিকৰ পৰিচয় আছিল গল্প-লেখক ৰূপেহে। তেওঁৰ গল্প ৰচনাৰ এই পয়োভৰৰ কালচোৱাত প্ৰকৃতাৰ্থতে মালিক আৰু অসমীয়া চুটিগল্প—এই দুটি যেন অভিন্ন নাম আৰু বিষয়। তেওঁ বাঁহী, আৱাহন, জয়ন্তী, পচোৱা, ৰামধেনু যুগৰ অন্যতম সাৰ্থক চুটিগল্পকাৰ। আমাৰ সাহিত্যত আলোচনীবোৰে যি সৰু-বৰ কাল আৰু সাহিত্য-আন্দোলনৰ পত্তন ঘটাইছে, সেইবোৰ মালিকৰ চকুৰ আগতে ঘটিছে। তেওঁ চল্লিছৰ পৰা ষাঠিলৈকে বিভিন্ন কাল আৰু সংক্ৰান্তিৰ গাল্পিক। আমাৰ সাহিত্যত একোচাম গল্পলেখক সৃষ্টি কৰিছে বাঁহীয়ে, আৱাহনে, ৰামধেনুৱে। কিন্তু একোজন সাৰ্থক গল্পলেখকৰ কাপৰ মৈলাম কোনোটোহঁত যুগত শুকাই গৈছে। তেওঁলোকৰ সৰহভাগেই একোটা স্তৰ বা যুগতহে অৱদান দিয়াৰ গৌৰৱ আৰ্জিছে। কিন্তু মালিকেই বিভিন্ন বিষয়-বস্তু আৰু

টেকনিকেৰে সন্তালনিকৈ লেখা আটাইতকৈ সফল অসমীয়া চুটিগল্প লেখক।

শ্ৰীহেম বৰুৱা ডাঙৰীয়াই 'ASSAMESE LITERATURE'ত মালিকক "...a link between the two generations" বুলি কৈছে। শ্ৰীবৰুৱাৰ মতেই মালিকৰ ৰচনাতেই আৱাহন আৰু যুদ্ধোত্তৰ কালৰ অসমীয়া গল্পৰ সকলো দিশ আৰু লক্ষণ পৰিস্ফুট হৈছে। অসমীয়া সাহিত্যত মালিকেই বোধহয় সৰ্বাধিক চুটিগল্প লিখিছে। বিভিন্ন কাকতে-পত্ৰই-সংকলনে সিচঁৰিত হৈ থকা এওঁৰ গল্পৰ সংখ্যা সাত-শতকৈও অধিক হ'ব। মালিকে আজিও গল্প লিখি আছে। কিন্তু বাহুল্য কৰ্ম-জীৱনৰ ব্যস্ততা আৰু সাহিত্যৰ বিভিন্ন দিশৰ ৰচনাৰ টনা-আঁজোৰাত ফলত পূৰ্বৰ দৰে কেৱল গল্প লেখাত মালিকে আজিকালি মনোনিবেশ কৰিব নোৱাৰা হৈছে। তদুপৰি জীৱনৰ অভিজ্ঞতাৰ ব্যাপ্তিৰ বাবে তেওঁ মানৱ জীৱনৰ কথা অংকন কৰিবলৈ বিচাৰে বহল 'কেনভাছ'; উপন্যাসত তেওঁ এই সুবিধা পায়। মাজে-সময়ে কোনোবা প্ৰকাশকে মালিকৰ কিছুমান গল্প সংকলন কৰি একোটা মনোৰম সংকলন উলিয়াইছে। এনেকৈ উলিউৱা সংকলন ১২টা মান হ'ব। কিন্তু মালিকৰ বাছকবনীয়া, লেখৰ-জোখৰ গল্প কিছুমানৰ মজবুত ধৰণৰ সংকলন এটা খণ্ড খণ্ডকৈ উলিউৱাৰ যথেষ্ট থল আছে।

মালিকৰ গল্প বিস্তৃত ক্ষেত্ৰ আৰু বিচিত্ৰ বিষয়ৰ অপূৰ্ব সমাহাৰ। সিও মৰিল, কাঠফুলা, প্ৰাণ হেৰোৱাৰ পিছত, বাৰখৰৰ বৰষুণ, বীভৎস বেদনা, মৰম, শেষ ৰাতিৰ জোনাক, অলপ ডাৱৰ অলপ পোহৰ, বিহুৰ উপহাৰ, দুখন ভৰি, শিখৰে শিখৰে, মানবেন্দ্ৰ আবন্তী, ঋণমুক্তি, মণি-অৰ্ডাৰৰ টকা, ছয় নং প্ৰশ্নৰ উত্তৰ—একেজন লেখকেৰ সৃষ্টি। উল্লিখিত গল্পবোৰে মালিকৰ গল্পৰচনাৰ বিষয়-নিৰ্বাচনৰ দক্ষতা আৰু ৰচনা-কৌশলৰ পৰিচয় দিয়ে। মানুহৰ প্ৰতি থকা সহৃদয়তাই এওঁৰ গল্প-বোৰক প্ৰাণ দিছে। এওঁ প্ৰাণৰ পৰশ দি লিখিব পাৰে। ভাষাই এওঁৰ কাপত নতুনকৈ প্ৰাণ পাই উঠে। গল্পবোৰত মানুহক নিচেই

স্তৰৰ পৰা উপলব্ধি কৰাৰ চেষ্টা পৰিলক্ষিত হয়। তেওঁ সমাজ-সচেতন শিল্পী। সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ জীৱন-বোধ, আশা-আকাংক্ষা, দুৰাশা, দাৰিদ্র্য, যৌনজ প্ৰবৃত্তি, আভিজাত্য, মৰম-সহানুভূতি, দুৰ্নীতি, নিষ্ঠুৰতা মালিকৰ গল্পত সমানভাৱেই প্ৰতিফলিত হৈছে। মানুহক বা সমাজক ইমান নিবিড়ভাবে এইদৰে জানিব পৰাটো, সেই মানুহ আৰু সমাজক বিশ্লেষণ কৰি দোষ-গুণ বিচাৰ কৰিব পৰাটো এজন শিল্পীৰ বাবে কম কৃতকাৰ্যতা নহয়। এই ক্ষমতা তেওঁৰ দৰে এজন শিল্পীৰ বাবে সম্পদ। ভাষাৰ সম্মোহিনী গুণৰ বাবে তেওঁ আখ্যা পালে ভাষাৰ যাদুকৰ। 'বীভৎস বেদনা'ৰ দৰে গল্প লিখি মালিক সমালোচক সকলৰ কঠোৰ সমালোচনাৰ পাত্ৰ হৈছিল। এচাম সমালোচকে অৱশ্যে মালিকক ৰক্ষণাবেক্ষণ দিবলৈ আগবাঢ়ি আহিছিল। এসময়ত শ্ৰীজ্ঞানানন্দ শৰ্মা পাঠকৰ দৰে ডেকা সমালোচকে মালিকৰ ৰচনাৰ সপক্ষে সজোৰে মাত মাতিছিল। 'বীভৎস বেদনা'ৰ দৰে গল্পক আমাৰ সাহিত্যৰ এগৰাকী ক্ষমতাশালী সমালোচক শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়েও অসাৰ্থক বুলি কোৱা নাই। গোস্বামী ডাঙৰীয়াৰ মতে: 'বীভৎস বেদনাৰ' ভিতৰত নগ্নতা আছে। নগ্ন বৰ্ণনা বা চিত্ৰ ৰসৰ পৰিপোষক হ'লে নগ্ন বুলিয়েই তাক দলিয়াই পেলাব নোৱাৰি। সাহিত্যৰ বুৰঞ্জীত তেনে দৃষ্টান্ত নাই। সমাজৰ সংস্কাৰৰ আঁৰ-কাপোৰৰ সিফালে অনেক অশোভনীয় নগ্ন আকাংক্ষা আছে। আঁৰ-কাপোৰ ফালি সেইবোৰে কেতিয়াবা কেতিয়াবা ব্যক্তি আৰু সামাজিক জীৱনত ভুমুকি মাৰে যেতিয়া শিল্পীয়ে তাক উপেক্ষা কৰিব নোৱাৰে। জীৱনৰ ব্যাপকতা আৰু সমগ্ৰতাৰ ইংগিতৰ বাবে কেতিয়াবা কেতিয়াবা শিল্পীৰ মানস-পৰ্বত নগ্নতাৰ বিভীষিকাও চিত্ৰিত হয়।" [ আধুনিক গল্প-সাহিত্য ]

গল্প ৰচনাৰ পয়োভৰৰ কালচোৱাতে মালিকৰ মাৰ্ক্সীয় দৰ্শনৰ লগত গাঢ় সম্পৰ্ক ঘটে। ব্যক্তিগত জীৱনত দাৰিদ্ৰ্যৰ লগত তেওঁৰ প্ৰত্যক্ষ চিনাকি। গ্ৰাম্য জীৱন আৰু নাগৰিক জীৱন উভয়ৰে লগতে তেওঁৰ

চিনাকি আছে আৰু বিভিন্ন স্তৰৰ মানুহৰ লগত চিনা-জনাৰ সুযোগ ঘটিছে। আনহাতেদি ফ্ৰয়েড আদিৰ মনস্তত্বই তেওঁৰ যুগৰ অসমীয়া সাহিত্যত প্ৰবেশ কৰিছেহি। তেওঁ চিৰদিন দৰিদ্ৰ আৰু নিপীড়িতৰ পক্ষ গ্ৰহণ কৰি আহিছে। আকৌ তেওঁৰ দুৰ্বলতা হ'ল শিল্পী-জীৱনৰ প্ৰতি। শিল্পীৰ কথা লিখিবলৈ পালে তেওঁ ভাল পায়। এনে ধৰণৰ মানসিক অৱস্থা আৰু আদৰ্শৰ ঠেকাঠেকিৰ মাজতে তেওঁ শ শ চুটিগল্প লিখিলে। মুঠতে সৌন্দৰ্য-সাধনা, প্ৰেমৰ উচ্ছ্বাস, দৰিদ্ৰ আৰু নিপীড়িতৰ প্ৰতি প্ৰতি থকা সহৃদয়তাই মালিকৰ গল্পবোৰৰ উৎস। বৰ্ণনা-বাহুল্য, কল্পনা-বিলাস আৰু টেকনিকৰ পৰীক্ষা-নিৰীক্ষা গল্পবোৰৰ মন কৰিব-লগীয়া বিষয়। হিয়া-মন চুই যোৱা অকণি অকণি কাহিনীৰে বুকুৰ উম দি লিখা মালিকৰ একাঁজলি নতুন গল্প 'প্ৰাণকুণ্ডৰ পাৰে পাৰে'। দৰাচলতে বাস্তৱ ক্ষেত্ৰত লগ পোৱা সৰু ঘটনাৰ (ঠিক ৰবীন্দ্ৰনাথৰ ভাষাত 'ছোট প্ৰাণ, ছোট কথা, ছোট ছোট দুঃখ-ব্যথা, নিতান্তই সহজ সৰল'...) এই গাল্পিক ৰূপদান লেখকৰ সৰু সৰু মানুহৰ সৰু সৰু ঘটনাৰ প্ৰতি থকা সহানুভূতিৰ প্ৰকাশহে মাথোন। এইলানি গল্প ৰচনাৰ বিষয়ে লেখকৰ নিজস্ব দৃষ্টিভংগী হ'ল: "জীৱনত সৎ বা শুভবুদ্ধি আৰু অসৎ বা অশুভ বুদ্ধি দুয়োৰে স্থান আছে। থাকিলেও অসতত-কৈ সৎ-ৰ ভাগ বহুত বেছি। মই এইষাৰ কথা প্ৰত্যয়েৰে কৈছোঁ আৰু 'প্ৰাণকুণ্ডৰ পাৰে পাৰে' গল্পলানিত মই তাকে প্ৰমাণ কৰি দেখুৱাব খুজিছোঁ।"

মালিকৰ বহুত গল্পই ইংৰাজী, বাংলা, ওড়িয়া, হিন্দী, উৰ্দু, তামিল, তেলুগু, কানাড়ী, মালয়ালম, ইতালীয়ান, ৰুছ আদি ভাষালৈ অনূদিত হৈছে।

মালিক 'মই অসমীয়া'ৰ সাৰ্থক কবি। গল্প-লেখকৰূপে তেওঁৰ নাম ৰজনজনাই গৈছিল যদিও, তেওঁ তাৰ লগে লগেই যথেষ্ট পৰিমাণে কবিতাও লিখিছিল। কিন্তু তেওঁ নিজেকে কবি বুলি চিনাকি দিবলৈ প্ৰয়াস নকৰে। সাহিত্যৰথী বেজবৰুৱাদেৱে 'কদমকলি'ৰ পাতনিত

নিজৰ কবিতাৰ বিষয়ে কৈছিল: "কবিতা হয় যদি হওক, নহয় যদি নহওক—বুলি মাজে-সময়ে লিখা পদ্যবোৰ গোটাই লৈ একেঠাই কৰি এই কিতাপখন কৰা হ'ল, কবি হ'বৰ দুৰাশা কৰি নহয়।" বেজবৰুৱা-দেৱৰ এই সুৰতে সুৰ মিলাই মালিকেও তেওঁৰ 'স্বাক্ষৰ' নামৰ কবিতা সংকলনটিৰ পাতনিত কৈছে: "কিন্তু কবিতা লেখাৰ আৰু সেই কবিতা প্ৰকাশ কৰাৰ অধিকাৰ যে মোৰ নাই, সেই কথা মই আনতকৈ বেছি বুজোঁ। কেতিয়াবা কিবা লিখিলে সাধাৰণতে গদ্যতে লিখিছোঁ। কবিতা লিখিবলৈ যোৱাটো মোৰ কাৰণে অনধিকাৰ চৰ্চা।"—এয়া অৱশ্যে বেজবৰুৱা-সুৰীয়া বিনম্ৰ মন্তব্য। কিন্তু এইটো ঠিক যে বেজবৰুৱাও কবি, মালিকো কবি।

১৯৪০ চনৰে পৰা লিখা তেওঁৰ কবিতাবোৰত মোটামুটিকৈ দুটা স্তৰ লক্ষ্য কৰা যায়: এটা শেষ ৰোমাণ্টিক স্তৰৰ অসমীয়া কবিতাৰ লক্ষণযুক্ত আৰু আনটো আধুনিক অসমীয়া কবিতাৰ অগ্ৰণীসকল—যেনে অমূল্য বৰুৱা, হেম বৰুৱা, ৰাম গগৈ, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আদিৰ আদৰ্শ যুক্ত। প্ৰথম স্তৰত 'মই অসমীয়া', 'আমাক কোনে মাৰে' আদিৰ লেখীয়া কবিতাবোৰ উল্লেখ কৰিব পৰা যায়। 'স্বাক্ষৰ'ত এনেবোৰ কবিতা সংকলিত হৈছে। ৰোমাণ্টিক কৱিসুলভ কল্পনা-প্ৰৱণতা, আৰু স্বদেশানুৰাগ এইচাম কবিতাৰ উল্লেখনীয় লক্ষণ। লগতে সুন্দৰ সুন্দৰ শব্দ আৰু ঠাঁচৰ প্ৰয়োগ আৰু ভাবাতিশয্যৰ উপযোগীকৈ নতুন নতুন ছন্দৰ পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা কবিতাবোৰক ৰমণীয় কৰিব পাৰিছে। তেওঁৰ 'মই অসমীয়া' বিষয়-বস্তু, ঐতিহ্য-চেতনা, শব্দ, চিত্ৰ, কল্পনা আৰু প্ৰকাশভংগী সকলো ফালৰ পৰাই এটা সুসংগঠিত, নিটোল কবিতা। ধ্বনি-কবি শ্ৰীবিনন্দ বৰুৱাদেউক 'গড়গাঁও' কবিতাটিয়েই কবিৰূপে চিনাকি দিবৰ বাবে যিদৰে যথেষ্ট, মালিককো 'মই অসমীয়া'ই সেইদৰেই যথাৰ্থতে কবি কৰি তুলিছে। কবিতাটি অসমীয়া সমাজত অতি প্ৰিয় কবিতা কেইটাৰ অন্যতম। মালিক এবাৰ আওহতীয়া গাঁও অঞ্চলৰ এখন ৰাজহুৱা সভালৈ গৈছিল।

সভা ভংগ হৈ যোৱাৰ পাছত মালিক অকলে সভাস্থলীৰ এচুকত বহি জিৰণি লৈ আছিল। তেনে সময়তে চুচুক-চামাককৈ এজন বয়োবৃদ্ধ লোক তেওঁৰ কাষ চাপি গৈ নমস্কাৰ জনালে। নিজৰ চিনাকি দি সেই সৰলচিতীয়া বৃদ্ধ মানুহজনে ক'লে যে তেওঁ পাঁচ মাইল মান দূৰৈৰ পৰা মালিকক চাবলৈ আহিছিল। চোৱাৰ অন্য কাৰণ নহয়, মাত্ৰ মালিক 'মই অসমীয়া' নামৰ কবিতা এটাৰ কবি। কবিতাটি স্কুলীয়া পাঠ্যপুথিত তেওঁৰ নাতিয়েকহঁতে পঢ়োঁতে তেওঁ বহুবাৰ শুনিছিল। তেওঁৰ এটা অভিলাষ আছিল সেই কবিতাটি লিখা মানুহজনক তেওঁ যেনেতেনে এদিন দৰ্শন কৰিব। কথা কেইআষাৰ কৈয়েই বয়োবৃদ্ধ মানুহজন বিদায় লৈ ঘৰমুৱা হৈছিল। এই সাধাৰণ ঘটনাটো স্মৰণ কৰি মালিকে কয় যে এজন কবি বা শিল্পীৰ বাবে ইয়াতকৈ একো ডাঙৰ স্বীকৃতি বা পুৰস্কাৰ হ'ব নোৱাৰে। সেই বয়োবৃদ্ধৰ স্বীকৃতি তেওঁ সাহিত্য আকাদেমীৰ বঁটাতকৈ ডাঙৰ স্বীকৃতি বুলি ভাবে।

মালিকৰ পোনপ্ৰথম প্ৰকাশিত কবিতাৰ পুথি হ'ল 'বেদুইন' (১৯৪৮)। 'বেদুইন' হ'ল সংগ্ৰামী অঘৰীসকলৰ সংগ্ৰামৰ প্ৰতিশ্ৰুতি। বেদুইন মানে হ'ল—যি কান্ধৰ ওপৰত ঘৰখন লৈ ফুৰে। পৃথিবীৰ সৰ্বহাৰা শ্ৰেণীটো বেদুইন-শ্ৰেণী। সিহঁতৰ অস্তিত্ব অনিশ্চিত বস্তু। কাব্যখন শ্ৰেণী-শোষণৰ প্ৰতীক। বেদুইনৰ দলে জীয়াই থকাৰ অৱলম্বন বিচাৰি পৃথিবী পৰিব্ৰজন কৰিছে। সিহঁত সংগঠিত। সিহঁতে জানে, সিহঁত জাগ্ৰত থাকিব লাগিব আৰু সংগ্ৰাম কৰিব লাগিব। পৃথিৱীলৈ এনে এটা দিন আহিব যেতিয়া বেদুইনৰ জয় হ'ব আৰু শোষক শ্ৰেণী পৰাভূত হ'ব। এই আদৰ্শই হ'ল 'বেদুইন' কাব্যৰ মূল।

আমাৰ সাহিত্যত যেতিয়া নতুন কবিতাৰ যুগ আৰম্ভ হ'ল, মালিকেও সেই নতুন ঐতিহ্যক আদৰণি জনাই নতুন কবিতা লিখিবলৈ ল'লে। এই নতুন কবিসকলক আমাৰ সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ কবি আৰু সমালোচক ড° মহেন্দ্ৰ বৰা ডাঙৰীয়াই দুটা ভাগত ভাগ কৰিছে; জনতাৰ কবি আৰু নিৰ্জনতাৰ কবি। হেম বৰুৱা, বীৰেন ভট্ট, ৰাম

গণৈৰ দৰে আব্দুল মালিকো জনতাৰ কবিদলৰ অন্তৰ্ভুক্ত। ড° বৰাই মালিকৰ নতুনচাম কবিতাৰ সম্পৰ্কে দিয়া মন্তব্য নিশ্চয় আমি গ্ৰহণ কৰিব লাগিব: "...মালিকৰ কবিতাৰ উজ্জ্বল মানস-চিত্ৰৰ বিচিত্ৰ বৰ্ণালীয়ে পাঠক-পাঠিকাক সহজে বিমুগ্ধ কৰি তোলে। কথাৰ যাদুকৰ এই শিল্পীৰ কাব্য মাত্ৰ অৱসৰৰ চিত্ৰ-বিনোদনৰ মাধ্যম। তথাপি সেই কাব্যত নিম্ন-মধ্যবিত্তৰ প্ৰাণৰ স্বাক্ষৰ আছে। সাৰ্থক সৃষ্টিৰ পৰিমাণ বৰ কম, তাবে তেখেতৰ কাব্যৰ মূল্যাংকন কৰা ভুল হ'ব।"...

মালিকৰ এই নতুন কবিতাবোৰ ৰামধেনু আদি বিভিন্ন কাকত-আলোচনীত সিচঁৰতি হৈ আছে। ১৯৬২ চনত চীন-ভাৰত সংঘৰ্ষৰ সময়ত লিখা 'গজাল' নামৰ কবিতাটি এটা সুন্দৰ কবিতা। ছোভিয়েত দেশ আৰু আফ্ৰিকাৰ বিভিন্ন দেশৰ কবিসকলৰ ভালেমান কবিতা ইতিমধ্যেঁ মালিকে অনুবাদ কৰিছে। তেওঁ বহুতো 'লিমাৰিক', ব্যংগ কবিতা, গল্প-কবিতা আৰু গীত ৰচনাও কৰিছে।

কবিতাৰ ভৱিষ্যত সম্পৰ্কে মালিক বৰ আশাবাদী। ছোভিয়েত দেশ ভ্ৰমণ কৰোঁতে ৰুছ কবি এলিয়া এৰেনবুৰ্গৰ লগত কবিতাৰ ভৱিষ্যত সম্পৰ্কে আলোচনা কৰি তেওঁ লিখিছিল সেই মনোজ্ঞ নিবন্ধ—'কবিতা নমৰে'।

এলিয়া এৰেনবুৰ্গে কৈছিল: "নিশ্চয় আশা আছে (certainly there is hope)। মানুহৰ যদি ভৱিষ্যত আছে, কবিতাৰো ভৱিষ্যত আছে। হয়তো অহা দহ বছৰৰ ভিতৰতে আমাৰ বৈজ্ঞানিকসকলে জোনলৈ মানুহ পঠিয়াব। কিন্তু জোনত মানুহেই থাকক বা অন্য কিবাই থাকক, তেতিয়াও পৃথিবীৰ প্ৰেমিক-প্ৰেমিকাসকলৰ কাৰণে জোনৰ জোনাক এতিয়াৰ সমানেই প্ৰিয় হৈ থাকিব।"

চুটিগল্প লেখক মালিকে উপন্যাস ৰচনা কৰিবলৈ কলম ধৰিয়েই প্ৰথম অৱস্থাত যিকেইখন উপন্যাস লিখিছিল, সেইখিনিক লৈ সমালোচকসকল সন্তুষ্ট হ'ব পৰা নাছিল। আনকি কোনো কোনোৱে গল্প লেখক মালিকক উপন্যাসৰ ক্ষেত্ৰত 'ৰিফিউজি' বুলিহে আখ্যা

দিছিল। তেতিয়াও তেওঁ বাৰেবৰণীয়া অভিজ্ঞতা আৰু বিভিন্ন বিষয়-বস্তুৰে ক্ৰমাগত ভাৱে উপন্যাসৰ বহল মজিয়াত দৃঢ়তাৰে খোপনি পুতিবলৈ আৰম্ভ কৰিছিল। শ্ৰীহেম বৰুৱাই কিন্তু মালিকক এই ক্ষেত্ৰত আদৰণি জনাইছে: "Deeply sensitive, Malik's passage from short to novel is a rewarding experience: [ ASSAMESE LITERATURE ] বাঁহীৰ দিনত উপন্যাস লিখিবলৈ আৰম্ভ কৰিলেও, 'ৰথৰ চকৰি ঘূৰে'ৰ নিচিনা উপন্যাস ওলালেও ষষ্ঠ দশকৰ মাজভাগলৈকে তেওঁ চুটি গল্পৰ ৰজা হৈয়েই থাকিল। তাৰ পাছত বনজুই, ছবিঘৰ, মাটিৰ চাকি আদিয়ে কম-বেছি পৰিমাণে খ্যাতি বুটলিবলৈ ধৰে যদিও সেই পৰ্যন্ত মালিকক সাৰ্থক ঔপন্যাসিক বুলি একে আষাৰেই কৈ দিবলৈ মানুহৰ সংকোচ হৈছিল। ১৯৫৮ চনত মালিকৰ সাহিত্যিক জীৱনৰ অনন্য সাধাৰণ কীৰ্তি 'সূৰুয-মুখীৰ স্বপ্ন' প্ৰকাশ পায়। দৰাচলতে এই উপন্যাসখন অসমীয়া সাহিত্যত এক অপূৰ্ব সংযোজন। অৱশ্যে উল্লেখযোগ্য কথা যে কোনো কোনো সমালোচকে এইখন উপন্যাসকো তীব্ৰ ভাৱে সমালোচনা কৰি উপন্যাসখনে অৰ্জা খ্যাতিৰ ওপৰত চেঁচা পানী ঢালিছিল। কিন্তু অসমীয়া সাহিত্যও উপন্যাসখন বিপুলভাৱে সমাদৃত হল আৰু সৰহভাগ সমালোচকেই 'সূৰুযমুখীৰ স্বপ্ন' শ্ৰেষ্ঠতম অসমীয়া উপন্যাস বুলি স্বীকৃতি দিলে। আনহে নালাগে, ১৯৭২ চনত মালিকে 'অঘৰী আত্মাৰ কাহিনী' নামৰ উপন্যাসৰ বাবে সাহিত্য আকাদেমীৰ পুৰস্কাৰ লাভ কৰোঁতেও, 'সূৰুযমুখীৰ স্বপ্ন'ই সেই সন্মান নোপোৱাত সমালোচকসকলে আক্ষেপ প্ৰকাশ কৰিছিল। এইটো কথা ঠিক যে এতিয়ালৈকে মালিকৰ আন কোনো উপন্যাসেই 'সূৰুযমুখীৰ স্বপ্ন'ৰ গুণৰ উৰ্ধলৈ যাব পৰা নাই।

'সূৰুযমুখীৰ স্বপ্ন' এপিকধৰ্মী বহু বৰ্ণালীৰে বিচিত্ৰ এক স্বকীয়া সৃষ্টি। নদী আৰু আকাশ, মাটি আৰু মানুহ—জীৱনৰ চিৰন্তনতাৰ নিত্য-নতুন পৰশ লগা এক অনবদ্য আৰু নিটোল সৃষ্টি। জন্ম-মৃত্যু, প্ৰেম-ঘৃণা এইবোৰ যে ধনশিৰীৰ দৰেই চিৰ-প্ৰবহমান। অসমীয়া

গাঁৱলীয়া জীৱনৰ এটা টুকুৰা কাটি আনি যেন চকুৰ আগত দাঙি ধৰা হৈছে। তেনেই চিনাকি, তেনেই সহজ আৰু স্বাভাৱিক, অথচ এটা গাঁৱলীয়া আন্ধাৰ ৰাতিৰ দৰেই দুৰ্বোধ্য। কৃষকৰ সন্তান কৃষক গুলচৰ প্ৰকৃতিৰ দৰেই সহজাত ক্ৰোধ, কোমলতা, ব্যক্তিত্ব আৰু কল্পনা-প্ৰৱণতা, অদৃষ্টৰ ওচৰত নতি স্বীকাৰ; কিন্তু অৱস্থাৰ বিৰুদ্ধে অনমনীয় বিদ্ৰোহ, মোহ আৰু উদাসীনতা—অথচ এয়ে যেন জীৱনৰ স্বাভাৱিক প্ৰকাশ—ক'তো অকণো কৃত্ৰিম নহয়।

এক অন্তঃসলিলা কাৰুণ্যৰ আৱৰণৰ মাজত ধনশিৰীৰ পাৰৰ ডালিম গাঁও আচ্ছন্ন। তথাকথিত অধুনিক সমাজৰ গাতে লগা যদিও আধুনিকতাৰ বতাহে ছোৱা নাই। সোমাইছে মাথোন দুটামান ইংৰাজী শব্দ আৰু এসাজ নগৰীয়া কাপোৰ। ডালিম গাঁৱৰ আধুনিক হ'ব নোৱাৰাৰ কাৰণে কোনো আক্ষেপ নাই। কিন্তু বহল পৃথিবীৰ ফালে চকু মেলি চোৱাত কোনো সংকোচ নাই।

এইখন গাঁৱত মানুহৰ জীৱনৰ স্বপ্ন, আশা, হাঁহি—অশ্ৰু, দেহ-প্ৰাণৰ মোহ, আসক্তিৰ যি খেলা—সি বিশ্বপ্ৰকৃতিৰ দৰেই চিৰন্তন; সেইবোৰ যেন elemental আৰু eternal—নদী আৰু নাৰী, কামনা আৰু ত্যাগ—নৈতিকতা আৰু জীৱনৰ অদম্য স্বতঃস্ফূৰ্ততা—এনে এক শৈলীৰে লেখকে সকলোকে এনেদৰে একেঠাই কৰিছে যে অসমীয়া কথা-সাহিত্যতই একক আৰু যুগজয়ী হোৱাৰ দাবী কৰিব পাৰে।

সাৱলীল আৰু জীৱন্ত বৰ্ণনা, বৰ্ণিত বিষয়ৰ লগত লেখকৰ একাত্মতা, কাহিনীৰ সৌষ্ঠৱ ৰক্ষা কৰি গতিশীল কল্পনাৰ মনোৰম অগ্ৰগতি আৰু বিকাশ, প্ৰকৃতি আৰু মানুহৰ অবিচ্ছেদ্য আত্মীয়তা, ভাষাৰ এক বিশেষ জীৱন্ততাৰ মাজেদি 'সুৰুযমুখীৰ স্বপ্ন' প্ৰাণময় হৈ উঠিছে।

সু-পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াইও এইখন উপন্যাসৰ বিষয়ে গুৰুত্বপূৰ্ণ অভিমত দিছে—

"ধনশিৰী নৈখনৰ বিষয়ে দলংখন মটৰ গাড়ীৰে পাৰ হৈ যোৱাৰ বাহিৰে মোৰ আন অভিজ্ঞতা একো নাই। 'সুৰুযমুখীৰ স্বপ্ন' ওলোৱাৰ

পাছত মাজে মাজে ইয়াৰ পাত লুটিয়াওঁতে নৈখন ফেনে-ফোটোকাৰে মোৰ চকুৰ আগতে বাঢ়ি অহা যেন লাগিল। ইয়াৰ দ্বাৰা আকৃষ্ট হৈ কিতাপখন ভালকৈ পঢ়ি চালোঁ। ধনশিৰীৰ পাৰৰ সৰস সৌন্দৰ্য্যেৰে ভৰা জীৱনৰ স্পন্দনপূৰ্ণ যি অনাবিল চিত্ৰ গ্ৰন্থকাৰে আঁকিছে সি অন্ততঃ মোৰ কাৰণে সম্পূৰ্ণ নতুন। গাঁৱৰ অভিজ্ঞতা নথকা বাবে মোৰ এনে হ'ব পাৰে। কিন্তু লেখকৰ স্বচ্ছন্দগামী সুৱলা বৰ্ণনাৰ পৰা মোৰ মনত যি এটা নিফুট সৌন্দৰ্য্যৰ ৰূপ ভাহি উঠিছে তাক বাস্তৱ অভিজ্ঞতাৰে মচি পেলোৱাৰ মন সমূলি নাই। মালিকৰ কল্পনাৰঞ্জিত ধনশিৰীৰ পাৰৰ কৰুণ ছবি দিঠকৰ সপোনত পৰিণত হৈছে।

A soft still and holy :
The grace of forest charms decay'd,
And pastoral melancholy.

—সন্দিকৈ

ড° মহেন্দ্ৰ বৰাই উপন্যাসখনক তাকাছি শিৱশংকৰৰ "চেম্মীন" নামৰ উপন্যাসৰ লগত তুলনা কৰি দেখুৱাইছে। ড° বৰা ডাঙৰীয়াই আক্ষেপৰ সুৰত কৈছে: "...দুৰ্ভাগ্যৰ কথা, এই উপন্যাস (সূৰুয-মুখীৰ স্বপ্ন) সাহিত্য আকাদেমীৰ দ্বাৰা স্বীকৃত নহ'ল।......আমাৰ 'সূৰুযমুখীৰ স্বপ্ন' ভাৰতীয় সাহিত্যত উপেক্ষিত হোৱাৰ কাৰণ কি? কাৰণটো হ'ল আমাৰ ভাল অনুবাদক নাই।"

[ ভাৰতীয় সাহিত্যৰ পটভূমিকাত অসমীয়া সাহিত্য : অসম সাহিত্য-সভা পত্ৰিকা ]

কলেৱৰত মালিকৰ আটাইতকৈ ডাঙৰ উপন্যাস হল 'আধাৰশিলা'। এইখন উপন্যাসতো লেখকৰ সাধাৰণ স্তৰৰ মানুহৰ জীৱন-চৰ্যা আৰু হৃদয়-বৃত্তি অনুধাৱনৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। বহু সময়ত যে— অন্তৰ্নিহিত কোনো অৱদমিত ক্ষোভ আৰু বেদনা আমাৰ সমগ্ৰ জীৱনৰ অসুখৰ (unhappiness) কাৰণ হ'ব পাৰে; আৰু এনে ক্ষোভ আৰু বেদনাৰ চেতনাই মানুহৰ মনত নীচাত্মিকা ভাবৰ জন্ম দিব পাৰে, আৰু

ইয়াৰ পৰা মুক্তি পাবৰ কাৰণে মানুহে যে কেতিয়াবা প্ৰচ্ছন্ন বা প্ৰকাশ্য বিদ্ৰোহৰ পথ ল'ব পাৰে আৰু এনে বিদ্ৰোহে আত্ম-উপলব্ধিৰো অৱলম্বন যোগাব পাৰে—'আধাৰশিলা' উপন্যাসৰ নায়ক ছমীৰৰ চৰিত্ৰ আৰু সমগ্ৰ কাৰ্যাৱলীৰ মাজেদি এনে এটা ভাবেই প্ৰকাশ লাভ কৰিছে। ছমীৰে নিবিচাৰিলেও ছমীৰৰ চৰিত্ৰৰ সৃষ্টিকাৰীয়ে এটা কথাৰ সন্ধান কৰিছে—জীৱনৰ আধাৰশিলা কি? কিহে জীৱনক ধৰি ৰাখে? মানুহৰ হৃদয়ৰ অৱলম্বন কি? সামাজিক স্বীকৃতি আৰু প্ৰতিষ্ঠায়েই মানুহক নীচাত্মিকাজনিত অন্তৰ্দ্বন্দ্বৰ পৰা মুক্তি দিব পাৰেনে? সামাজিক প্ৰতিষ্ঠা, অৰ্থ-সম্পদ, খ্যাতি-যশস্যা—এইবোৰৰ সকলো বা কোনোবা এটা জীৱনৰ ভিত্তি বা আধাৰশিলা হ'ব পাৰেনে? পৃথিৱীৰ সকলো বস্তু বিচাৰি লৈয়ো কেতিয়াবা আমি নিজকে বিচাৰি নাপাব পাৰোঁ। আত্ম-সন্ধানৰ অন্য নামেই সত্য সন্ধান নেকি? এই সন্ধান দাৰ্শনিকৰ বস্তু-নিৰপেক্ষ জিজ্ঞাসা নহয়। জীৱনৰ পথৰ প্ৰতিটো খোজৰ নানা ৰহণীয়া অভিজ্ঞতায়েই আমাক আমালৈ ঘূৰি চোৱাৰ ৰহস্যৰ মুখামুখি কৰে ছমীৰৰ জীৱন-জোৰা ক্ৰোধ, ক্ষোভ, আত্মগ্লানিৰ অসহনীয় পথ পৰিক্ৰমাৰ মাজে মাজে মানৱীয় মৰমৰ অকণি সেউজী ছাঁয়া—সেয়ে জানো জীৱনৰ আৰু জীয়াই থকাৰ ভিত্তিভূমি?

পাভ তথাকথিত প্ৰেমিকা নহয়। প্ৰেম কি তাই হয়তো নাজানেই। তাই বন্য প্ৰকৃতিৰ দৰেই উজ্জ্বল, উন্মুক্ত আৰু অবাৰিত। তাইৰ চৰিত্ৰত এটা rough, ruggedness আছে—সি আদিম আৰু বন্য। তাই মৰম কৰিব নাজানে, মৰম দিব জানে। এনে মৰম দিয়া মানে জীৱনৰ আদিমতম অনুভূতিক অকৃপণ স্বীকৃতি দিয়া। বয়সত তাই ছমীৰতকৈ ডাঙৰ; কিন্তু মুখ খুলি নক'লেও তাই ছমীৰৰ আত্মাৰ যি অব্যক্ত অভাৱ তাক বুজি পায়। ছমীৰৰ জীৱনৰ পাৰ্থিৱ-অপাৰ্থিৱ সকলো অভাৱক তাই আঁতৰাই ৰাখিবলৈ বিচাৰে—তাইৰ দেহ আৰু প্ৰাণৰ প্ৰাণ-ওপচা মৰমেৰে। এই মৰম অন্তঃসলিলা কিন্তু দুৰ্বাৰ আৰু উজ্জ্বল।

পোনপটীয়াকৈ নহ'লেও আধাৰশিলাৰ যোগেদি মালিকে এটা প্ৰশ্ন আৰু তাৰ উত্তৰ দাঙি ধৰাৰ প্ৰয়াস কৰিছে। ইয়াৰ বাবে কাহিনী-ভাগ ক'তো অস্বাভাৱিকতাৰে দুৰ্বল হৈ পৰা নাই যদিও লেখকৰ বক্তব্য সম্পৰ্কে কাৰোবাৰ প্ৰশ্ন কৰাৰ অৱকাশ ৰৈ গৈছে—প্ৰেমেই জানো জীৱনৰ আধাৰশিলা? আৰু সেই প্ৰেম জানো সদায় পাভৰ প্ৰেমৰ নিচিনা raw, rugged আৰু unsophisticated? উপন্যাসখনে এটা মূল প্ৰশ্নক কেন্দ্ৰ কৰি আনুষংগিক অন্য কেইবাটাও প্ৰশ্নৰ পৰোক্ষ অৱতাৰণা কৰিছে। অৱশ্যে সেইবাবে কাহিনী ভাগৰ সংহতি ব্যাহত হোৱা নাই।...

১৯৭২ চনত 'অঘৰী আত্মাৰ কাহিনী' নামৰ ভিন্নসুৰী উপন্যাসখনৰ বাবে মালিকক সাহিত্য অকাদেমীয়ে পুৰস্কৃত কৰে। ১৯৭৩ চনৰ ১৬ ফেব্ৰুৱাৰিত আকাদেমী বঁটা গ্ৰহণ কৰি মালিকে তেওঁৰ কলা আৰু 'অঘৰী আত্মাৰ কাহিনী'ৰ বিষয়ে দিয়া ভাষণৰ সন্দৰ্ভত দিল্লীৰ PATRIOT কাকতে এইদৰে উল্লেখ কৰিছিল:

"Assamese writer Sayed Abdul Malik said that modern life was so complex that sweeping statements were too hazardous, making it very difficult for a modern writer to depict all that he saw. He considered himself as not only a builder but also an architect.

His award wining novel, whose English title would be "The Saga of a Pilgrim's Soul", he said, depicted the loneliness of a noble soul caught up in the web of modern life. Man, he felt, was engulfed by his own creation, and affluence had rendered him unhappy.

[PATRIOT : 17th Feb.1973]

'হিন্দুস্থান টাইমছ' কাকতে ১৯৭৩ ১৭ ফেব্ৰুৱাৰিত 'অঘৰী আত্মাৰ কাহিনী' সম্পৰ্কে লিখিছিল :

......His novel (Aghari Atmar Kahini) depicts the loneliness of a noble soul caught up in the web of modern life, For its insight into the working of the human mind and its lucid prose style, the work has been hailed as an outstanding contribution to contemporary literature in the language (Assamese). 'অঘৰী আত্মাৰ কাহিনী'—নামটো বৰ ইংগিতধৰ্মী। ইয়াৰ নায়ক-নায়িকা আৰু সংশ্লিষ্ট চৰিত্ৰবোৰ স্বৰূপাৰ্থতে অঘৰীনে? যদি অঘৰী, কেনেকৈ? এই উপন্যাসৰ পটভূমি আৰু চৰিত্ৰবোৰৰ 'সূৰুযমুখীৰ স্বপ্ন' আৰু 'আধাৰশিলা'ৰ লগত সামান্যতম সাদৃশ্যও নাই। কিন্তু এই দুই উপন্যাসৰ সৰল-সহজ চৰিত্ৰৰ জীৱন-চৰ্যা আৰু জীৱন-বোধক কেন্দ্ৰ কৰি লেখকে প্ৰেমৰ যি চিত্ৰ অংকন কৰিছে, 'অঘৰী আত্মাৰ কাহিনী'ত তাৰ সম্পূৰ্ণ বিপৰীতধৰ্মী চৰিত্ৰবোধক অন্তৰ্দ্বন্দ্বৰ বেহুৰ মাজত লেখক সোমাই পৰিছে। আভিজাত্য, বংশ-গৌৰৱ, ৰাজনীতি, অৰ্থ সম্পদ আৰু শিক্ষা-দীক্ষাৰ মাজত আধুনিক জীৱন বাস্তৱিকতে অস্বচ্ছ জটিল। কলিকতাস্থ যোশী দম্পতিৰ পালিত কন্যা ছায়া অঘৰী, মন্ত্ৰী মন্মথ চৌধুৰীৰ পুত্ৰ শশাংক অঘৰী, জীৱনৰ সকলো সম্ভাৱনা নিঃশেষ হৈ যোৱা দিনক দিনে ক্ষয়িষ্ণু হোৱা নিৰঞ্জন অঘৰী আৰু সমাজৰ অৱক্ষয় আৰু জঘন্য, অমাৰ্জনীয়, অক্ষমনীয় পাপ আৰু ভয়াবহ পশুত্বৰ বিৰুদ্ধে অক্ষম প্ৰতিবাদ জনোৱা নায়িকা অপৰাজিতাও অঘৰী। এই চৰিত্ৰবোৰ যে কিমান অসুখী! উপন্যাস খনত মালিকে বলিষ্ঠ অন্তৰ্দৃষ্টিৰ পৰিচয় দিছে। কিন্তু কাহিনী কোৱা যেন শেষ নহ'ল। হয়তো পাঠকক ভাবিবলৈ, উপলব্ধি কৰিবলৈ এৰি দিলে। মালিকৰ কঠোৰ সমালোচক সকলেও এই উপন্যাসত লেখকৰ সৃষ্টি-ধৰ্মিতাৰ নতুন দিগন্ত উন্মোচিত হোৱা দেখা পালে।

মালিকে মহাবিপ্লৱী জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাহচৰ্য লাভ কৰিছিল বহুদিন ধৰি আৰু বহু উপলক্ষত। জ্যোতিপ্ৰসাদৰ লগত মালিকৰ সম্পৰ্ক বৌদ্ধিক আৰু আবেগিক দুয়ো প্ৰকাৰৰ আছিল। জ্যোতিপ্ৰসাদৰ জীৱন-জেউতি প্ৰতিভাত কৰি মালিকে ৰচনা কৰা 'ৰূপতীৰ্থৰ যাত্ৰী' আমাৰ সাহিত্যত এক অভিনৱ সংযোজন। আধুনিক অসমৰ সাংস্কৃতিক ইতিহাসত জ্যোতিপ্ৰসাদতকৈ প্ৰগতিবাদী আৰু আধুনিক কোনো নাছিল বুলি মালিকে কয়। 'ৰূপতীৰ্থৰ যাত্ৰী'ৰ দুই খণ্ডত ৰূপকোঁৱৰৰ জীৱন-বৃত্ত আৰু বৈপ্লৱিক সাংস্কৃতিক অৱদানৰ কথা দৰদী ভাষাৰে লেখকে ৰূপ দিছে। এই উপন্যাসৰ কাহিনী কোৱা শেষ হোৱা নাই এতিয়া। কিয়নো উপন্যাসখনৰ তৃতীয় খণ্ডটি এতিয়াও প্ৰকাশ পোৱা নাই। শিল্পী জীৱনৰ প্ৰতি মালিকৰ সহজাত দুৰ্বলতা এটা সদায় আছে। 'এটা সূৰ্য, দুখন নদী আৰু এখন মৰুভূমি' শিল্পী জীৱনক কেন্দ্ৰ কৰি লিখা এক ভিন্নসুৰী উপন্যাস। এই উপন্যাসৰ চৰিত্ৰ, কাহিনী আৰু পটভূমিৰ সচৰাচৰ অসীময়া উপন্যাসৰ লগত মিল নাই। এই উপন্যাসৰ জগতখনো এখন বেলেগ জগত।

কিন্তু গাঁও, মাটি, মানুহ আৰু প্ৰকৃতিক লিখকে নিবিড়ভাবে লগ পোৱাৰ কীৰ্তিস্তম্ভ হ'ল—'নল-বিৰিণা-খাগৰি' নামৰ উপন্যাসখন। তেওঁ খুব সহজভাৱে মাটিৰ প্ৰতি এক আকৰ্ষণ অনুভৱ কৰে। বোকাৰ লগত চিৰদিনীয়া আত্মীয়তা থকা অনাখৰী মানুহবোৰৰ জীৱন-বোধক ফঁহিয়াই চাবলৈ তেওঁলোকৰ আশা অনুভূতি আকাংক্ষা, তেওঁলোকৰ কোমলতা আৰু সৰলতাৰ গইনা লৈ পূজ্য, সন্মানীয় এটা শ্ৰেণীয়ে কেনেকৈ তেওঁলোকৰ সৰ্বস্ব অলক্ষিতে অপহৰণ কৰি আছে এই উপন্যাসত তাৰেই উজ্জ্বল প্ৰতিফলন ঘটিছে। মৌজুৰি গাঁৱৰ অনাড়ম্বৰ, চিৰসুপ্ত আৰু চিৰমৌন ইতিহাসক মালিকৰ অপূৰ্ব কথন-ভংগীয়ে সবাক কৰি তুলিছে। মাটিৰ লগত যে এই লেখকৰ ইমান আত্মীয়তা সেই কথাৰ 'নল-বিৰিণা-খাগৰি'ৰ ছত্ৰে ছত্ৰে সাক্ষী আছে। তেওঁৰ আন এখন হ'ল 'প্ৰাচীৰ আৰু প্ৰান্তৰ'। 'ড° অৰুণাভৰ অসম্পূৰ্ণ জীৱনী'ও

এটা অত্যন্ত জটিল চৰিত্ৰৰ জীৱনক এক নতুন ধৰণৰ টেকনিকেৰে ৰূপায়ণ কৰাৰ চেষ্টা কৰা হৈছে। ড° অৰুণাভৰ চাৰিত্ৰিক বৈশিষ্ট্য যেনেদৰে বৈচিত্ৰ্যপূৰ্ণ, উপন্যাসখনৰ প্ৰকাশ-ভংগীও সেইদৰে জটিল আৰু অনন্য।

উল্লেখযোগ্য কথা যে মালিকে আজিলৈকে প্ৰায় দুকুৰিখন উপন্যাস লিখিলে। ছবিঘৰ, বনজুই, অন্য আকাশ অন্য তৰা, কণ্ঠহাৰ, জীয়াজুৰিৰ ঘাট, মাটিৰ চাকি, পছমৰা হাবিৰ বাট, ৰাতিৰ কবিতা আদি একো একোটা নতুন সমস্যা আৰু পৰিস্থিতিৰ অধ্যয়ন। অৱশ্যে আটাইবোৰ উপন্যাসেই ৰসঘন আৰু চমকপ্ৰদ ভাৱে সফল হোৱা নাই। এটা কথা মনকৰিবলগীয়া যে, আলোচনীবোৰৰ তাগদাত মালিকে বিশেষ সংখ্যাবোৰত উপন্যাস লিখিবলগীয়া হয়। খুব কম সময়ৰ ভিতৰত একোখন উপন্যাস ৰচনা শেষ কৰা হয়। তেওঁৰ এটা ডাঙৰ দোষ হ'ল যে কোনো উপন্যাস বা অন্য লেখাতো তেওঁ দ্বিতীয়বাৰ চকু ফুৰায় আৰু সামান্য সাল-সলনিও নকৰে। আনকি লেখাবোৰ সাধাৰণভাৱেও এবাৰ পঢ়ি নাচায়।

মালিকৰ ৰংগমঞ্চৰ লগত সম্বন্ধ ছাত্ৰাৱস্থাৰে পৰা। নাটঘৰৰ প্ৰতি এসময়ত তেওঁৰ যিহে আকৰ্ষণ হৈছিল, পিছলৈ আচলতে নাট আৰু মঞ্চহে তেওঁৰ প্ৰকৃত চিনাকি হ'বগৈ লাগিছিল। অৱশ্যে তেওঁ সৰু-বৰ অনেক নাটক-নাটিকা লিখিছে। প্ৰথমতে যোৰহাটত প্ৰতিষ্ঠা হোৱা Progressive Cultural Squadৰ বাবে 'প্ৰথম প্ৰণাম', 'যুগৰ দাবী' আদি নাটকবোৰ লিখিছিল। তাৰ পাছত আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰত চাকৰি কৰোঁতে কেইবাখনো অনাতাঁৰ নাটক লিখি প্ৰচাৰ কৰিছিল। বিভিন্ন সময়ত ৰচনা কৰা সৰু সৰু নাটিকাবোৰ আৰু একাংক নাটকবোৰ বিভিন্ন আলোচনীৰ পাতত সিঁচৰিত হৈ থাকিল। মালিকৰ এতিয়ালৈকে কিতাপ হিচাপে প্ৰকাশিত পূৰ্ণাংগ নাটক মাত্ৰ দুখন। এখন ঐতিহাসিক নাটক 'ৰাজদ্ৰোহী' (১৯৫৬) আৰু আনখন সামাজিক নাটক 'মকৰাজাল' (১৯৬৪)। আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ

দিনত কুকুৰাচোৱাৰ পুতেক সংৰামৰ ৰাজদ্ৰোহৰ ঐতিহাসিক কাহিনীক কেন্দ্ৰ কৰি এই নাটক ৰচনা কৰা হৈছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই এই নাটকখনৰ বিষয়ে 'অসমীয়া নাট্য সাহিত্য'ত দিয়া মন্তব্য হ'ল: "অপদাৰ্থ ইন্দ্ৰিয়পৰায়ণ ৰজা আৰু অত্যাচাৰী মন্ত্ৰী আৰু ডা-ডাঙৰীয়াৰ নিষ্পেষণত জুৰুলা হোৱা প্ৰজাক হাতত লৈ 'ৰাইজেই ৰজা'—এই উক্তিৰ সাৰ্থকতা প্ৰতিপন্ন কৰিবলৈ সংৰামে ৰাজদ্ৰোহৰ আয়োজন কৰিছিল বুলি নাটকত দেখুৱাইছে। বুৰঞ্জীয়ে স্বীকাৰ নকৰা সজ উদ্দেশ্য সংৰামৰ কাৰ্য্যত আৰোপ কৰি আৰু আধুনিক প্ৰজাতন্ত্ৰৰ আদৰ্শ আগতীয়াকৈ নায়কৰ চৰিত্ৰ আৰু উক্তিত প্ৰয়োগ কৰি নাটখনত আধুনিকতাৰ ছাপ দিবলৈ চেষ্টা কৰিছে। ফলত সংৰাম বৰ্তমান যুগৰ গণতান্ত্ৰিক নেতা বা বিদ্ৰোহী যেন অনুভৱ হয়। নাট্যকাৰৰ সংৰাম ৰাজদ্ৰোহী, কিন্তু ৰাইজ-দ্ৰোহী নহয়।"......

'মকৰাজাল' হ'ল লেখকৰ নিজা ভাষাত 'অসমৰ সাধাৰণ নাট্যমঞ্চৰ সীমাবদ্ধতাৰ কথা মনত ৰাখি' ৰচনা কৰা নাটক। উল্লিখিত দুৰ্য্যোধন নাটক 'আকাশবাণী'ৰ গুৱাহাটী কেন্দ্ৰৰ যোগেদি একাধিকবাৰ প্ৰচাৰিত হৈছে। আকাশবাণীৰ যোগেদি প্ৰচাৰিত 'শেষচহী', 'শকুন্তলা' আদিও উল্লেখযোগ্য নাটক। মহাকবি কালিদাসৰ প্ৰখ্যাত 'অভিজ্ঞান-শকুন্তলম্' নাটকৰ সমান্তৰাল ভাৱে আধুনিক কালৰ এটা চিত্ৰক উপস্থাপন কৰি 'শকুন্তলা' নাটকত মালিকে এক নতুন উদ্ভাৱনা শক্তিৰ পৰিচয় দিছে। কিন্তু কোনো কোনো মহলত ইয়াৰ বিৰূপ সমালোচনা হয়। নাটকখন নিতান্তই পৰীক্ষামূলক আছিল।

বহুতো 'অকথ্য', বহুতো 'অশ্ৰাব্য' আদিৰে অসমীয়া ব্যংগ সাহিত্যত মালিকৰ এখন নিজস্ব আসন আছে। 'খোৰা নিদান', 'মই প্ৰস্তাৱ কৰোঁ যে' আদি ৰচনাৰ যোগেদি মালিকে এগৰাকী সাৰ্থক হাস্য-ব্যংগৰ লেখক ৰূপে আত্মপ্ৰকাশ কৰিছে। সমাজ-সচেতন লেখক মালিকে সমাজৰ বহুতো অশুভ শক্তি আৰু প্ৰতিক্ৰিয়াশীল মহলক তীব্ৰভাৱে আঘাত কৰি গৈছে। তেওঁৰ তীব্ৰ ব্যংগৰ আগত কোনো

পাৰি যোৱা নাই। সমাজৰ প্ৰতিক্ৰিয়াশীল, ভুৱা-আভিজাত্যৰ ভেমত ওফন্দি ফুৰা, দুৰ্নীতিপৰায়ণ সকলৰ স্বৰূপ উদঙাই দেখুৱাত তেওঁৰ কলমে আপোছ কৰিবলৈ বিচৰা নাই। তীৰ্যকভাৱে হ'লেও অসৎ শক্তিবোৰক আক্ৰমণ কৰি যোৱা তেওঁৰ কলমৰ এনে খোচ তেওঁৰ অন্যান্য ৰচনাতো পৰিলক্ষিত হয়। এনে ব্যংগ ৰচনাৰ বহুক্ষেত্ৰত মালিকে ছদ্মনাম ব্যৱহাৰ কৰি আহিছে। বহুতেই নাজানে, তেওঁ কিমান ছদ্মনামেৰে কিমান ৰচনা কৰিছে।

এগৰাকী সাৰ্থক সৃষ্টিধৰ্মী লেখকৰ পূৰ্ণ দায়িত্ব পালন কৰিও মালিকে নানা প্ৰকাৰৰ গহীন বিধৰ সমালোচনা আৰু বিভিন্ন বিষয়ক লৈ বেলেগ বেলেগ পৰিস্থিতিত বহুত মনোজ্ঞ প্ৰবন্ধ-পাতি লিখিছে। জাতীয় জীৱনৰ একোটা বিশেষ পৰিস্থিতি আৰু জ্বলন্ত সমস্যা আগত ৰাখি লিখা বহুতো ৰচনাই আমাৰ মাজত মৃদু আলোড়নৰ সৃষ্টি কৰি আহিছে। উদাহৰণ স্বৰূপে আঙুলিয়াব পাৰি—১৯৬০ চনত ভাষা আন্দোলনৰ সময়ত লিখা—'শিলে সাৰ পালে', ১৯৬২ চনত চীনা আক্ৰমণৰ সময়ত লিখা—'হিউয়েন ছাঙৰ ফাঁচী', ১৯৬৫ চনত পাকিস্থানী আক্ৰমণৰ সময়ত লিখা—'বলিয়া ঘোঁৰাৰ দৌৰ', ১৯৭১ চনত বাংলাদেশৰ অভ্যুদয়ত লিখা—'চালাম সোণালী সেউজ' ইত্যাদি। এসময়ত 'সাহিত্য-দূত' পত্ৰিকাত লিখা 'নায়ক নাই', 'নায়িকা নাই', 'ৰস নাই' আদি মনোৰম ৰচনাবোৰো আমাৰ সাহিত্যত নতুন ৰচনা।

অসমীয়া মুছলমানৰ ধৰ্মীয় আৰু সাংস্কৃতিক সকলো দিশৰ উজ্জ্বল প্ৰতিফলন ঘটা জিকিৰ আৰু জাৰী সমূহ আমাৰ লোক-সাহিত্যৰ ৰৰপেৰাৰ মণি-মুকুতা মালা সদৃশ। বিশেষতঃ উজনিৰ ভিন ভিন ঠাইত কেৱল ধাৰ্মিক আৰু সংস্কৃতিবান লোক-শিল্পীৰ কণ্ঠই আছিল সিবোৰৰ নিগাজী স্থান। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৌজন্যত মালিকে সংকলয়িতা-সম্পাদক ৰূপে বহুতো জিকিৰ আৰু জাৰী সংগ্ৰহ কৰি অসমীয়া সাহিত্যত এক পৰম ঐশ্বৰ্য সংযোজন কৰিলে। ইয়াৰ সুদীৰ্ঘ পাতনিত মালিকে অসমীয়া মুছলমান সম্প্ৰদায়ৰ ইতিহাস আৰু সংস্কৃতি

আৰু জিকিৰ আৰু জাৰী সমূহৰ বিষয়ে গৱেষণা প্ৰসূত মূল্যবান আলোচনা আগবঢ়াইছে।

এজন সৃষ্টিশীল কলাকাৰৰ অনুবাদ কৰাৰ সময় আৰু স্পৃহা লগতে এই ক্ষেত্ৰত দেখুউৱা কৃতিত্ব মন কৰিবলগীয়া। কবীন্দ্ৰ ৰবীন্দ্ৰনাথৰ 'চিৰকুমাৰ সভা', ড° জাকিৰ হুছেইনৰ Reconstruction of Education in Indiaৰ 'ভাৰতীয় শিক্ষাৰ পুনৰ্গঠন', ব্ৰজেশ্বৰ বৰ্মাৰ 'সুৰদাস' ( হিন্দী ) ড° মুজিবৰ 'গালিব', বেংকটেশৰ 'বনগড়বাড়ী', ছৰ্দাৰ জাফৰীৰৰ 'নঈ দুনীয়া কু চালাম', আৰু চীনা ভাষাৰ বিখ্যাত অপেৰা 'The White Haired Girl' ( বগা চুলীয়া ছোৱালীজনী ) মালিকে অনুবাদ কৰা উল্লেখযোগ্য গ্ৰন্থ।

মালিকৰ চুফী-দৰ্শন সম্পৰ্কীয় এখন গ্ৰন্থ "চুফী আৰু চুফীবাদ" ইতিমধ্যে অসম সাহিত্য সভাই প্ৰকাশ কৰিছে। আৰু "অসমীয়া ভাষাত আৰবী, ফাৰ্চী আদি শব্দ" নামৰ এখন গ্ৰন্থও প্ৰকাশৰ পথত। অসমীয়া মুছলমান সম্বন্ধেও এখন কিতাপ মালিকে লিখি আছে। এওঁৰ 'মুকলি মনৰ সাধু' আৰু 'কোৰাণ চৰীফৰ সাধু' দুখনি শিশুৰ উপযোগী গ্ৰন্থ।

মালিকৰ ছোভিয়েত দেশ ভ্ৰমণৰ ফলশ্ৰুতি হ'ল অসমীয়া সাহিত্যৰ এখনি অসাধাৰণ-ভ্ৰমণ-কাহিনী 'মাজত মাথোন হিমালয়'। এই গ্ৰন্থ আমাৰ ভ্ৰমণ-সাহিত্যত কালজয়ী হৈ থাকিব।

"পয়গাম" আৰু "জমজম" নামৰ দুখন পত্ৰিকাও মালিকে সম্পাদনা কৰিছিল। বিভিন্ন ঠাইত বিভিন্ন কাকতে-পত্ৰই-সংকলনে সিঁচৰতি হৈ থকা এওঁৰ লেখাবোৰ সম্পূৰ্ণভাৱে সংগ্ৰহ কৰাটো এতিয়া টান হৈ পৰিছে। মালিকে নিজে তেওঁৰ লেখাবোৰ অন্ততঃ নিজৰ প্ৰকাশ পোৱা গ্ৰন্থখিনিও সম্পূৰ্ণভাৱে সংগ্ৰহ কৰি থোৱা নাই। ইমান উদাসীনতাৰ হেতু বিচাৰি পোৱা নাযায়।

অসমীয়া সাহিত্যৰ এগৰাকী ওজা হিচাপে আমাৰ সাহিত্যৰ সম্পৰ্কে মালিকক এটা প্ৰশ্ন সোধা হৈছিল। প্ৰশ্নটো আছিল :

অসমীয়া সাহিত্যৰ বৰ্ণাঢ্য যুগৰ বহু বিকশিত অৱস্থাত আপুনি এজন লেখক হিচাপে আমাৰ সাহিত্যৰ গতিবিধি বহুদিন ধৰি নিৰীক্ষণ কৰাৰ সুযোগ পাইছে। এই সাহিত্যৰ বৰ্তমান সম্পৰ্কে আপোনাৰ মতামত কি? অসমীয়া সাহিত্যৰ ভবিষ্যত সম্পৰ্কে আপোনাৰ ধাৰণা?

মালিকে ইয়াৰ উত্তৰত কৈছিল: "প্ৰথমে দেশৰ মুক্তিৰ স্বপ্নই আৰু পাছত স্বাধীনতা লাভে অসমৰ শিল্পী-সাহিত্যিকৰ মনলৈ যি উচ্ছ্বাস, উন্মাদনা আৰু আনন্দৰ ভাৱ আহিছিল তাৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণৰ বাতাবৰণ অতি সোনকালে সংকুচিত আৰু প্ৰতিকূল হৈ পৰাৰ ফল স্বৰূপে শিল্পী-সাহিত্যিক সকলৰ স্বপ্ন-ভংগ হ'ল। '৫০ৰ পৰা '৬০ৰ ভিতৰত অসমীয়া কবিতাত এই পৰিস্থিতিৰ বিৰুদ্ধে প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰতিবাদ আছে। স্বাধীনতাই যি মুক্ত আৰু অনুকূল সৃষ্টিৰ পৰিবেশ সৃষ্টি কৰিব বুলি ভবা হৈছিল, বহুলাংশে সেই পৰিবেশৰ ঠাইত এটা প্ৰতিকূল পৰিবেশহে গঢ়ি উঠিল। সৃজনীমূলক সাহিত্যতকৈ পাঠ্যপুথি ৰচনাই বহু লিখকৰ দৃষ্টি আকৰ্ষণ কৰিলে। ব্যৱসায়-বুদ্ধিত সাহিত্যিকতকৈ অধিক চতুৰ বহু পুথি-প্ৰকাশকে লেখকক প্ৰবঞ্চনা কৰাটো ব্যৱসায়ৰ প্ৰধান লক্ষ্য কৰি ল'লে। এওঁলোকেই 'বেয়া কিতাপৰো' ছদ্মবেশী প্ৰকাশক। তথাপি যোৱা ৩০/৪০ বছৰত বিভিন্ন বিষয়ৰ যথেষ্ট সংখ্যক সাহিত্যৰ সৃষ্টি হৈছে। অসমীয়া সাহিত্যৰ ভৱিষ্যত দুটা কথাৰ ওপৰত নিৰ্ভৰশীল:

১) সাহিত্যিকক সাহিত্যিকৰ জীৱন-যাপন কৰাৰ সুযোগ-সুবিধা আৰু পৰিবেশ দান কৰা।

২) সাহিত্যিকক দুৰ্নীতি-পৰায়ণ আৰু প্ৰবঞ্চনাকাৰী পুথি প্ৰকাশকৰ কবলৰ পৰা ৰক্ষা কৰা।

"অসমীয়া সাহিত্যৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে সাহিত্যিক সকলৰ নিষ্ঠা, একাগ্ৰতা আৰু ঐকান্তিক পৰিশ্ৰমৰ ওপৰত, আৰু সাহিত্যিক সকলৰ প্ৰতি পাঠক, সমালোচক আৰু সৰ্বসাধাৰণ ৰাইজৰ সহানুভূতি আৰু শ্ৰদ্ধাৰ ওপৰত।

"চৰকাৰৰ পৃষ্ঠপোষকতাৰ ওপৰত আৰু প্ৰকাশৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰশীল কোনো প্ৰকৃত সৃজনী প্ৰতিভাসম্পন্ন সাহিত্যিকেই নিজস্বতা ৰক্ষা কৰি মহৎ সাহিত্য সৃষ্টি কৰিব নোৱাৰে। সমাজৰ প্ৰতি দায়িত্ব বোধতকৈও সাহিত্যৰ প্ৰতি অধিক দায়িত্ববোধ নাথাকিলে সৃষ্টিয়ে মহত্ব লাভ কৰিব নোৱাৰে। সাহিত্যিক সকল ত্যাগ আৰু শ্ৰম কৰিবলৈও সদায় প্ৰস্তুত থাকিব লাগিব।"

মালিকৰ মনত এটা প্ৰশ্নই সদায় ভূমুকি মাৰেহি ঃ যিসকল সাধাৰণ মানুহৰ জীৱনৰ বিষয়ে তেওঁ অন্ততঃ কিছু লিখিছে, সেই সকলে জানেনে, ভাবেনে যে তেওঁলোকৰ জীৱনক ৰূপ দিবলৈ এজন লেখকে চেষ্টা কৰি আছে।...

মালিকৰ ধাৰণা ঃ "যিদিনা মোৰ লেখা কোনোৱে নপঢ়া হ'ব, সেই-দিনা আৰু মোৰ জীয়াই থকাৰ কোনো অৰ্থ নাথাকিব।"

এজন শিল্পীৰ ইয়াতকৈ আৰু কি শক্তিশালী দৃষ্টিভংগী থাকিব পাৰে?

টিহুত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ আলোচনা চক্ৰত সভাপতিৰ আসনৰ পৰা মালিকে আহ্বান জনাইছে ঃ

"আমাক বহুত কবি লাগে, আৰু বহুত ভাল কবিতা লাগে। আমাক বহুত চুটিগল্প লিখক লাগে, আৰু বহুত ভাল চুটিগল্প লাগে। আমাক বহুত ঔপন্যাসিক লাগে, আৰু বহু ভাল উপন্যাস লাগে।"

সম্প্ৰতি ৰাজনীতিয়ে মালিকক সংসদৰ মজিয়াত প্ৰৱেশ কৰাইছে। অনাগত ভৱিষ্যতৰ দিনবোৰত মালিকৰ কাপ-কাঠিৰ পৰশত অসমীয়া সাহিত্যই কি বৈভৱ লাভ কৰে তালৈ সকলোৱে অপেক্ষা কৰি আছে।

## ‘জনতাৰ হৃদয়ত মোৰ সোণোবালী দেশ’

“আকাশী নেত্ৰে বিশ্বজগত চাই
হুঙ্কাৰি মই ঘোষিলোঁ। অধিকাৰ
মইযে শক্তিমান,
তূণ ভৰি ললোঁ। দিব্য অস্ত্ৰ
পিন্ধি ললোঁ। মই ত্যাগৰ বস্ত্ৰ
সন্ধান মোৰ নহয় ব্যৰ্থ
সব্যসাচী ধৰিলোঁ। ধনুৰ্বাণ।”

—জ্যোতিপ্ৰসাদ

“অনুভূতি সম্পন্ন এজন লেখক হোৱাৰ কাৰণেই মোৰ কেতিয়াবা কাপ থৈ তৰোৱাল ল’বৰ ইচ্ছা হয়; কিন্তু বৌদ্ধিক নৈৰাজ্যবাদে সমস্যাৰ সমাধান নানে। তাৰ কাৰণেও গণতান্ত্ৰিক ব্যৱস্থাৰেই আশ্ৰয় লোৱাৰ প্ৰয়োজন।”

মালিকক ৰাজনীতি কৰাৰ উদ্দেশ্যৰ কথা সোধোঁতে এবাৰ এইদৰে কৈছিল। তেওঁ আৰু কৈছিল যে সমাজৰ আন এজনৰ ৰাজনীতি কৰাৰ যি অধিকাৰ আছে, দেশৰ লক্ষ লক্ষ জনৰ অৱস্থাৰ ৰূপান্তৰ ঘটাবৰ বাবে এজন সাহিত্যিকেও তেনেকৈ প্ৰত্যক্ষ ৰাজনীতি কৰিব পাৰে বুলি তেওঁৰ বিশ্বাস।

কটন কলেজৰ ছাত্ৰাৱস্থাতেই তেওঁৰ মাৰ্ক্সীয় দৰ্শনৰ লগত পৰিচয় হোৱাৰ সুযোগ ঘটিছিল।

ক্ৰমাগত ভাবে সাম্যবাদী সাহিত্যৰ অধ্যয়নে আৰু বহুতো কমিউনিষ্ট নেতাৰ সংস্পৰ্শই তেওঁক সাম্যবাদী আন্দোলনৰ শিবিৰৰ প্ৰতি আকৰ্ষিত কৰে। ইফালে দেশ জুৰি স্বৰাজৰ আন্দোলনে গাঢ় ৰূপ পৰিগ্ৰহ কৰিছিল, দেশত আকৌ মূৰ দাঙি উঠা সাম্প্ৰদায়িকতাই ৰাজনীতিত

খোপনি পুতি লৈছিল। দ্বিজাতি তত্ত্বই ভাৰতীয় মনক যি এবাৰ দ্বিখণ্ডিত কৰিলে তাৰ আৰু সংশোধন হোৱাৰ সুযোগ ইতিহাসে গ্ৰহণ কৰিব নোৱাৰিলে। ইতিহাস নিষ্ঠুৰ হৈ পৰিছিল, মুছলিম লীগৰ জন্ম হৈছিল আৰু ই ৰাজনীতি-সচেতন মুছলমান সকলৰ সৰহভাগকে মুছলিম ৰাজনৈতিক শিবিৰলৈ টানি নিছিল। তেতিয়া দেশত স্বাধীনতাৰ উন্মেষ হৈছে। ১৯৪৫ চনত মালিকে মুছলিম লীগত যোগদান কৰে। ভাৰতবৰ্ষ জুৰি সেই সময়ত মুছলিম লীগে সংখ্যালঘু মুছলমান সকলৰ স্বাৰ্থক লৈ পৰিবৰ্তিত পৰিস্থিতিত সজোৰে প্ৰভাৱ পেলাবলৈ লৈছে। অসমত ছাৰ ছৈয়দ চাদুল্লা মুছলিম লীগৰ প্ৰধান আৰু শক্তিশালী নেতা। আব্দুল মতিন চৌধুৰী, খান বাহাদুৰ কেৰামত আলি আদি সেই সময়ৰ প্ৰসিদ্ধ মুছলমান নেতা। মালিকে মুছলিম লীগত যোগদান কৰে। ১৯৪৬ চনত অসমত মুছলমান সম্প্ৰদায়ৰ প্ৰথম মুখপত্ৰ 'পায়গাম' মালিকৰ সম্পাদনাত যোৰহাটৰ পৰা প্ৰকাশ পায়। এই আলোচনীত মুছলিম লীগ সম্পৰ্কে সম্পাদকীয় নিবন্ধ আৰু প্ৰবন্ধ-পাতি প্ৰতি সংখ্যাতে প্ৰকাশ কৰা হৈছিল আৰু লীগৰ বিপৰীত-পন্থীদল কংগ্ৰেছক কঠোৰ ভাৱে সমালোচনা কৰা হৈছিল। 'পায়গামে' মালিকৰ ৰাজনৈতিক পৰিচয় লীগৰ সমৰ্থক ৰূপে প্ৰতিষ্ঠা কৰে। মুছলিম লীগ আৰু মুছলমান সকলৰ মুখপত্ৰ বুলি স্বীকৃত হ'লেও আৰু অসমত মুছলমান সকলৰ স্বাৰ্থৰ অনুকূলে 'পায়গামে' কাম কৰিলেও মুছলিম লীগৰ নেতৃত্বক কোনো কোনো ক্ষেত্ৰত কঠোৰ-ভাৱে সমালোচনা কৰিছিল। উদাহৰণ স্বৰূপে যোৰহাট জগন্নাথ বৰুৱা কলেজত ফাৰ্চী-আৰবী ভাষাৰ অধ্যাপক নথকাত আক্ষেপ প্ৰকাশ কৰি 'পায়গাম'ত এইদৰে 'সম্পাদকৰ দফতৰ'ত কোৱা হৈছিল : "অসমত কেইবা বছৰো মুছলমান প্ৰধানমন্ত্ৰী, মুছলমান শিক্ষামন্ত্ৰী, মুছলমান ডিৰেক্টৰ হৈ গ'ল ; এওঁলোকৰ পৰা মুছলমান ছাত্ৰই একোকে নাপালে। বৰ্তমান প্ৰধানমন্ত্ৰী মাননীয় বৰদলৈ ডাঙৰীয়াৰ হাততে শিক্ষা বিভাগটোও আছে। আশাকৰোঁ কলেজ কৰ্তৃপক্ষই আৰু মাননীয় বৰদলৈ ডাঙৰীয়াই

অতি সোনকালে নতুন ছেছন আৰম্ভ হোৱাৰ লগে লগে যোৰহাট কলেজত এজন আৰবী আৰু ফাৰ্চীয় অধ্যাপক নিয়োগ কৰে।" 'পায়গাম'ৰ তৃতীয় সংখ্যাত 'সম্পাদকৰ দফতৰ'ত মুছলিম লীগৰ সদস্য সকলক সতৰ্ক কৰি দিয়া হৈছিল এইদৰে: ..."বৰদলৈ মন্ত্রীসভাক সমালোচনা কৰোঁতে অসমীয়া ৰাইজৰ কৰ্তব্যৰ শেষ নপৰে। আইন পৰিষদৰ ৩১ জন লীগ সদস্যৰো ৪০ লাখ মুছলমান তথা অন্যান্য জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে সংগ্ৰাম কৰা আইনগত ভাৱে কৰ্তব্য। এই একত্ৰিছ জন সভ্যই দল-নিৰপেক্ষ ভাৱে সদৌ অসমৰ সৰ্বসাধাৰণ গৰীব ৰাইজৰ দুঃখ-দুৰ্দশাৰ প্ৰতি সজাগ দৃষ্টি ৰাখি তেওঁলোকৰ দাবী পূৰণৰ কাৰণে যথাশক্তি কৰক। চৰকাৰৰ বিৰোধী দল হিচাপে লীগে গঠন-মূলক সমালোচনাৰ যি সুযোগ পাইছে, তাৰ অপব্যৱহাৰ কৰা অন্যায়। লীগ প্ৰতিনিধি সকলেও যদি কংগ্ৰেছী প্ৰতিনিধিবিলাকৰ দৰেই হাত সাবটি বহি থাকে তেন্তে অসমীয়াৰ অকথিত অধঃপতন অনিবাৰ্য্য।..."

মুছলিম লীগৰ পাছত বহুতো মুছলমান নেতা কংগ্ৰেছী শিবিৰলৈ আহিল, কিন্তু মালিক-বিৰোধী শিবিৰতে ৰৈ গ'ল। এইয়া দেশ স্বাধীন হোৱাৰ সময়ৰ কথা। মালিকৰ তেতিয়া ভাৰতীয় কমিউনিষ্ট দলৰ লগত সম্পৰ্ক ঘটে। তেওঁ কমিউনিষ্ট পাৰ্টিৰ সক্ৰিয় সভ্য নাছিল যদিও মাৰ্ক্সবাদী আৰু সাম্যবাদী আদৰ্শৰ সমৰ্থক ৰূপে ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ লগত আদৰ্শগত সম্পৰ্ক ৰক্ষা কৰি চলিছিল। স্বাধীনতাৰ পৰবৰ্তী স্তৰত দেশৰ লক্ষ লক্ষ ভোকাতুৰৰ অন্ন-বস্ত্ৰৰ সমস্যাই সচেতন দেশবাসীক দ্বিধাগ্ৰস্ত, সংশয় যুক্ত আৰু ৰাজনৈতিক স্বাধীনতাৰ প্ৰতি বীতশ্ৰদ্ধ কৰি তোলে। বামপন্থী প্ৰগতিশীল দলবোৰ দেশৰ ভগ্ন অৰ্থনীতিৰ কঠোৰ সমালোচক হৈ পৰে। কিন্তু বামপন্থী দলবোৰ বিচ্ছিন্ন হৈ থকাৰ হেতুকেই স্বৰাজোত্তৰ ভাৰতীয় ৰাজনীতিত বিৰোধী দলবোৰৰ প্ৰভাৱ ক্ৰমান্বয়ে জনসাধাৰণৰ ওপৰত ক্ষীণ হৈ পৰে। ১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনত যোৰহাট-গোলাঘাট লোকসভা সমষ্টিৰ পৰা ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ সমৰ্থনত লোকসভালৈ প্ৰতিদ্বন্দ্বিতা

কৰি পৰাজিত হয়। অৱশ্যে কংগ্ৰেছৰ বাহিৰে অন্য সকলো প্ৰাৰ্থীতকৈ সৰ্বাধিক ভোট (৩৩,৭৮০ টা) পায়; এইছোৱা সময়ত বিভিন্ন জাতীয় আন্দোলনত তেওঁ আৰু তেওঁৰ কলম সমানেই শক্তিশালী হৈ থাকে।

সোঁপন্থী আৰু বাঁওপন্থী উপদলীয় কন্দল ক্ৰমাগত ভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছৰ মাজত তীব্ৰতৰ ৰূপ ধাৰণ কৰে, বিশেষকৈ প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰুৰ মৃত্যুৰ পৰৱৰ্তী সময়ৰ পৰা। ১৯৬৯ চনত ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰশ্নই কংগ্ৰেছৰ আভ্যন্তৰীণ বিবাদক উৎকৰ্ষলৈ লৈ যায় আৰু প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বত বামপন্থী সমাজবাদী উপদলে প্ৰধান কংগ্ৰেছী নেতা শ্ৰীমোৰাৰজী দেশাই প্ৰমুখ্য সোঁপন্থী সমাজবাদ-বিৰোধী উপদলক প্ৰকাশ্যে প্ৰত্যাহ্বান জনাই কংগ্ৰেছ দলৰ দুটা বেলেগ ভাৱমূৰ্তি সৃষ্টি কৰে। ভাৰতীয় জনসাধাৰণে শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বৰ প্ৰতি অকুণ্ঠ সমৰ্থন জনায়। ১৯৬৯ চনতে কংগ্ৰেছ দলৰ ঐতিহাসিক বিভাজন আনুষ্ঠানিক ভাৱে সংঘটিত হয়। সেই সময়ত ভাৰতৰ শ্ৰীমতী গান্ধীৰ বৈপ্লৱিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দৃষ্টিভংগীয়ে বামপন্থী প্ৰগতিশীল ৰাজনীতিজ্ঞ সকলক আকৰ্ষিত কৰে। ১৯৭১ চনত লোকসভাৰ মধ্যৱৰ্তীকালীন নিৰ্বাচন হয়। সেই বছৰ মাৰ্চ মাহত মালিকে শ্ৰীমতী গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছ দলত যোগদান কৰে। প্ৰায় পঁচিছ বছৰ বিৰোধী শিবিৰত অৱস্থান কৰা মালিক শাসক কংগ্ৰেছত যোগদান কৰাত এক মৃদু আলোড়নৰ সৃষ্টি হৈছিল। কিন্তু মালিকৰ আত্মপক্ষ সমৰ্থন কৰিবৰ জোখাৰে নিজা যুক্তিও আছিল। ১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনত তেওঁ কংগ্ৰেছ প্ৰাৰ্থী ৰূপে দেৰগাঁও সমষ্টিৰ পৰা অসম বিধান সভালৈ প্ৰতিদ্বন্দ্বিতা কৰে। উল্লেখযোগ্য যে দেৰগাঁও সমষ্টিত মালিকৰ দৰে কংগ্ৰেছ দলত নবাগত এজনে মনোনয়ন পোৱাত বহুতো পুৰণি কংগ্ৰেছী ক্ষুব্ধ হৈ উঠিছিল। কোনো কোনো মহলত ইয়াৰ সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়া হৈছিল। এই কথা লুকাই লাভ নাই যে স্থানীয় বহুতো

কংগ্ৰেছীয়ে মালিকক এই নিৰ্বাচনত অকলশৰে যুঁজিবলৈ এৰি দি অসহায় কৰি পেলাইছিল।

'সাপ্তাহিক নীলাচল'ৰ পক্ষৰ পৰা ১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত এই লেখকৰ লগত মালিকৰ এটি সাক্ষাৎ গ্ৰহণ কৰা হৈছিল। সাক্ষাৎকাৰটিয়ে মালিকৰ এই নিৰ্বাচন সম্পৰ্কত দৃষ্টিভংগীৰ এটি আভাস দাঙি ধৰিব।

**প্ৰশ্ন ঃ** বিগত প্ৰায় পঁচিছ বছৰ কাল বাঁওপন্থী ৰাজনৈতিক দলৰ লগত জড়িত থাকি আপুনি হঠাতেই শাসক কংগ্ৰেছ দলত যোগদান কৰাৰ উদ্দেশ্য কি ?

**উত্তৰ ঃ** মই হঠাৎ শাসক কংগ্ৰেছত যোগদান কৰা নাই। বহু চিন্তা আলোচনাৰ পাছতহে কৰিছোঁ। শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে কাৰ্যকৰী ভাৱে সমাজবাদ আৰু গণতন্ত্ৰ প্ৰতিষ্ঠাৰ কাৰণে যি আঁচনি কৰিছে আৰু ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ কৰি গঢ়ি তুলিবৰ কাৰণে যি দৃঢ় সংকল্প লৈছে, সি যি কোনো প্ৰগতিশীল ভাৰতীয়ৰে সমৰ্থন লাভ কৰিব। বিৰোধী পক্ষত থাকি সমালোচনা কৰি থকাতকৈ শ্ৰীমতী গান্ধীৰ শক্তি বৃদ্ধি কৰা মোৰ কৰ্তব্য বুলি ভাবিলোঁ।

**প্ৰশ্ন ঃ** কলেজত অধ্যাপনা আৰু সাহিত্য সেৱাৰ যোগেদি আপুনি যি জাতীয় সেৱা অদ্যাবধি আগবঢ়াই আহিছে, ৰাজনীতিত প্ৰত্যক্ষ ভাৱে জড়িত হৈ পৰিলে তাত ব্যাঘাত নজন্মিবনে ?

**উত্তৰ ঃ** অধ্যাপনাৰ পৰা ছুটি লৈছোঁ। সাহিত্য-সেৱাত কিছু বাধা নিশ্চয় পৰিব। কিন্তু মই যুদ্ধক্ষেত্ৰত বেৰেকত থাকিও কিবা-কিবি লেখা-মেলা কৰি আছিলোঁ। বৰ্তমানে নানা প্ৰতিকূল অৱস্থাৰ মাজতো মই লিখি আছোঁ আৰু থাকিব পাৰিম বুলি ভাবিছোঁ। কাৰ্য্যক্ষেত্ৰ সলনি হ'লে কিছু নতুন অভিজ্ঞতা নিশ্চয় হ'ব, আৰু সেইবোৰ অভিজ্ঞতাক সাহিত্য-বস্তুলৈ ৰূপান্তৰ কৰাৰ সুযোগ ওলাব। ৰাজনীতিয়ে সাহিত্য-চৰ্চাত বাধা নিদিব বুলিয়ে আশা কৰিছোঁ।

**প্ৰশ্ন ঃ** আপুনি যদি জয়লাভ কৰে তেনেহলে বিধান সভাৰ মজিয়াত ৰাজ্যৰ কি কি দিশৰ ওপৰত গুৰুত্ব দিব ?

**উত্তৰ ঃ** অসমৰ জনসাধাৰণ বিশেষকৈ যুবকসকলৰ আশা আকাংক্ষাক কাৰ্যকৰী ভাৱে সফল কৰি তুলিবৰ কাৰণে বিধান সভাই যত্ন কৰিব লাগিব। সমাজবাদ আৰু ধৰ্ম-নিৰপেক্ষতাৰ আদৰ্শ সূক্ষ্মভাৱে শিক্ষাৰ যোগেদি নতুনচাম শিশুৰ বোধগম্য কৰি তুলিবৰ ব্যৱস্থা কৰিব লাগিব। এক সুস্থ সাংস্কৃতিক অভ্যুত্থানৰ ব্যৱস্থা কৰিব লাগিব।...

**প্ৰশ্ন ঃ** আপুনি এটা মুছলমান প্ৰধান সমষ্টিত মনোনয়ন নলৈ কিয় দেৰগাঁৱৰ নিচিনা মুছলমান সংখ্যালঘু সমষ্টি এটাত প্ৰতিদ্বন্দ্বিতা কৰিছে ?

**উত্তৰ ঃ** এইটো এটা আদৰ্শগত প্ৰত্যাহ্বান। সাধাৰণ নিৰ্বাচনৰ যোগে অসাম্প্ৰদায়িক আৰু বিশুদ্ধ ৰাজনৈতিক বাতাবৰণ এটা গঢ়ি তোলাৰ নিতান্ত প্ৰয়োজন। দেৰগাঁও এখন ঐতিহ্যপূৰ্ণ, ৰাজনৈতিক ভাৱে সচেতন প্ৰগতিশীল অঞ্চল। ইয়াত সাম্প্ৰদায়িকতা নাই। দেৰগাঁৱৰে এক দুখীয়া কৃষকৰ সন্তান বুলিয়ে মোক সকলোৱে জানে। এইখন গাঁৱত থাকিয়ে মই "কলৈ পলাবি তই" কবিতাটো লেখিছিলোঁ।

**প্ৰশ্ন ঃ** আপুনি এখন ডাঙৰ কলেজত অধ্যাপনা কৰি আছে আৰু অদূৰ ভবিষ্যতে হয়তো অধ্যক্ষৰ দৰে পদো লাভ কৰিবগৈ পাৰিব। লগতে সাহিত্য-চৰ্চা কৰিও স্বচ্ছন্দে, আৰ্থিক স্বচ্ছলতাৰে আগন্তুক কালছোৱা কটাই দিব পাৰিলেহেঁতেন। তেনেস্থলত ৰাজনীতিৰ দুৰ্গম পথ লোৱাৰ কিবা বিশেষ ৰাজনৈতিক অভিলাষ আছেনেকি ?

**উত্তৰ ঃ** স্বচ্ছন্দে, আৰ্থিক স্বচ্ছলতাৰে জীৱন কাটোৱাটো মধ্যবিত্তৰ এটা লঘু স্বপ্ন। সেইটো মোৰ জীৱনৰ লক্ষ্য নহয়। আৰু মই এজনে স্বচ্ছন্দে জীৱন কটোৱাৰ দিহা কৰিবলৈ আত্মপ্ৰসাদ লাভ কৰাটো অতি সৰু স্বাৰ্থপৰ কথা। দেশৰ লক্ষ লক্ষ জনৰ অৱস্থাৰ ৰূপান্তৰ ঘটাবৰ ব্যৱস্থা নকৰিলে এজনৰ সুখী জীৱনৰ স্বপ্ন অবাস্তৱ। অনুভূতি সম্পন্ন এজন লেখক হোৱাৰ কাৰণেই মোৰ কেতিয়াবা কাপ থৈ তৰোৱাল ল'বৰ

ইচ্ছা হয়। কিন্তু বৌদ্ধিক নৈৰাজ্যবাদে সমস্যাৰ সমাধানে নানে। তাৰ কাৰণেও গণতান্ত্রিক ব্যৱস্থাতেই আশ্রয় লোৱাৰ প্রয়োজন। সংঘাতৰ সম্মুখীন হ'বলৈ প্রস্তুত থকাৰ নামেই জীয়াই থকা।....

[ ১৯৭২ চনৰ ১ মার্চ সংখ্যা 'সাপ্তাহিক নীলাচল'ত প্রকাশিত ]

১৯৭২ চনৰ বিধান সভাৰ সাধাৰণ নির্বাচন অনুষ্ঠিত হোৱাৰ প্রাক্-মুহূর্তত মালিকৰ ৰাজনৈতিক দৃষ্টিভংগী আছিল ওপৰোক্ত ধৰণৰ। কিন্তু অতি অপ্রিয় আৰু নিষ্ঠুৰ সত্য যে আমাৰ সমাজ কিছু পৰিমাণে হ'লেও সাম্প্রদায়িক দৃষ্টিভংগীৰ গৰাহৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই। ইত্যাদি নানা কাৰণ বশতঃ '৭২ চনৰ নির্বাচনত এগৰাকী বিখ্যাত সাহিত্যক, প্রগতিশীল সমাজসেৱী আৰু জনপ্রিয় বক্তা মালিক তেওঁৰ গুণমুগ্ধ নিজা সমষ্টি দেৰগাঁৱত ছছিয়েলিষ্ট সদস্যজনৰ হাতত পৰাজিত হয়। মানুহে ভাবিছিল, মালিকক এই পৰাজয়ে অতি বেছি প্রতিক্রিয়াশীল আৰু ক্ষুব্ধ কৰি তুলিব। আৰু ভাবিছিল, এই পৰাজয়ে মালিকৰ ৰাজহাড় ভাঙি দিব। কিন্তু পৰাজয়ৰ পাছ মুহূর্তেতে তেওঁ কৈছিল: 'ভালেই হ'ল। কেইবা হাজাৰ টকীয়া অভিজ্ঞতা এটা লাভ কৰিলোঁ।' এই বক্তব্যত তেওঁৰ সমর্থক সকল অবাক হৈছিল। উল্লেখযোগ্য কথা '৭২ চনৰ নির্বাচনৰ পাছৰ দুমাহত তেওঁ 'সোণালী সূতাৰে বন্ধা' আৰু 'এটা সূর্য্য, দুখন নদী আৰু এখন মৰুভূমি' নামৰ উপন্যাস দুখন লিখি উলিয়াইছিল—য'ত তেওঁৰ ব্যক্তিগত জীৱনৰ জয়-পৰাজয়ৰ গ্লানিৰ সামান্যতম কথাও প্রতিফলিত হোৱা নাই।

১৯৭২ চনৰ পৰা ১৯৭৬ চনলৈকে এই চাৰি বছৰ কাল নানা প্রকাৰৰ চৰকাৰী, অর্ধ চৰকাৰী গুৰু দায়িত্ব তেওঁৰ ওপৰত পৰে। তেওঁ ডাক-বিভাগৰ উত্তৰ-পূবাঞ্চলৰ উপদেষ্টা-পৰিষদৰ সদস্য, অসম চৰকাৰৰ উচ্চ ক্ষমতা সম্পন্ন ভূমি সংস্কাৰ সমিতিৰ অন্যতম সদস্য: অসম-মেঘালয় পথ-পৰিবহণ নিগমৰ ব'র্ডৰ সদস্য, অসম সমবায় চেনিকল ব'র্ড অব ডাইৰেক্টৰছৰ সদস্য আদি নানা পদ গ্রহণ কৰিব লগা হয়। বিশেষকৈ

এইছোৱা কালত উচ্চ ক্ষমতা সম্পন্ন ভূমি-সংস্কাৰ সমিতিৰ সদস্য হোৱাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব—যি দায়িত্ব চৰকাৰে ভূমি-নীতি পূৰ্ণভাৱে বাস্তৱত ৰূপায়িত কৰাৰ ওপৰত গুৰুত্ব দিছে। অসমত চৰকাৰৰ ভূমি-নীতিৰ বৈপ্লৱিক আৰু ঐতিহাসিক পৰিবৰ্তন সাধনৰ সময়ত মালিকে এই ব্যৱস্থাৰ এজন কৰ্মকৰ্তাৰূপে কাম কৰাৰ সুযোগ পায়। ই তেওঁক অসমৰ ভূমি সংস্কাৰ ব্যৱস্থাৰ লগত নিবিড় ভাৱে জড়িত কৰি পেলায়। স্বাভাৱিকতে প্ৰশ্ন হয়ঃ তেওঁ এইবোৰ দায়িত্ব কিয় লয়? অসম চৰকাৰৰ দ্বাৰা প্ৰকাশিত 'ৰাইজৰ বাতৰি', কাকতৰ পক্ষৰ পৰা এই লেখকে এটা সাক্ষাৎকাৰত ভূমি-সংস্কাৰ সম্পৰ্কীয় কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্ন মালিকক কৰিছিল। তাৰে তলত উল্লেখ কৰা প্ৰশ্ন আৰু উত্তৰ কেইটাই বহু কথাৰ সম্ভেদ দিয়েঃ

**প্ৰশ্নঃ** আপোনাৰ প্ৰধান পৰিচয় এগৰাকী সাহিত্যিক হিচাপে। আপোনাক অসম চৰকাৰে উচ্চ ক্ষমতা সম্পন্ন ভূমি-সংস্কাৰ সমিতিৰ সদস্য পদ কিয় দিলে বুলি আপুনি ভাবে?

**উত্তৰঃ** সাহিত্য চৰ্চা কৰাৰ লগতে মইতো ৰাজনীতিও কৰোঁ, থিয়েটাৰ-ছিনেমাও কৰোঁ, খেতিও কৰোঁ, মাছো ধৰোঁ। যি কাৰণতেই চৰকাৰে মোক ভূমি সংস্কাৰ সমিতিৰ সদস্য নকৰক, এই নিয়োগত মই আনন্দ পাইছোঁ। কৃষকৰ সমস্যা, বিশেষকৈ ভূমিহীন কৃষকৰ সমস্যা লৈ মই ভালেমান গল্প-উপন্যাস লিখিছোঁ। নিজ হাতে কৃষকৰ মাজলৈ গৈ তেওঁলোকৰ সমস্যাৰ বুজ লৈ সামান্যভাৱেও যদি কৃষকসকলৰ সমস্যা সমাধানত সহায় কৰিব পাৰে, তাক মই সফল শ্ৰম বুলি ভাবিম।

**প্ৰশ্নঃ** অসমৰ ভূমি সমস্যাৰ লগত আপোনাৰ পৰিচয় কিমান দিনৰ আৰু কেনে ধৰণৰ?

**উত্তৰঃ** আমাৰ অলপ খেতিৰ মাটি আছে। ১৯৫১ চন মানৰ পৰা তাৰে কিছু মাটিত মই নিজে খেতি কৰোঁ। কিছু মাটিত মাটি নোহোৱা ওচৰৰে দুঘৰমান মানুহে খেতি কৰে। এই মানুহখিনিৰ মাটি-বাৰীলৈ যিটো হেপাহ মই দেখিছোঁ, সি, সীমিত ক্ষেত্ৰত হ'লেও

ভূমিহীন কৃষকৰ অৱস্থা আৰু মানসিকতাৰ চিনাকি দাঙি ধৰে। দৈয়াং ফৰেষ্ট ৰিৰ্জাভত মাটি ভাঙিবলৈ গৈ আমাৰ গাঁৱৰ ভালেমান মাটি নোহোৱা মানুহে জেল-জৰিমনা ভৰি ঘূৰি আহিব লগা হোৱাৰ কথা মই প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা জানো। মই কিছুদিন অসমৰ কৃষক আন্দোলনৰ লগত এজন হিচাপেহে জড়িত, ভূমিগিৰি হিচাপে নহয়। এতিয়াও আমাৰ যি খেতিৰ মাটি আছে তাৰ উৎপাদনেৰে আমাৰ গোটেই পৰিয়ালটোক বছৰ জুৰি খাবলৈ নাটে।

**প্ৰশ্ন:** ভূমি-বিষয়ক এই গুৰুত্বপূৰ্ণ অথচ বহু পুৰণি সমস্যাটো অসম চৰকাৰে প্ৰধানমন্ত্ৰীৰ কুৰিদফীয়া অৰ্থনৈতিক কাৰ্যসূচী ৰূপায়ণৰ সহায়ক হিচাপে বা ইয়াৰ সমৰ্থনত ঠিক এই সময়তে গ্ৰহণ কৰিছেনেকি বাৰু?

**উত্তৰ:** জৰুৰী অৱস্থা ঘোষণা কৰাৰ পাছত আমাৰ প্ৰধানমন্ত্ৰীৰ কুৰিদফীয়া অৰ্থনৈতিক আঁচনি কাৰ্যকৰী কৰিবলৈ লোৱাৰ পূৰ্বেও অসম চৰকাৰে কৃষকৰ মাজত মাটি বিতৰণ বা আধিয়াৰ আইন প্ৰৱৰ্তন নাইবা minimum needs programme আদি আঁচনিৰ যোগেদি ভূমি সমস্যা সমাধানৰ চেষ্টা কৰিছিল। কিন্তু বৰ্তমান যি গতি, একাগ্ৰতা আৰু শক্তিৰে (speed and force) মাটি বিতৰণ কৰিবলৈ লোৱা হৈছে তেনেকৈ আগতে কৰা হোৱা নাছিল। জৰুৰী অৱস্থাৰ সুযোগ লৈ অতি ক্ষিপ্ৰতাৰে ভূমি সংস্কাৰ কৰাটো সম্ভৱ হ'ব বুলি মোৰ ধাৰণা।

**প্ৰশ্ন:** এইবাৰ গ্ৰহণ কৰা এই ধৰণৰ ভূমি-বিতৰণ ব্যৱস্থাই অসমৰ ভূমিহীনৰ সমস্যাটোৰ এটা সমাধান আনিব বুলি আপুনি প্ৰত্যয় যাব পাৰিছেনে?

**উত্তৰ:** অসমৰ ভূমিহীন লোকৰ সমস্যাটো তেনেই সামান্য আৰু সহজ নহয়। সমস্যাটো প্ৰকৃততে বৰ পুৰণিও নহয়। এসময়ত অসমত মাটি আছিল সৰহ আৰু মানুহ আছিল তাকৰ। এতিয়া মাটিতকৈ মানুহ বহুত বেছি হ'ল। উৎপাদনৰ ব্যৱস্থাৰ বিশেষ সলনি হোৱা নাই। অসমত যি উদ্বৃত্ত পতিত মাটি আছে তাৰ সকলো খেতিৰ

উপযোগীও নহয়। চাহ বাগিচাবোৰে নানা অজুহাতত এতিয়াও বহুত অন্য খেতিৰ উপযোগী মাটি নিজৰ কৰি ৰখাৰ চেষ্টা চলাই আছে। তেওঁলোকৰ মাটি প্ৰকৃততে কিমান আছে সঠিককৈ জনা নাযায়। আনহাতে অসমৰ বহুত ভূমিহীন কৃষকে কিছু দুৰণিত মাটি দিলেও, নিজৰ বাসস্থান আৰু আপোন পৰিয়ালক এৰি যাব নোখোজে। বহুতেই ভূমি সংস্কাৰক আমাৰ ৰাষ্ট্ৰীয় অৰ্থনীতিৰ এক প্ৰগতিশীল ৰূপান্তৰীকৰণৰ প্ৰয়াস বুলি ধৰিব নোখোজে। সৰহভাগ কৃষকে খেতি কৰে কেৱল ভাতমুঠিৰ যোগাৰ কৰিবৰ কাৰণে, কুঁহিয়াৰ বা মৰামাটৰ দৰে ধান বেচি নগদ টকা লাভ কৰিবৰ কাৰণে ব্যৱসায়ী মনোবৃত্তিৰে নকৰে। ভূমি-সংস্কাৰৰ লগে লগে আমাৰ কৃষক সমাজৰ মনৰ সংস্কাৰ কৰাৰ প্ৰয়োজন আছে। কিন্তু কৃষকক মাটিৰ অধিকাৰ দিব পাৰিলে এই দিশতযে আমি এখোজ আগবাঢ়িলো, সেই কথা ক'বলৈ সংকোচ নাথাকে।

*

**প্ৰশ্ন ঃ** কংগ্ৰেছ চৰকাৰ এই ভূমি-নীতিক কাৰ্যকৰী কৰাত অন্য ৰাজনৈতিক দলৰো সহযোগ লোৱা হৈছে। অহা নিৰ্বাচনত এই দলে কোনো দল-বিশেষৰ লগত নিৰ্বাচনী বুজা-পৰা হ'বগৈ বুলি আপুনি ভাবে নেকি ?

**উত্তৰ ঃ** ভূমি-সংস্কাৰ আঁচনিৰ লগত কোনো ৰাজনৈতিক উদ্দেশ্য জড়িত নাই বুলিয়েই মোৰ বিশ্বাস। ৰাইজৰ কল্যাণকামী প্ৰগতিশীল আঁচনি সফল কৰাত অন্য ৰাজনৈতিক দলৰ সহযোগিতা লাভ আশাপ্ৰদ কথা।

*

**প্ৰশ্ন ঃ** এই ভূমি-বিতৰণ ব্যৱস্থাৰ লগত দিনে-ৰাতিয়ে ছেদ-ভেদ নোহোৱাকৈ কাম কৰি আপুনি কিবা আমোদ পাইছেনে ? ইয়াৰ লগত জড়িত থাকি লাভ কৰা তিক্ত বা মধুৰ কিছু অভিজ্ঞতাৰ কথা কওকচোন।

**উত্তৰ :** কায়িক পৰিশ্ৰম যথেষ্ট হৈছে। পৰাপক্ষত মই ভূমিহান সকলৰ লগত পোনপটীয়া যোগাযোগ ৰাখিছোঁ। মাটি নোহোৱা কৃষকক মাটি দিয়াৰ নিঃস্বাৰ্থ আনন্দৰ তুলনাত মোৰ পৰিশ্ৰম বা শাৰীৰিক কষ্ট বৰ বেছি নহয়। মই ইয়াক এক দুৰ্লভ সুযোগ বুলিহে বিবেচনা কৰিছোঁ।

**প্ৰশ্ন :** শেষত আৰু এটা বেলেগ প্ৰশ্ন সুধিব খোজোঁ। এগৰাকী সৃষ্টিশীল সাহিত্যিক ৰূপে আপুনি ভূমি-সংস্কাৰ সমিতিৰ সদস্য হোৱাৰ পৰা আপোনাৰ সাহিত্য-সৃষ্টিৰ বাবে কিবা প্ৰেৰণা বা সুফল পাইছেনে যাৰ দ্বাৰা আপুনি নতুন কিবা সৃষ্টি কৰিব পাৰিব বুলি ভাবে?

**উত্তৰ :** ময়ো কৃষকৰ সন্তান। নিজেও মই এজন খেতিয়ক। কৃষকৰ সমস্যাত সোমোৱাই নহয়, কৃষকৰ আশা-আকাংক্ষা, হাঁহি-অশ্ৰুৰ মাজত সোমাই পৰিব পৰাত এক উন্মাদনাভৰা আনন্দ আছে। জন্মৰপৰা মৃত্যু পৰ্যন্ত যাৰ সম্পৰ্ক মাটিৰ লগত, মাটিক লৈ তেওঁলোকৰ ঘামৰ লুণীয়া গোন্ধৰ শ্ৰমত মহত্বৰ যি সুগন্ধ আছে—তাক নিবিড় ভাৱে উপলব্ধি কৰা, এটা ধুনীয়া কবিতা পঢ়া বা এখন মহৎ উপন্যাস পঢ়াৰ আনন্দতকৈ বহুত বেছি। যোৱা তিনি মাহত মাটি-বিতৰণত সক্ৰিয়ভাৱে জড়িত থাকি মোৰ যি বিচিত্ৰ অভিজ্ঞতা লাভ হৈছে তাৰ কিছু অংশ সাহিত্যৰ মাজত দাঙি ধৰিব পাৰিলে বহুত কিবা কৰা হ'ল বুলি ধৰিব পাৰিম।

[ 'ৰাইজৰ বাতৰি'ত প্ৰকাশিত ]

মালিকক যিসকলে ভাল পায়, শ্ৰদ্ধা কৰে, যিসকলে তেওঁক সমালোচনা কৰে, সকলোৱেই দ্বিধা আৰু সংশয়েৰে এটা কথা কয় যে এজন বিৰল প্ৰতিভাধৰ সাহিত্যিকৰ ৰাজনীতিয়ে এসময়ত সাহিত্যিক সত্বাটো তেনেই গ্ৰাস কৰি পেলাবগৈ পাৰে। সমাজৰ বাবে এজন ৰাজনীতিজ্ঞতকৈ এজন সাহিত্যিক বেছি আপোন। সাহিত্যিক মালিক ৰাজনীতিৰ চাকনৈয়াত হেৰাই যোৱাটো কাৰো সহ্য নহয়। কিন্তু সুদীৰ্ঘ কালৰ ৰাজনৈতিক সংস্পৰ্শই মালিকক মানুহক চিনা

জনাৰ এটা সুযোগ দিছে। আৰু 'ৰাজনীতিৰ ধূলি-মাকতিয়ে' তেওঁৰ সৃষ্টিৰ 'অর্জুন দৃষ্টি'ক অকণো ম্লান কৰিব পৰা নাই। ভূমি-সংস্কাৰৰ পৰা সমবায় চেনিকল, ডাক-তাঁৰ বিভাগেদি পথ-পৰিবহণ নিগমলৈকে বিভিন্ন বিষয়বোৰ তেওঁ চম্ভালিব পৰাটোৱেই বহুতৰ বাবে এটা সাঁথৰ।

১৯৭৬ চনৰ এপ্রিল মাহত মালিকৰ ভাৰতীয় সংসদত প্রবেশ ঘটিছে। কংগ্রেছৰ দলীয় মনোনয়ন লাভ কৰি অসম বিধান সভাৰ দ্বাৰা সর্বাধিক ভোট পাই তেওঁ ৰাজ্যসভালৈ নির্বাচিত হৈছে। এজন নিপুণ বক্তা আৰু বিভিন্ন সমস্যাৰ লগত চিনাকি থকা এই নতুন সংসদী সদস্য গৰাকীয়ে সংসদৰ মজিয়াত কি ভূমিকা লয়গৈ তাৰ প্রতি বিশেষতঃ অসমৰ জনসাধাৰণে আগ্রহেৰে বাট চাব। সংসদী ৰাজনীতিৰ যোগেদি ভাৰতীয় মুছলমানৰ মুখপাত্র হিচাপে অদূৰভবিষ্যতে মালিকে আত্মপ্রকাশ আৰু আত্মপ্রতিষ্ঠা কৰাৰ সম্ভাৱনা বহুতে দেখা পাইছে। কিন্তু মালিকে এখন ধর্ম-নিৰপেক্ষ ৰাষ্ট্রৰ চিনাকিটো সদায় শ্রদ্ধাৰ দৃষ্টিৰে চোৱাৰ সপক্ষে যুক্তি দিয়ে।

# অনাগত দিন সৃষ্টিকামী

"বজাব লাগিব বিশ্ব-বাঁহীৰ
স্বৰ্ণশিৰীয়া মাত,
ভাষাৰ যুদ্ধত জিনাব লাগিব
অসমীৰ নাম জনাব লাগিব
পৃথিবীখনৰে জ্ঞানী সভাত।"
—জ্যোতিপ্ৰসাদ

১৯৪২—৪৪ চনৰ কালচোৱাত প্ৰায় তিনি বছৰ মান মালিক এক-প্ৰকাৰ নিৰীশ্বৰবাদী বা নাস্তিক ভাবাপন্ন হৈ পৰিছিল। অন্য প্ৰাত্যহিক ধৰ্মাচাৰ পালনৰ প্ৰতি উদাসীন হোৱাই নহয়, আনকি কোনোবা এবাৰ ঈদৰ নামাজ পঢ়িবলৈকো যোৱা নাছিল। পৰিয়ালৰ সকলো তেওঁৰ ওপৰত বিতুষ্ট হৈ পৰিছিল। এনে এটা মানসিক অৱস্থা সৃষ্টি হোৱাৰ মূলতে তেতিয়া দুটা প্ৰক্ৰিয়াই ইন্ধন যোগাইছিল যেন লাগে: প্ৰথমতে, সেই সময়ত তেওঁৰ ঘৰুৱা আৰ্থিক অৱস্থাই অত্যন্ত শোচনীয় আৰু ভয়াবহ ৰূপ ধাৰণ কৰিছিল বুলি জনা যায়, যি মনটোক প্ৰচণ্ড ভাৱে বিদ্ৰোহী কৰি তুলিছিল—সমাজ, ঈশ্বৰ সকলোৰে বিৰুদ্ধে। দ্বিতীয়তে, 'স্পিৰিচুৱেলিজম' এটা ভ্ৰমাত্মক কথা আৰু 'মেটেৰিয়েলিজম'হে একান্ত সত্য—কমিউনিষ্ট-সাহিত্য অধ্যয়নে তেওঁৰ মনত তেনে এটা প্ৰত্যয় জন্মাইছিল। তেতিয়া বিদ্ৰোহ আৰু 'নন্‌কফৰ্মিজম' তেওঁৰ স্বভাৱত পৰিণত হৈ গৈছিল। বস্তুবাদী দৰ্শন সম্পৰ্কে তেওঁৰ নিজস্ব মতামত হ'ল: "মই মাৰ্ক্সবাদত বিশ্বাসী, কিন্তু 'মেটেৰিয়েলিজম'কে শেষ সত্য বুলি মই সম্পূৰ্ণ মানি ল'ব নোৱাৰোঁ। জুলিয়াচ ফুচিকৰ দৰে, এটা আদৰ্শবাদৰ কাৰণে হাঁহি হাঁহি প্ৰাণাহুতি দিয়া বিপ্লৱী সকলৰ আদৰ্শবাদ জানো 'মেটেৰিয়েলিজম'? এজন শিল্পীৰ সৌন্দৰ্য-সৃষ্টিৰ সাধনা জানো 'মেটেৰিয়েলিজম'ৰ উৰ্ধৰ বস্তু নহয়? ধৰ্মীয় দৰ্শন আৰু

মাৰ্কছীয় দৰ্শন দুয়োটাই যদি দুটা জীৱনৰ গতিপথ নিৰ্ণায়ক সত্য, তেন্তে ধৰ্মক ৰাজনীতিৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰা যেনে কথা, মাৰ্কছীয় দৰ্শনকো ৰাজনীতিৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰাটো একেই কথা নহয় জানো? ধৰ্মক হয়তো ৰাজনীতিৰ পৰা আঁতৰাই ৰাখিব পৰা যায়, কিন্তু মাৰ্কছীয় দৰ্শন প্ৰকাশ আৰু প্ৰতিষ্ঠাৰ ক্ষেত্ৰযে প্ৰধানকৈ ৰাজনীতিৰ ক্ষেত্ৰইহে (অৰ্থনীতিক সামৰি নিশ্চয়)। যুগৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ তিষ্ঠি থাকিব নোৱাৰিলে, ধৰ্ম নিস্তেজ আৰু দুৰ্বল হৈ পৰে। মাৰ্কছবাদেও সেইদৰে নিজস্ব প্ৰভাবেৰে যুগ সৃষ্টি কৰাৰ পাছত যুগৰ প্ৰভাৱকো মানি নল'লে, মাৰ্কছবাদো গতিহীন আৰু অকাৰ্যকৰী হৈ নপৰিব বুলি ধৰিব নোৱাৰি। প্ৰগতিশীল পৰিবৰ্তনৰ মাজেদি আগুৱাই গৈ থাকিলে মাৰ্কছবাদ পৃথিবীৰ মানুহৰ জাগতিক সমস্যাবোৰৰ সমাধানৰ এক উত্তম ব্যৱস্থাৰূপে নিশ্চয় পৰিগণিত হৈ থাকিব।”

মালিকৰ গীতা, বাইবেল, কোৰাণ হদীছ আৰু ইছলাম ধৰ্ম আৰু চুফীদৰ্শনৰ ওপৰত বিশেষভাৱে দখল আছে। তেওঁ কিন্তু নিজক ধাৰ্মিক মানুহ নহয় বুলি ভাৱে। তেওঁ ভাৱে: “সমাজ শৃংখলাৰ প্ৰয়োজনত ধৰ্মাচাৰৰ প্ৰয়োজন অস্বীকাৰ কৰিব নোৱাৰি। ট্ৰেড ইউনিয়নে একেটা ট্ৰেডৰ কৰ্মীসকলক ‘ইউনাইটেড’ কৰিব পাৰে, ধৰ্মৰ দৰে সকলোকে সামৰিব নোৱাৰে। দেশপ্ৰেমে দেশবাসীৰ একত্ব ৰচনা কৰিব পাৰে, আন্তৰ্জাতিক মানৱতাবাদ গঢ়ি তুলিব নোৱাৰে। ধৰ্মই এক বিশ্বজনীন ভাতৃত্ব আৰু একাত্মবোধৰ সৃষ্টি কৰিব পাৰে। মই নিজে প্ৰকৃত ধৰ্মক এক নৈতিক বাতাৱৰণ সৃষ্টি আৰু সংৰক্ষণৰ অৱলম্বন বুলি ভাৱোঁ। জড়বাদৰ সীমা আছে, ধৰ্মৰ (আধ্যাত্মিকতা অৰ্থত) পৰিধি অসীম। যিসকলে ধৰ্ম আৰু বিজ্ঞানৰ মাজত বিৰোধ দেখা পায়, সিসকলে দুয়োটা বিষয়কে সীমাবদ্ধ ক্ষেত্ৰৰ অন্তৰ্ভুক্ত কৰি চায়। সৃষ্টিৰ eternal lawক বিজ্ঞান আৰু ধৰ্ম উভয়ে স্বীকাৰ নকৰে জানো?”

. মালিকে পাঁচিছ বছৰ কাল এখন কলেজত অধ্যাপনা কৰি স্বৰাজোত্তৰ

কালৰ আমাৰ শিক্ষা-জগতখনৰ গতি-বিধি নিচেই ওচৰৰ পৰা লক্ষ্য কৰাৰ সুযোগ পাইছে। নানা সাহিত্য-সংস্কৃতিমূলক আৰু ৰাজহুৱা দায়িত্বৰ বাবে তেওঁ দেশৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমি ফুৰিব লগীয়া হয়। তুৰবাৰ 'ওমৰতীৰ্থ'ৰ পংক্তিৰ পেৰ'ডি কৰি তেওঁ পাতলীয়াভাৱে কয়:

এই জীৱনত এয়ে মাথোঁ সঁচা
বাকী সকলোটি তেনেই ভুল,
ৰাতিপুৱা উঠি:হ'ল্ডল বান্ধা,
আকউ সন্ধিয়া তাকেই খোল।

সেইবাবে তেওঁ কলেজত বহু সময়ত উপস্থিত থাকিব নোৱাৰা অৱস্থা হয়। এহাতে চৰকাৰী, অৰ্ধচৰকাৰী, সামাজিক দায়িত্ব; আনহাতে ছাত্ৰৰ প্ৰতি থকা দায়িত্ব একেসময়তে পালন কৰিবলগীয়া হোৱাৰ মুহূৰ্তবোৰত তেওঁ হাৰাশাস্তি হয়।

তেওঁ চৰকাৰৰ দ্বাৰা মনোনীত হোৱা সত্বেও কোনো এখন কলেজত অধ্যক্ষ পদ এটা নাপালে, বিশ্ববিদ্যালয়ৰো অধ্যাপক নহ'ল। জীৱনত আন আন ক্ষেত্ৰত বঞ্চিত হোৱাৰ দৰেই এই ক্ষেত্ৰতো তেওঁ বহুবাৰ বঞ্চিত হৈছে। ইও পৰাজিত অথচ হাৰ-নমনা নায়কৰ ব্যৰ্থতাৰ খতিয়ানৰ একাংশ মাথোন।

পাঠ্যক্ৰমৰ বৈচিত্ৰ্যহীনতা, শিক্ষাদানৰ গতানুগতিকতা, শিক্ষক-ছাত্ৰৰ মেকানিকেল সম্পৰ্ক, স্পষ্ট লক্ষ্য আৰু আদৰ্শৰ অভাৱ, প্ৰতিভা বিকাশৰ সুযোগৰ অভাৱ, শিক্ষাজগতৰ বাহিৰৰ শক্তিবোৰৰ মইমতালি আৰু যুক্তিহীন হস্তক্ষেপ আদিৰ পৰা মুক্ত নোহোৱা পৰ্যন্ত শিক্ষা জীৱিকাৰ কাৰণে সহায়ক হ'লেও জীৱনৰ কাৰণে সহায়ক নহয়গৈ বুলি মালিকে মত প্ৰকাশ কৰে।

মালিকৰ তত্বাৱধানত অসম ক্ষুদ্ৰ-উদ্যোগ উন্নয়ন-নিগমৰ পৰা ঋণ লৈ মালিকৰ এজন সম্বন্ধীয়ই এটা ডাঙৰ ছপাশাল প্ৰতিষ্ঠা কৰিছে। তেওঁ প্ৰথমতে ভাবিছিল, তেওঁৰ কৰ্মস্থলী যোৰহাট কিম্বা গুৱাহাটীত ছপাশালটো প্ৰতিষ্ঠা কৰিলে ব্যৱসায়িক আৰু অন্যান্য দিশৰ পৰা

সুবিধাজনক হ'ব। কিন্তু শেষত তেওঁৰ নিজা ঘৰ নাহৰণিত 'লুইত প্ৰিণ্টাৰ্ছ' নাম দি এই ডাঙৰ ছপাশালটি প্ৰতিষ্ঠা কৰিলে। তেওঁৰ ধাৰণা যে গাঁৱৰ ল'ৰা-ছোৱালীয়ে নিজৰ গাঁৱতে এটা নতুন শিল্প-প্ৰতিষ্ঠান গঢ়ি তুলিব পাৰিব। ছপাশালটোৱে সামান্যভাৱে হ'লেও পিছপৰা গাঁৱলীয়া অঞ্চল এটাৰ অৰ্থনীতিৰ ওপৰত প্ৰভাৱ পেলাব পাৰিব। তেওঁৰেই উদ্যোগত আৰু সম্পাদনাত সমবায় ভিত্তিত পষেকীয়া সাহিত্য আৰু বাৰ্তালোচনী এখন প্ৰকাশৰো আয়োজন চলিছে। গাঁৱৰপৰা এখন কাকত উলিয়াবলৈ কৰা এই ব্যৱস্থা নিশ্চয় দুঃসাহসিক বুলি ক'ব লাগিব।

গ্ৰাম্য সমাজ, গ্ৰাম্য অৰ্থনীতি, আৰু সংস্কৃতিৰ অকৃত্ৰিম আৰু নিভাঁজ সত্বাটোৰ প্ৰতি তেওঁৰ আকৰ্ষণ আজন্ম আৰু গভীৰ ধৰণৰ। গ্ৰাম্য অৰ্থনীতি আৰু গ্ৰাম্য সমাজ-জীৱনক শক্তিশালী কৰা তেওঁৰ জীৱনৰ ব্ৰত। আমাৰ জাতীয় জীৱনত আবেগিক সংহতি সাধনৰ পীঠস্থান গাঁৱৰ ভাবমূৰ্তি চিৰদিন অম্লান হৈ আছে। ১৯৫০ চনত অসমৰ ঠায়ে ঠায়ে হোৱা সাম্প্ৰদায়িক অশান্তিৰ সময়ত সম্প্ৰীতি ৰক্ষা কৰাৰ উদ্দেশ্যেৰে মালিকে "ক'লৈ পলাবি তই" নামৰ এটা সময়োপযোগী ধুনীয়া কবিতা লিখিছিল; লক্ষ্য আছিল অসমৰ গাঁৱত বসবাস কৰি অহা খিলঞ্জীয়া মুছলমানসকল:

"একে গাঁও, একে মাও
একে বঠা, একে নাও
একে কথা, একে গীত-মাত
একে নাট, একে ভাও
একে পিন্ধো, একে খাওঁ
একেখনি বিছু খোলা, দুয়ো একে জাত।

*

থাক তই অসমীয়া
থাক তই হেৰেই গৰীয়া,
ইয়াতে বান্ধিবি আটি
জীৱনৰ তৰা গাঁঠি,
ইয়াতে কবৰৰ মাটি
জীৱনৰ চিন ঢাকি দিয়া।"...

বাস্তৱিকতে মালিক নিজেই সম্প্ৰীতিৰ এক শৈল-সেতু। জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে তেওঁ সকলোৰে বাবে এগৰাকী হৃদয়বান বন্ধু। তেওঁ কল্পনাতীতভাৱে মানুহক ভাল পাবে জানে, বিশ্বাস কৰিব জানে।

মালিকৰ প্ৰেৰণাৰ উৎস বহু ক্ষেত্ৰত অসমৰ প্ৰকৃতি, অসমৰ ইতিহাস, অসমৰ সংস্কৃতি আৰু চমুকৈ অসমীয়া মানুহ। নানা জাতি-উপজাতিৰ আবেগ আৰু বুদ্ধিৰ সংমিশ্ৰণত সৃষ্টি হোৱা বাৰেবৰণীয়া এখন সংহতিপূৰ্ণ আৰু প্ৰতিশ্ৰুতি থকা অসমৰ প্ৰতিচ্ছবি তেওঁৰ চকুৰ আগত ভাহি থাকে:

"নিজ প্ৰাণ আগুৱাই ৰাখিলোঁ নিজ দেশ,
ৰাখিলোঁ বুকুত তুলি সিংহৰ আসন,
অকাঁক কৰিলোঁ ভাই, ডফলাক দিলোঁ ঠাই
মণিপুৰে হাত-মেলি পাতিলে মিতুৰ,
মিচিমিৰ মেঠোনত উঠিলোঁ চাবুক মাৰি
আবৰক বৰি ললোঁ বান্ধে বুকুৰ।
নগাই বঢ়ালে ঠগা অসম মিতাৰ ফালে
বৰাহী গৰাহ আনি যাচিলে মুখত,
পাঠানক থান দিলোঁ, মোগলক দিলোঁ ভোগ,
—অসমক মাতৃ বুলি পৰি ৰ'ল মনৰ সুখত।'

অমৰণ-অভগন অসম আৰু অসমীয়া মানুহৰ মৃত্যুঞ্জয়ী অস্তিত্বক লৈ তেওঁ গৌৰৱ বোধ কৰে আৰু অনুপ্ৰাণিত হয়। সেই অসমীয়া জাতিৰ ঐতিহ্য আৰু জীৱনধাৰা লুইতৰ দৰেই।

লুইত আৰু অতীতৰ কণ্ঠধ্বনি তেওঁ শুনে—

…"লুইতৰ সোঁতে ক'ব, অতীতৰ ভূতে ক'ব,
অসমীয়া চিৰঞ্জীৱ, চিৰদিন জীৱ।"…

জ্যোতিপ্ৰসাদৰ দৰে তেওঁ লুইতপৰীয়া সংস্কৃতিৰ পথেদি বিশাল মহাভাৰতীয় ক্ষেত্ৰলৈ গতি কৰাৰ প্ৰয়াসী। সেই মহাভাৰতীয় পথ হ'ব বিশ্ব-দৰবাৰ অভিমুখী পথ আৰু যাত্ৰা হ'ব এক অবিৰাম ক্লান্তিহীন যাত্ৰা। 'ৰূপতীৰ্থৰ যাত্ৰী'ৰ নায়কৰ দৰেই আব্দুল মালিকো ৰূপতীৰ্থৰেই যাত্ৰী।

"…মোৰেই বিশ্ব, মই বিশ্বৰ নতুন সুৰৰ গীতিকাৰ"।…

—( মালিক )

আগতেই কোৱা হৈছে, এনে বৈচিত্ৰ্যপূৰ্ণ, সংগ্ৰামী আৰু জটিল জীৱনৰ ইতিহাসক আনৰ অক্ষম লেখনীয়ে সমুজ্জ্বল কৰি তুলিব নোৱাৰে। অৱশ্যে জীৱন-বৃত্তক কলা-সম্মতভাৱে ৰূপদান কৰিব পৰা অভিজ্ঞ জনৰ কাপকাঠিৰ স্পৰ্শৰ কথা বেলেগ। তদুপৰি অনাগত ভৱিষ্যতৰ দিনবোৰ নিশ্চয় এই গ্ৰন্থৰ নায়কৰ জীৱন অধিক গুৰুত্বপূৰ্ণ ঘটনাই সম্ভাৱনাময় কৰি তুলিব। সেই দিনবোৰলৈ আমি নিশ্চয় আগ্ৰহেৰে বাট চাম এই বুলিয়েই যে সংঘাত আৰু সমস্যাই, সাফল্য আৰু যশস্যাই এজন অসমীয়া মানুহৰ লগ লৈছেহি। মনত পৰিছে— আৰ্ণেষ্ট হেমিংৱেৰ সেই উক্তিলৈ : 'Man can be destroyed, but not defeated.'

পৰিশিষ্ট [ক]

## মালিকৰ দুটি লেখা

### মোৰ জীৱন-দৰ্শন

জীৱন-দৰ্শন বোলা কথাষাৰৰ অৰ্থ বা তাৎপৰ্য্য মোৰ কাৰণে বৰ অস্পষ্ট। এজন মানুহৰ এটা আছুতীয়া নিজস্ব জীৱন-দৰ্শন থাকিব পাৰে জানো? সহজাত মনোবৃত্তিক (nature বা temperament) ঐতিহ্য, পৰিপাৰ্শ্ব, শিক্ষা-দীক্ষা, ভাবাদৰ্শ, অভিজ্ঞতা, ৰাজনৈতিক-অৰ্থ নৈতিক পৰিস্থিতিৰ সংঘাত-সংঘৰ্ষ আদিৰ প্ৰভাৱে প্ৰভাৱান্বিত কৰে। ইয়াৰ মাজেদি জীৱন-ধাৰণৰ এটা ৰীতি বা পদ্ধতিয়ে গঢ় লৈ উঠে। ইয়াকে জীৱন-দৰ্শন বুলিব পাৰিনেকি প্ৰতিজন মানুহৰ ভাৱ-চিন্তা, কৰ্ম-অভিজ্ঞতা সমাজৰ অন্য মানুহ তথা পৰিবেশ-পৰিপাৰ্শ্ব আদিৰ লগত তেওঁৰ সম্পৰ্কৰ ওপৰত নিৰ্ভৰশীল। সমাজৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ থকা (যথাৰ্থ ক্ষেত্ৰত ই সম্ভৱো নহয়) কোনো মানুহৰ কিবা বিশেষ ethics বা philosophyও থাকিব নোৱাৰে। থাকিলেও সি হয়তো হ'ব এক অস্বাভাৱিক Naturalism নাইবা বলিয়ালি। জীৱন, জগত আৰু মৃত্যু সম্পৰ্কে এটা systematic অন্বেষণ আৰু সমাজৰ লগত ব্যক্তিৰ বা জীৱনৰ লগত জীৱনৰ (নাইবা মহাজীৱনৰ if you please) সম্পৰ্ক নিৰ্ণয়ৰ যুক্তিনিষ্ঠ প্ৰচেষ্টাৰ ফলত বস্তুবাদীয়েই হওক বা ভাববাদীয়েই হওক, এটা সত্য উদ্ঘাটিত হোৱাটো অসম্ভৱ নহয়। এনে এটা সত্যাকে ব্যক্তি বিশেষৰ জীৱন-দৰ্শন বোলাটো কিমান দূৰ সমীচীন হ'ব, মই নাজানো। অথবা এজন মানুহে পৰিস্থিতিৰ লগত সংগ্ৰাম কৰোঁতে নিজ প্ৰতিভা, ব্যক্তিত্ব আৰু আত্মবিশ্বাসেৰে পৰিস্থিতিক আয়ত্তলৈ অনাৰ মাজেদি নিজস্ব এক দৃষ্টিভংগী গঢ়ি তোলাৰ অন্য নামেই জীৱন-দৰ্শন নেকি—মই নাজানো। সেই দেখি মোৰ জীৱন-দৰ্শন কি

বুলি নিশ্চয়কৈ কোৱাৰ উপায় মই বিচাৰি পোৱা নাই। এয়া অকাৰণ সৌজন্য বা বিনয় নহয়, সঁচা কথা ( স্বীকাৰ কৰিছোঁ—প্ৰথম পুৰুষত নিজৰ কথা কোৱাটো বা লিখাটো মোৰ কাৰণে বৰ অস্বস্তিকৰ কথা )।

## প্ৰয়োজনীয় জীৱন-বীক্ষা আৰু সংযম আজিও অনায়ত্ত

কোনো বিশেষ ব্যক্তিগত জীৱন-দৰ্শন নথকাটোৱেই যদি আজিৰ যুগৰ সৰহ সংখ্যক মানুহৰ জীৱন-দৰ্শন, সেই কথাও মই একে আষাৰে ক'ব নোৱাৰোঁ। মোৰ এটা নিজস্ব জীৱন-দৰ্শন আছেনে নাই সেইকথা গভীৰভাৱে ভাবি চোৱাৰ অৱকাশো মোৰ হোৱা নাই। কাৰণ মোৰ জীৱন-ধাৰণ পদ্ধতিয়ে বিৰোধ বৈষম্য অতিক্ৰম কৰি এটা অবিচলিত স্থিত বিন্দু বা নিশ্চিত গতিপথ লাভ কৰিছে বুলি মই নাভাবোঁ। যি জীৱন-বীক্ষা আৰু সংযমে জীৱন আৰু জগতক উপলব্ধি কৰাৰ নিৰ্ভুল পথ চিনাই দিয়ে, তেনে বীক্ষা আৰু সংযম আজিও মই আয়ত্ত কৰিব পৰা নাই।

## দৰ্শনৰ ছাত্ৰ

কলেজত মই দৰ্শন আৰু সাহিত্যৰ ছাত্ৰ আছিলোঁ। সাংখ্য-বেদান্ত-উপনিষদৰ লগত যিদৰে মোৰ জ্ঞানৰ পৰিচয় পৰীক্ষা পাছ কৰিব পৰাৰ জোখতে সীমাবদ্ধ, সেইদৰে পাশ্চাত্য দৰ্শনৰ লগত ( কাণ্ট, মিল, হেগেল, বাৰ্গছঁ, ৰু'দ, ৰাছেল, নীৎছে, ছ'পেনআৱাৰ আদিৰ ) পৰিচয়ো বৰ intensive বা extensive বুলি কোৱাৰ সাহস মোৰ নাই। স্বীকাৰ্য্য, ভাৰতীয় বা প্ৰাচ্যৰ দৰ্শনতকৈ পাশ্চাত্যৰ দৰ্শনহে অধিক অধ্যয়ন কৰিছোঁ। ৰাধাকৃষ্ণনৰ ভাৰতীয় দৰ্শন সম্পৰ্কীয় কিতাপবোৰ বা কনফুছিয়াছ, লাওৎঝে আদিৰ লিখা বহুত পাছতহে পঢ়িছোঁ। ইছলামিক theology সম্পৰ্কে প্ৰাথমিক জ্ঞান ইছলামৰ প্ৰাথমিক শিক্ষা দিয়াৰ

লগে লগেই দিয়া হয়, তথাপি কলেজত থাকোঁতেই মুছলিম দাৰ্শনিক সকলৰ লিখা (ফাৰাবী আল্‌কিন্দী, গাজ্জালি, ৰুমী আদিৰ) আৰু কোৰাণৰ ব্যাখ্যা আদি পঢ়িছিলোঁ। পাৰস্যৰ চুফী কবি সকলৰ ৰহস্যবাদী দৰ্শনৰ দৰেই ৰবীন্দ্ৰনাথৰ ৰহস্যবাদেও মোক বিমুগ্ধ কৰিছিল, গীতা মই বৰ শ্ৰদ্ধা আৰু আস্থাৰে পঢ়িছিলোঁ। মূল ফাৰ্চীত ওমৰ খায়য়ামৰ ৰুবাইয়াৎ পঢ়ি যেনেকৈ ওমৰৰ চিন্তাধাৰাৰ প্ৰেৰণাত 'আলহীঘৰ' নামৰ কিতাপখন লিখিছিলোঁ, তেনেকৈ গীতাৰ দ্বাৰা অনু-প্ৰাণিত হৈ ১৯৪০ চনত এটা গল্প লিখিছিলোঁ। তাৰ নাম দিছিলোঁ 'তস্য প্ৰজ্ঞা প্ৰতিস্থিতা' (গল্পটো 'বাঁহী'ত প্ৰকাশ হৈছিল)। এইবোৰৰ লগতে ইংৰাজ ৰোমাণ্টিক কবি সকলৰ বিশেষকৈ শ্বেলী, ব্ৰাউনিং, কীটছ আদিৰ —(মেটাফিজিকেল প'য়েট্ৰি কিন্তু আজিও মই ভাল পাব নোৱাৰিলোঁ) কবিতাৰ সৌন্দৰ্য্যয়ো মোক বাৰুকৈয়ে উন্মনা কৰি তুলিছিল।

## মাৰ্কছীয় দৰ্শনৰ প্ৰভাৱ

১৯৩৯ চন মানত মই সাধাৰণ ভাৱে মাৰ্কছীয় দৰ্শনৰ সংস্পৰ্শলৈ আহোঁ। কলেজত তেতিয়া Civicsৰ পাঠ্যপুথিত Communismৰ অধ্যায়টো বাদ দি থোৱা হৈছিল। আৰু অসমীয়াতো মাৰ্কছবাদ বা সাম্যবাদ সম্পৰ্কীয় কিতাপ-পত্ৰ নাছিল বুলিলেই হয়। গতিকে ইংৰাজীত মাৰ্কছ, এংগেলছ, লেনিন আৰু ষ্টালিনৰ লিখা প্ৰবন্ধ-পাতি পঢ়িছিলোঁ, প্ৰধানতঃ theoretical কাৰণে কথাবোৰ ভালকৈ বুজিব পৰা নাছিলোঁ। History of the CPSU (B) Communist Manifesto, Origin of Family আদিয়ে নতুন চিন্তাৰ সমল যোগাইছিল। কিন্তু সাম্যবাদী দৰ্শনৰ প্ৰতি মোৰ আকৰ্ষণ আছিল প্ৰধানতঃ আবেগিক, যৌক্তিক নহয়। দ্বিতীয় মহাসমৰৰ পাছত বংগদেশৰ আৰু দক্ষিণ আৰু পশ্চিম ভাৰতৰ কেইজনমান কমিউনিষ্ট নেতাৰ লগত চিনা-পৰিচয় হোৱাৰ পাছতহে কমিউনিষ্ট দৰ্শন সম্পৰ্কে মোৰ ধাৰণা

কিছু স্পষ্ট হৈছিল। কিন্তু এই কালছোৱাত ফ্ৰয়ড, য়ুং, হেভলক, এলিছ আদিৰ যৌন-মনোবিজ্ঞান অধ্যয়নৰ চেষ্টাও কৰিছিলো।

## দৰ্শন অধ্যয়ন আৰু জীৱন-দৰ্শন

তেতিয়া মই কুৰিৰ দেওনা পাৰ হৈছোঁ।

মোৰ বিশ্বাস আমাৰ নিচিনা যি কোনো ভাৰতীয় তথাকথিত শিক্ষিত মানুহৰ ক্ষেত্ৰতে এনে ধৰণৰ বাৰেমিহলি বিদ্যাৰ অনুশীলনী ব্যতিক্ৰম নহয়। জীৱনত এইবোৰ বিদ্যাৰ স্থায়ী মূল্য কিমান মই নাজানো। আৰু এনে বিদ্যাই ব্যক্তি-বিশেষক কিবা জীৱন-দৰ্শন শিকায় বুলিও মোৰ বিশ্বাস নহয়। বিজ্ঞানৰ ছাত্ৰ মাত্ৰেই যেনেকৈ বৈজ্ঞানিক নহয়, তেনেকৈ দৰ্শনৰ ছাত্ৰও দাৰ্শনিক হ'ব বুলি ভবাৰ থল নাই।

## আত্ম-বিশ্লেষণ

সাধাৰণভাৱে আত্মবিশ্লেষণ কৰি চাই মোৰ ধাৰণা হৈছে যে মই কোনো কথা হয়তো যিমান গভীৰ ভাৱে অনুভৱ কৰিব পাৰোঁ, সিমান গভীৰভাৱে চিন্তা কৰিব নোৱাৰোঁ। মোৰ যথেষ্ট ভাব-প্ৰৱণতা আছে। আৰু তাতোকৈ বেছি আছে অনুভূতিপ্ৰৱণতা। প্ৰতিকূল পৰিবেশ যদিও মই পঢ়াশুনা অতি কম নকৰোঁ, তথাপি এটা দাৰ্শনিক জীৱন-জিজ্ঞাসাৰ সলনি মই হয়তো আনুভূতিক উচ্ছ্বাস আৰু সংবেদনশীল স্পৰ্শকাতৰতাৰ দ্বাৰাহে অধিক পৰিচালিত হওঁ। অবিচিত্ৰ প্ৰাত্যহিকতাৰ মাজত দেখ-নেদেখকৈ ধৰা দিয়া বৈচিত্ৰ্যময় জীৱন-ৰহস্য মোৰ কাৰণে জীৱনৰ তাত্ত্বিক ব্যাখ্যাতকৈ অধিক উত্তেজনাময় আৰু ৰহস্য-উদ্দীপক। মানুহৰ কাৰ্য্যকলাপ আৰু চৰিত্ৰৰ বৈসাদৃশ্য আৰু বিৰূপতাত বহু সময়ত বিচলিত বা ক্ষিপ্ত হ'লেও আৰু সেইবোৰৰ দ্বাৰা tortured বা নিৰ্য্যাতিত অনুভৱ কৰিলেও কাৰ্য্যতঃ সেইবোৰৰ বিৰুদ্ধে মই একোকে কৰিব পৰা নাই। নগ্নৰূপত আমাৰ দেশত ধনতান্ত্ৰিক ব্যৱস্থা চলি

আছে। এই পৰিবেশত ধনতন্ত্ৰৰ বিৰোধী আদৰ্শৰ এজন সচেতন মানুহ এনে contradiction সম্পৰ্কে প্ৰতি মুহূৰ্ত্তে সজাগ থকাটো দেখ দেখ কথা। পৰিণামত জীৱন আৰু জীৱন-দৰ্শনৰ মাজৰ সম্পৰ্ক বস্তুনিষ্ঠ নহৈ মোৰ ক্ষেত্ৰত দূৰণীয়া এক ভাৱবাদী আদৰ্শত পৰিণত হোৱাটোতো অস্বাভাৱিকতা নাই যেন লাগে।

## পৰিবেশৰ কথা

মই এখন পুৰণি গাঁৱৰ কৃষকৰ ল'ৰা। মাটি, পানী, বন, বোকাৰ লগত মোৰ আশৈশৱ সম্পৰ্ক। নগৰ বা নাগৰিক জীৱনৰ প্ৰতি মোৰ কোনো অশ্ৰদ্ধা বা বিৰাগ নাই। তথাপি গাঁৱৰ প্ৰতি মোৰ এটা দুৰ্বলতা আছে, ই সংস্কাৰগত নে temperamental মই নাজানো। নাগৰিক জীৱনৰ কোনো বৈশিষ্ট্য বা চৰিত্ৰ নাই আৰু আমাৰ দেশৰ নগৰবোৰৰ উদ্ভৱ হৈছে প্ৰধানতঃ বণিক মনোবৃত্তিৰ ৰূপায়ণৰ প্ৰচেষ্টাৰ যোগেদি, কোনো সাংস্কৃতিক আদৰ্শ বা পৰিকল্পনাৰ যোগেদি নহয়। নাগৰিক জীৱনত মানুহৰ লগত মানুহৰ সম্পৰ্ক বৰ স্থূল আৰু বৈষয়িক। গাঁৱৰ কৃষকৰ জীৱন ধাৰাত নদীৰ গভীৰ সোঁতৰ দৰে, ৰাতিৰ ৰহস্যময় ব্যাপ্তিৰ দৰে, অৰণ্যৰ নিবিড় আদিমতাৰ দৰে এটা আপোন আপোন লগা চিৰন্তনতা আছে। মই যিমানে পুৰণি ভিতৰুৱা গাঁৱৰ মাজলৈ সোমাই যাওঁ, সিমানে মোৰ জীৱনৰ বেছি কাষ চাপি যোৱা যেন লাগে; জীৱনক বুকুৰ মাজত বিচাৰি পোৱা যেন লাগে; গাঁওবোৰত হাঁহি আৰু চকুলো গাত গা লগাই থাকে, জীৱনৰ দৰেই মৃত্যুও সমানে আপোন। গাঁৱৰ মানুহে মৰাশ কান্ধত লৈ যাওঁতেও ফুচুৰি কথা কৈ হাঁহিব পাৰে, বিয়াৰ ৰভাতলিৰ হাঁহি-খিকিন্দালিৰ মাজতো হিয়া ধাকুৰি কান্দিব পাৰে। গাঁৱৰ মানুহৰ হৃদয়বৃত্তি আধুনিক সভ্যতাৰ স্থূল যান্ত্ৰিকতাই সম্পূৰ্ণ শেষ কৰি পেলোৱা নাই। গাঁৱত 'ঈশ্বৰ' 'নেদেখাজন' যদিও, তেনেই আপোনজন, তেনেই চিনাকিজন। মানুহ আৰু ঈশ্বৰ তেনেই ওচৰা-

উচৰিকৈ থাকে গাঁৱত। কেতিয়াবা কোনোবা গাঁৱৰ মাজত দেখা পোৱা একোজন মানুহৰ অচিনাকি চকু-মুখত মই হাজাৰ যুগৰ মানুহৰ চকু-মুখ দেখা পাওঁ।

অৱস্থাৰ একান্ত দাস হৈ পৰা নাই যদিও অৱস্থাক অতিক্ৰম কৰাৰ চেষ্টাত সাফল্য অৰ্জন কৰিছোঁ বুলিও সান্ত্বনা লাভ কৰিব পৰা নাই। সামগ্ৰিক ভাৱে পৰিবেশ আৰু পটভূমিৰ পৰিবৰ্তন সাধন কৰিব নোৱাৰিলে এজন মানুহে ব্যক্তিগত ভাৱে যিমানেই চেষ্টা নকৰক, অৱস্থাৰ আশানুৰূপ বিবৰ্তন সাধিব নোৱাৰে। Subjective idealism সান্ত্বনাদায়ক হ'ব পাৰে, বাস্তৱত ফলপ্ৰসূ নহয়।

## সমাজ, সংস্কৃতি আৰু ঐতিহ্য

মই এখন বিশেষ দেশত থাকোঁ। সেই দেশখনৰ ঘোষিত কোনো প্ৰশাসনীয় বা ৰাজনৈতিক আদৰ্শ থাকিব পাৰে; কিন্তু কোনো শৃংখলাবদ্ধ, যুক্তিনিষ্ঠ আৰু সামগ্ৰিক জীৱন-দৰ্শন নাই। ভাৰতীয় সভ্যতা-সংস্কৃতি আদি সম্পৰ্কে আমাৰ এটা অবৈজ্ঞানিক, অতীতমুখী উচ্ছ্বাস আছে, সেই সভ্যতা সংস্কৃতিৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত বা পৰিচালিত হোৱাৰ কোনো urgency আমি অনুভৱ নকৰোঁ। আনহাতে এহাজাৰ, দুহাজাৰ, বা চাৰিহাজাৰ বছৰৰ আগৰ এটা জীৱনাদৰ্শ বা জীৱন-দৰ্শন যে আজি সম্পূৰ্ণ অকাৰ্য্যকৰী, অপ্ৰয়োজনীয় আৰু কেতিয়াবা প্ৰতিক্ৰিয়াশীলো হ'ব পাৰে, সেই কথা খুলি ক'বলৈকো মনৰ মাজত সাহস বিচাৰি নাপাওঁ। সেয়ে জীৱন-দৰ্শনৰ ক্ষেত্ৰত আমি half believers, আমি সুবিধাবাদী, আমি অসৎ—we are not true to ourselves। যিখন সমাজত হৃদয়ৰ অপমৃত্যু হৈছে, সেইখন সমাজত হৃদয়ৰ প্ৰতি কৰা যি কোনো আবেদন ব্যৰ্থ অৰণ্যৰোদন হবলৈ বাধ্য। আজিৰ মানুহৰ আত্মাৰ দাৰিদ্ৰ্য অতি নগ্ন আৰু নিৰ্লজ্জ ৰূপত প্ৰকাশি উঠিছে। ধনতন্ত্ৰৰ বজাৰত মানুহৰ হাত আৰু মূৰেই বিক্ৰি হোৱা নাই, মানুহৰ হৃদয়কো

পণ্যদ্ৰব্য ৰূপে বেচা-কিনা কৰাৰ আয়োজন চলিছে। অশোকৰ দিনৰ এটা স্তম্ভত জনসাধাৰণৰ কাৰণে লিপিবদ্ধ কৰা হৈছিল পঞ্চশীলাৰ মৰ্মবাণী, আজিৰ ভাৰতবৰ্ষৰ চৰকাৰে বাটৰ কাষৰ বৰগছত আঁৰে পৰিয়াল-পৰিকল্পনাৰ ৰঙা ত্ৰিভুজৰ ছবি! ভাৰতীয় জীৱন-দৰ্শনৰ যোগসূত্ৰ কাহানিবাই ছিন্ন হৈ গৈছে, অথচ আমি কেইজনে স্বীকাৰ কৰোঁ?

## ৰাজনৈতিক দৰ্শন

বৰ্তমান ভাৰতত সক্ৰিয়ভাৱে প্ৰৱৰ্তিত হোৱা কোনো এটা ধৰ্মভিত্তিক দৰ্শনেই ভাৰতীয় জনসাধাৰণক কোনো এক বিশিষ্ট জাতীয় দৰ্শনেৰে উদ্বুদ্ধ, অনুপ্ৰাণিত বা পৰিচালিত কৰিব পৰা নাই। মাৰ্কছীয় বা অন্য-কোনো ৰাজনৈতিক দৰ্শনেও সামগ্ৰিকভাৱে জাতীয় জীৱন-দৰ্শনৰ ঠাই অধিকাৰ কৰি লব পৰা নাই। এই কথা স্পষ্ট যে পৃথিৱীব্যাপী এটা সৰ্বাত্মক মূল্যমানৰ সংকটে দেখা দিছে। এটা crisis of values বনজুইৰ দৰে সমগ্ৰ পৃথিৱীতে বিয়পি পৰিছে। বিশ্ব জুৰি, বিশেষকৈ যুৱক শ্ৰেণীৰ মাজত, হতাশা, ক্ষোভ, ক্ৰোধ, আস্থাহীনতা আৰু জীৱনৰ প্ৰতি এক চৰম অশ্ৰদ্ধা আৰু অবিশ্বাস বিয়পি পৰিছে। সনাতন প্ৰমূল্যবোৰৰ ভিত্তি স্খলনৰ লক্ষণ পৰিস্ফুট হৈ উঠিছে।

## মৰীচিকা আৰু মৰূদ্যান

এই পটভূমিত মোৰ এটা নিজস্ব আৰু সুকীয়া জীৱন-দৰ্শনৰ অন্বেষণ কৰাটো মৰীচিকা খেদাৰ নিচিনা কথা নহ'বনে? সন্দেহ আৰু অবিশ্বাসৰ ধামখুমীয়াত পৰি আজিৰ মানুহে জীৱনৰ equillibrium হেৰুৱাই পেলাইছে। জীৱনৰ ছন্দপতন হৈছে। এটা বিৰাট vacoum-এ আমাক গ্ৰাস কৰি পেলাইছে। মূৰৰ ওপৰত এটম বোমা, ভৰিৰ তলত উদ্গীৰণমুখী আগ্নেয়গিৰি, ইয়াৰ মাজতে আজিৰ সভ্যতা-সংস্কৃতিৰ আস্ফালন, ইয়াৰ মাজতে মোৰ জীয়াই থকাৰ উদগ্ৰ সংগ্ৰাম, জীৱনক

উপলব্ধি কৰাৰ দুৰ্বল প্ৰয়াস। ইয়াৰ মাজতে মই জীৱনৰ মহত্ব বিচাৰোঁ। পৃথিবীৰ লক্ষ লক্ষ দৰিদ্ৰৰ দৰেই ময়ো চৰম দাৰিদ্ৰ্য আৰু দুৰ্দশাৰ মাজেদি জীৱনৰ মুখামুখি হৈছোঁ। লক্ষ লক্ষ লাঞ্ছিত আৰু অপমানিতৰ দৰেই নিকৃষ্টতম অপমান, অবিচাৰ আৰু অন্যায়ৰ victim হৈছোঁ। কিন্তু এই জীৱনক জীৱন কৰিবৰ কাৰণে সেই সকল সংগ্ৰামী মানুহৰ যি মহত্ব তাৰ সাফল্যৰ সম্ভাৱনায়েই মোৰো জীৱনত নতুন সংকল্পৰ বীজ অংকুৰিত কৰি যায়। এদিন সত্যৰ ওপৰত, ন্যায়ৰ ওপৰত আৰু মানৱতাৰ ওপৰত মানুহৰ আস্থা পুনঃ প্ৰতিষ্ঠিত হ'ব, আজিৰ মানুহে হেৰুৱাই পেলোৱা জীৱনৰ বৰণীয় প্ৰমূল্যবোধ পুনৰ নিজ মৰ্য্যাদাত প্ৰতিষ্ঠিত হ'ব—বিজ্ঞানৰ লগত মানুহৰ মধুৰ সম্পৰ্ক ৰচিত হ'ব আৰু মানুহে জীয়াই থকাৰ মহত্ব উপলব্ধি কৰিব—এই আশাকে সম্বল কৰি নিজৰ জীৱন-সংগ্ৰামত লাগি থকাই বৰ্তমান মোৰ জীৱন-দৰ্শন।*

—চৈয়দ আব্দুল মালিক

* 'সাপ্তাহিক নীলাচল' : ১১ ফেব্ৰুৱাৰি ১৯৭০ : সংখ্যাত প্ৰকাশিত।

## মোৰ লেখা আৰু মই

এটা গীতত ৰবীন্দ্ৰনাথে কৈছিল :

ওগো সুন্দৰ,
মনেৰ গহনে তোমাৰ মূৰতি খানি
ভেঙে ভেঙে যায়,
মুছে যায় বাৰে বাৰে ;
বাহিৰ বিশ্বে তাইতো তোমাৰে টানি।

এই উক্তি নিৰাকাৰ পূজাৰ ঠাইত সাকাৰ পূজাৰ সমৰ্থনত যিদৰে প্ৰযোজ্য হ'ব পাৰে সেইদৰে অমূৰ্ত ভাব-কল্পনাৰ বাহ্যিক ৰূপদানৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব পাৰে। সৃষ্টিয়ে পোন প্ৰথমতে মনোজগতত স্পষ্ট-অস্পষ্ট ৰূপ ধাৰণ কৰে। বাহিৰত ৰূপ লোৱাৰ পূৰ্বৰ অৱস্থাতে ই এজনৰ নিজস্ব সম্পদ হৈ থাকে। যেতিয়াই লেখনীৰ মাজত, চিত্ৰৰ মাজত, ভাস্কৰ্য্যৰ মাজত বা সুৰৰ মাজত সি ৰূপ লৈ উঠে, তেতিয়া সি সৰ্বজনৰ সম্পদলৈ ৰূপান্তৰিত হয়। কোনো শিল্পী, সাহিত্যিক, গায়ক, ভাস্কৰে তেওঁৰ সৃষ্টিৰ গ্ৰাহক ৰূপে এখন সচেতন আগ্ৰহী অথবা সন্দিগ্ধ সমাজ থকাৰ কথা পাহৰি গৈ, বা অস্বীকাৰ কৰি, সৃষ্টি-কাৰ্য্যত আত্মনিয়োগ কৰিব নোৱাৰে। অমূৰ্তক মূৰ্ত কৰি তোলা, অব্যক্তক বাঙ্ময় কৰি তোলা, ধ্বনি বা শব্দক প্ৰাণস্পৰ্শী সুৰ-জগতৰ সম্পদ কৰি তোলা অথবা নিৰ্বিশেষ শিলাখণ্ডক এক অপাৰ্থিৱ মূৰ্তিলৈ ৰূপান্তৰিত কৰা কাৰ্য্য এক কঠিন প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ সম্মুখীন হ'বলৈ সংশ্লিষ্ট শিক্ষা বা অভিজ্ঞতায়েই যথেষ্ট নহয়। এক অটল আত্মবিশ্বাস আৰু স্ৰষ্টা হিচাপে এক সুস্থ মানৱীয় দায়বদ্ধতাৰ চেতনা এই প্ৰত্যাহ্বানৰ সম্মুখীন হ'বলৈ একান্ত প্ৰয়োজনীয়।

পৃথিৱীত আজিলৈকে শিল্প-সাহিত্যৰ জগতখনত কাঁইট নোহোৱা গোলাপ ফুলনিৰ মাজেদি পদ-চালনা কৰি নিজৰ প্ৰতিভাৰ অকণ্টকা বিকাশ ঘটোৱাৰ সৌভাগ্য অতি কম সংখ্যক সুন্দৰ সাধকেহে পাইছে। হোমাৰ, মিল্টনৰ দৃষ্টিশক্তিহীনতা, বাৰ্ণছ, কীটছ, ন্যুট হামছুনৰ চৰম দাৰিদ্ৰ্য, ৰাফেল-ভিন্সিৰ কঠোৰ জীৱন-সংগ্ৰাম, বিপ্লবী কবি-সাহিত্যিক সকলৰ ৰাজৰোষত কাৰাবৰণ বা নিৰ্য্যাতন ভোগ—এইবোৰ কাহিনী এইসকল লোকৰ জীৱনৰ বিভিন্ন প্ৰত্যাহ্বানৰ কাহিনী মাথোন। এটি উদগ্ৰ সৃষ্টিৰ প্ৰেৰণাই অনবৰত অশান্ত আৰু উদ্বুদ্ধ কৰি নৰাখিলে কোনো শিল্পী-সাহিত্যিকেই নিজতকৈ নিজৰ সৃষ্টি মহত্তৰ কৰি এৰি থৈ যাব নোৱাৰে। ৰবীন্দ্ৰনাথে যদিও শ্বাহজাহানক তাজমহলতকৈ মহৎ বুলি কৈ গৈছে তথাপি শ্বাহজাহানৰ কীৰ্তি-কাহিনীয়ে কাৰোবাক চমৎকৃত নকৰিলেও তাজমহলে কাকো স্তম্ভিত আৰু অভিভূত নকৰাকৈ নেথাকে। কল্পনাক বাস্তৱত ৰূপ দিয়াৰ এক দুৰ্লভ প্ৰত্যাহ্বানৰ স্বাক্ষৰ তাজমহল। সকলোৰে মনত মনৰ মাজৰ কায়াহীন ভাৱৰাশিৰ প্ৰকাশ দিয়াৰ ইচ্ছা মাজে মাজে জাগ্ৰত নোহোৱাকৈ নাথাকে। কিন্তু তাক স্বীকৃতি দিয়াৰ সাহস আৰু সৃষ্টিৰ মাজেৰে প্ৰতিভাত কৰি তোলাৰ অদম্য প্ৰেৰণা নাথাকিলে প্ৰতিভা ক্ষণস্থায়ী বিলাসত পৰিণত হয়।

প্ৰথম অৱস্থাত নহ'লেও, বৰ্তমানত সৃষ্টিৰ প্ৰেৰণা একান্ত দুৰ্বল হৈ পৰা নাই যদিও, সৃষ্টি-শক্তিত শ্লথতা অহাটো লুকুৱাব লগা কথা নহয় বুলি ধাৰণা জন্মা অৱস্থাত, সাহিত্য-সৃষ্টিৰ ধাৰা অব্যাহত ৰখাটোক এনে এটা প্ৰত্যাহ্বান স্বৰূপেই মই গ্ৰহণ কৰিছোঁ। হেঁপাহ থাকিলেও কোনো যুগজয়ী মহৎ সৃষ্টিৰে মই ভাবজগতৰ অভিজ্ঞতাবোৰক সাহিত্যিক ৰূপত প্ৰতিষ্ঠা কৰিছোঁ বুলি কোনো-কাহানিও দাবী কৰা নাই আৰু কৰিব নোৱাৰোঁ। ক্ষুদ্ৰ জীৱনৰ ক্ষুদ্ৰ সংগ্ৰামে জীৱনৰ বৈচিত্ৰ্যৰ লগত পৰিচিত হোৱাত সহায় কৰিছে। কিন্তু যিবোৰ সংঘাতে জীৱন সম্পৰ্কে এক গভীৰতৰ উপলব্ধি আনি দিয়ে তেনেবোৰ সংগ্ৰামক মোৰ সৃষ্টিৰ

মাজলৈ অনাৰ শক্তি আৰু প্ৰতিভা মোৰ নাই বুলি জানিও ক্ষুদ্ৰ ক্ষুদ্ৰ উপলব্ধিবোৰৰ স্বৰূপ নিৰ্ণয়ৰ প্ৰয়াসকে মোৰ জীৱনলৈ অহা প্ৰত্যাহ্বানৰ উত্তৰ স্বৰূপে আগ বঢ়াবলৈ মই চেষ্টা কৰিছোঁ। কেতিয়াবা চুটি গল্প ৰূপত, কেতিয়াবা উপন্যাস ৰূপত, কেতিয়াবা নাটক ৰূপত অথবা কবিতা ৰূপত, এই মানসিক অভিজ্ঞতাৰ ৰূপ দিবৰ যত্ন দুৰ্বল ভাৱে মই কৰি আহিছোঁ।

যিখন সমাজৰ মাজত জন্ম লৈ মই লালিত-পালিত হৈছোঁ, যাৰ ক্ষুদ্ৰতা আৰু মহত্বই, অজ্ঞতা আৰু পাণ্ডিত্যই, সংকীৰ্ণতা আৰু উদাৰতাই, উত্থান আৰু পতনে মোক সমান ভাৱে বিস্মিত কৰিছে, সেইখন সমাজত মহৎ সৃষ্টিৰ সম্বল নাই বুলি ক'ব খুজিলে বাতুলীয়ে বেলিৰ পোহৰক ভৎ'সনা কৰাৰ নিচিনা হ'ব। সমাজ-জীৱনৰ পূৰ্ণতম উপলব্ধিৰ পটভূমিত নিজকে একান্ত নিৰপেক্ষভাৱে বুজিবৰ সাধনা কৰাৰ দাবী মই কৰিব নোৱাৰোঁ। সেই কাৰণে অভিজ্ঞতাবোৰ খণ্ডিত আৰু সাম্প্ৰতিকতাৰ সীমাৰ মাজতে আবদ্ধ। অভিজ্ঞতাৰ পোহৰেৰে বৃহত্তৰ জীৱনৰ ৰূপ চোৱাৰ অহ'তা নথকাৰ বাবেই মহৎ সাহিত্যিক সকলৰ যি প্ৰতিভা আৰু সৃজনী শক্তিয়ে সাৰ্বজনীন সমাদৰ লাভ কৰিছে, মোৰ সৃষ্টিয়ে তাক লাভ কৰিবলৈ সক্ষম হোৱা নাই। অহৰহঃ দুটা চেতনাই মনটোক অস্থিৰ আৰু অশান্ত কৰি ৰাখে: কবি ব্ৰাউনিঙৰ অমৰ কথাষাৰে সদায় বেদনা দিয়ে: The little done and undone vast...একালে জীৱনৰ ক্ষয়িষ্ণুতা আৰু সমাগত জীৱন-শেষৰ আগলি ইংগিত, আনহাতে শক্তিৰ সীমাবদ্ধতাৰ চেতনাই দিয়া এক পবিত্ৰ অস্বস্তি। ৰ'মাঁ ৰ'লাঁই সংকল্প লৈছিল মই ক্ষান্ত নহওঁ বুলি—I will not rest—ক্ষান্ত হোৱা নাযায়; কিন্তু যি অশান্তিয়ে সৃষ্টিক ঐশ্বৰ্য্যৰে সমৃদ্ধ কৰে সেই শ্ৰান্তিহীনতা বা restlessness আয়ত্ত কৰিব পাৰিছোঁ বুলি দাবী কৰাৰ সাহস নাই।

এটা কথাত মই সন্তুষ্ট যে মোৰ নিজৰ আৰু মোৰ সৃষ্টিৰ সম্পৰ্কে মোৰ কোনো ভুল ধাৰণা নাই। নিজৰ প্ৰতি নিষ্ঠুৰ হ'ব পৰাৰ শক্তি

আৰু অভিজ্ঞতা মই আহৰণ কৰিছোঁ, সেয়ে সমালোচক সকলক মই অকৃপণ চিত্তে শ্ৰদ্ধা জনাব পাৰোঁ। এজন মানুহৰ জোখকাঠি তেওঁ নিজে হয়নে নহয় সেই বিষয়ে তৰ্কবাদৰ অৱকাশ আছে। হেলনীয়াকৈ পৰা পোহৰত গাতকৈ গা-ৰ ছাঁটো দীঘল হয়; কিন্তু ছাঁৰ জোখাৰে গাটো জোখাটো বিপদজনক কথা। সেয়ে মই নিজৰ জোখেৰেই নিজৰ সৃষ্টিক জুখি চাবৰ যত্ন কৰোঁ। আৰু সেই জোখত নিজৰ ক্ষুদ্ৰতা অকাট্যভাৱে ধৰা পৰিলেও মই আত্মগ্লানি অনুভৱ নকৰোঁ। যেই কোনো গাইৰ নাম কামধেনু দিলেই সেই গাইৰ পৌৰাণিক কামধেনুৰ অসাধাৰণত্ব নাথাকিব পাৰে। তেনেকৈ কোনোবাই যদি মোক সাহিত্যিক আখ্যাৰে চিনাকি দিবলৈ বিচাৰেও, সেই প্ৰয়াসত তেওঁ বিফল হ'লে মোৰ আক্ষেপৰ কাৰণ নাথাকে।

আমি এক পৰম্পৰাৰ সন্তান, সেই পৰম্পৰাৰ নাম স্ৰষ্টা। এই পৰম্পৰাক অতিক্ৰম কৰিবৰ কাৰণে যি অজেয় শক্তিৰ আৰু আত্ম-প্ৰত্যয়ৰ প্ৰয়োজন, মোৰ জীৱনত তাৰ অভাৱ উপলব্ধি কৰি অসন্তুষ্ট থকাৰ বাহিৰে গত্যন্তৰ নাই। সাহিত্য সৃষ্টিৰ বিভিন্ন ক্ষেত্ৰত কৰা পৰীক্ষা-নিৰীক্ষাবোৰ এনে এক অসন্তুষ্টিৰে বহিঃপ্ৰকাশ যেন ধাৰণা হয়। কবিতাৰ পৰা গল্পলৈ, গল্পৰ পৰা উপন্যাসলৈ, উপন্যাসৰ পৰা নাটকলৈ বা ইয়াৰ ওলোটা ভাবে সৃষ্টি আগবাঢ়োঁতে যদি এটা অশান্ত মনৰ কিবা ৰূপ লোৱা বুলি কাৰোবাৰ অনুমান হয় সেয়েই মোৰ পৰম সান্ত্বনাৰ থল। জীৱনে আমাক নোজোখে; কিন্তু দিন আৰু ৰাতিৰ জোখেৰে সৃষ্টিৰ গুণাগুণ জুখিবলৈ যোৱাটো এক অফলপ্ৰসূ প্ৰয়াস। সামাজিক আৰু ৰাজনৈতিক ব্যভিচাৰবোৰে মাজে মাজে মোক ক্ষিপ্ত আৰু বিদ্ৰোহী কৰি তোলে। মানুহৰ ওপৰত মানুহে কৰা অন্যায়ৰ বাবে মই কোনো দিন নিয়তি বা অদৃশ্য শক্তিক দোষাৰোপ কৰা নাই, মানুহকে কৰিছোঁ। আনহাতে মানুহ কোনো দিন মানুহৰ ঊৰ্ধলৈ যাব নোৱাৰিব বুলি ভবাৰ 'চিনিচিজিম'ও মোৰ নাই। মহাপুৰুষৰ ভাও লোৱাৰ ধৃষ্টতা নাই যদিও, এজন সাহিত্যিক হিচাপে মানুহৰ হকে মাত মতাৰ এটা

পৱিত্ৰ অধিকাৰ আৰু দায়িত্ব মোৰ আছে বুলি মই বিশ্বাস কৰোঁ। সেই অধিকাৰ প্ৰতিপন্ন কৰিবৰ কাৰণে লিখনীৰ আশ্ৰয় লওঁতে, মোৰ লিখাৰ কলাগুণ খৰ্ব হ'লেও মই অনুতাপ নকৰোঁ। এই দৃষ্টিকোণৰ পৰা মোৰ কৰ্তব্যবোধ আৰু দায়বদ্ধতাক শক্তিশালী ভাৱে লিখনীৰ যোগেদি প্ৰকাশ কৰিবলৈ কৰা প্ৰয়াসেই মই সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ উত্তৰ।*

—চৈয়দ আব্দুল মালিক

++

* দেৰগাঁও সাহিত্য সভাৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ : ১৯৭৪ চনত প্ৰকাশিত।

# পৰিশিষ্ট: [ খ ]

## মালিক-ৰচনাৱলী

### উপন্যাস

১। নঃ সাঃ শুঃ
২। ৰথৰ চকৰি ঘূৰে
৩। বনজুই
৪। ছবিঘৰ
৫। মাটিৰ চাকি
৬। কণ্ঠহাৰ
৭। অন্য আকাশ অন্য তৰা
৮। সূৰ্যমূখীৰ স্বপ্ন
৯। আধাৰ শিলা
১০। জীয়া জুৰিৰ ঘাট
১১। ৰূপতীৰ্থৰ যাত্ৰী—১ম খণ্ড
১২। ,, ,, ,,—২য় খণ্ড
১৩। ৰজনীগন্ধাৰ চকুলো
১৪। মোৰ বাবে নুফুলা মালতী ফুল
১৫। প্ৰাচীৰ আৰু প্ৰান্তৰ
১৬। ৰাতিৰ কবিতা
১৭। ওমলা ঘৰৰ ধূলি
১৮। নল-বিৰিণা-খাগৰি
১৯। অঘৰী আত্মাৰ কাহিনী
২০। অন্য নাম মৃত্যু
২১। পহুমৰা হাবিৰ বাট
২২। জেতুকা পাতৰ দৰে
২৩। জয়া, মণিকা ইত্যাদি
২৪। সোণালী-সূতাৰে বন্ধা
২৫। এটা সূৰ্য, তুখন নদী আৰু এখন মৰুভূমি
২৬। ডঃ অৰুণাভৰ অসম্পূৰ্ণ জীৱনী
২৭। সিপাৰে প্ৰাণ সমুদ্ৰ
২৮। একাবেঁকা বৃত্ত
২৯। খোঁৱা নিদান
৩০। মই প্ৰস্তাৱ কৰোঁ যে—
৩১। অমৰ মায়া
৩২। অগ্নিগৰ্ভা
৩৩। উই হাঁফলু
৩৪। ত্ৰিশূল
৩৫। কবিতাৰ নাম লাভা

### চুটি গল্প সংগ্ৰহ

১। পৰশমণি
২। ৰঙা গৰা
৩। মৰহা পাপৰি
৪। এজনী নতুন ছোৱালী
৫। শিখৰে শিখৰে
৬। শিল আৰু শিখা
৭। প্ৰাণাধিকা
৮। বহুতো বেদনা এটোপা চকুলো
৯। ৬নং প্ৰশ্নৰ উত্তৰ
১০। মৰম মৰম লাগে
১১। অস্থায়ী আৰু অন্তৰা

### নাটক-নাটিকা

১। প্ৰথম প্ৰণাম
২। যুগৰ দাবী
৩। অংকুৰ
৪। জোৱাৰৰ ঢৌ
৫। ৰাজদ্ৰোহী
৬। মকৰাজাল
৭। আধা আঁকা ছবি
৮। শেষ চহী
৯। শকুন্তলা
১০। তেজীমলা
১১। জগৰা মণ্ডলৰ প্ৰেমাভিনয়

১২। জনতাৰধ ভাওনা
১৩। আলহী ঘৰ
১৪। যোজক

## কবিতা

১। বেদুইন
২। স্বাক্ষৰ

## ভ্ৰমণ কাহিনী

১। মাজত মাথোন হিমালয়

## ভাষা

১। অসমীয়া ভাষাত ফাৰ্চী, আৰবী আদি শব্দ ( অপ্ৰকাশিত )

## দৰ্শন

১। চুফী আৰু চুফীবাদ

## ইতিহাস

১। অসমীয়া মুছলমান ( অপ্ৰকাশিত )

## সম্পাদনা

১। অসমীয়া জিকিৰ আৰু জাৰী

## সাধু কথা আৰু শিশু ৰচনা

১। মুকলি মনৰ সাধু
২। কোৰাণ চৰিত্ৰৰ সাধু

## অনুবাদ

১। চিৰকুমাৰ সভা ( ৰবীন্দ্ৰনাথ ঠাকুৰ )
২। ভাৰতীয় শিক্ষাৰ পুনৰ্গঠন ( ডঃ জাকিৰ হুছেইন )
৩। গালিব ( ডঃ মুজিব )
৪। সুৰদাস ( ব্ৰজেশ্বৰ বৰ্মা )
৫। বনগড়বাড়ী ( ব্যাঙ্কটেশ )
৬। নঙ্গ দুনীয়াকো চালাম ( চৰ্দাৰ জাফৰী )
৭। বগা চুলীয়া ছোৱালীজনী (The white haired girl)
৮। তীৰ্থযাত্ৰী জোহান বয়েৰ